


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩০৯ ■ গুৱাহাটী ■ শনিবাৰ, ১৮ জুন, ২০২২, ৩ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 309 Dainandin Barta ■ Guwahati, Saturday ■ 18 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



অৱসৰৰ দহ বছৰৰ পিছত স্নাতকোত্তৰ হ'ল নগাঁৱৰ গুণকান্ত শইকীয়া



## ৭০তত ডিগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** মানুহৰ আগ্ৰহ, স্পৃহা, ধৈৰ্য আৰু একাগ্ৰতা থাকিলে সকলো কামেই সম্ভৱ হৈ উঠে। বিশেষকৈ ■ ২ পৃষ্ঠাত

ডিএইচএছ কানৈ মহাবিদ্যালয়ত আৰক্ষী অধীক্ষক মিশ্ৰ

## 'সম্প্ৰতি চাইবাৰ অপৰাধ ক্ৰমে বৃদ্ধি পাইছে'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৭ জুন ঃ** 'সম্প্ৰতি চাইবাৰ অপৰাধ ক্ৰমে বৃদ্ধি পাইছে। এই চাইবাৰ অপৰাধে সমাজ ব্যৱস্থাত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।' ডিব্ৰুগড় আৰক্ষী প্ৰশাসন, কেন্দ্ৰীয় অনুসন্ধান বিভাগ, অসম; ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়, ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয় আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত ■ ২ পৃষ্ঠাত



বাক্সাত বানপৰিস্থিতিৰ বুজ ল'লে মন্ত্ৰী পীযূষ হাজৰিকা আৰু উৰ্খাও গৌৰা ব্ৰহ্মই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৭ জুন ঃ** সমগ্ৰ ৰাজ্যতে বানপৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে শেহতীয়া বানপৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি বাক্সা ■ ২ পৃষ্ঠাত

## ২০ জুনত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ-নিৰ্বাচিত সদস্যৰ শপতগ্ৰহণ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ১৭ জুন ঃ** ৮ জুনত অনুষ্ঠিত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনত বিজেপি দল জয়ী হৈ শাসনৰ বাঘজৰী লোৱাৰ পাছত ২০ জুনত নতুন পৰিষদখনে শপতগ্ৰহণ ■ ২ পৃষ্ঠাত

অসম আদৰ্শ গ্ৰাম যোজনাৰ পৰিদৰ্শনকাৰী বিষয়াসকলৰে মুখ্যমন্ত্ৰীৰ বৈঠক

## গাঁওবাসীৰ অংশীদাৰিত্বৰে গাঁও উন্নয়ন আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ জুন ঃ** অসম আদৰ্শ গ্ৰাম যোজনা সফল কৰাৰ বাবে গাঁওবাসীৰ আকাংক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গাঁৱবাসীৰ সহযোগিতাৰে এক বিস্তৃত গাঁও উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পৰিদৰ্শনকাৰী বিষয়াসকলক নিৰ্দেশ দিয়ে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ ■ ৮ পৃষ্ঠাত



# ছিগিছে বাট-পথ, খহিছে ঘৰ

গদাধৰ নদীৰ বাঢ়নী পানীয়ে উটুৱাই নিলে দলং ঃ গড়কাপ্টানী পথৰ ওপৰেদি বাগৰিছে পানী, যাতায়াত বিচ্ছিন্ন ঃ বি টি চিৰ ত্ৰিশখনৰো অধিক গাঁও জলমগ্ন ঃঃ ২নং বাঁশবাৰীত আই আৰু মানাহ নদীৰ ভয়ংকৰ খহনীয়া ঃ ২৪ ঘণ্টাত ২৬টাকৈ পৰিয়ালৰ বাসগৃহ, এখন বিদ্যালয় নদীৰ বুকুত বিলীন ঃ এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান অব্যাহত

## ৰাজ্যৰ বানপৰিস্থিতি অপৰিৱৰ্তিত, ১৬জন লোকৰ মৃত্যু, বানৰ আগ্ৰাসী ৰূপ, ৰঙিয়াত নাও বুৰি এজনৰ মৃত্যু



১৯৮৮ চনৰ পাছত মঙলদৈ চহৰত বানপানী ঃ শান্ত, শীতল বেগা নদীৰ কালৰূপ দেখি আতংকিত মঙলদৈবাসী, ঘৰৰ মূধচৰে বৈছে পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ জুন ঃ** ৰাজ্যত ধাৰাসাৰ বৰষুণ অব্যাহত থকাৰ বাবেই বানপৰিস্থিতিৰ অধিক অৱনতি ঘটিছে। জানিব পৰা মতে শেহতীয়া বান-ভূমিস্খলনত ১৬জন লোকৰ মৃত্যু ঘটিছে। ইপিনে বান আৰু ভূমিস্খলনৰ বাবে বৰাক উপত্যকাৰে যোগাযোগ ব্যৱস্থা ■ ৮ পৃষ্ঠাত



## অগ্নিপথ নিযুক্তি আঁচনি বাতিলৰ দাবীত দেৰগাঁৱৰ ৰাজপথত উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৭ জুন ঃ** কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেনাৰ নিযুক্তি প্ৰক্ৰিয়াত এক যুগান্তকাৰী পৰিৱৰ্তন সূচনাৰে 'অগ্নিপথ নিযুক্তি আঁচনি' ঘোষণা কৰিছে। কিন্তু এই আঁচনিৰ বিৰুদ্ধে ■ ৮ পৃষ্ঠাত

বিজেপিৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ১৪ জনীয়া প্ৰচাৰ সমিতি গঠন

## প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ পূৰ্বে হ'ব প্ৰাৰ্থী চূড়ান্ত



তালিকাত সৰ্বানন্দ-ৰাজদীপ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ জুন ঃ** দেশত পৰৱৰ্তী ৰাষ্ট্ৰপতি কোন হ'ব, শাসক আৰু বিৰোধী পক্ষৰ প্ৰাৰ্থী কোনে লাভ কৰিব, এই বিষয়বোৰ এতিয়াও ■ ৮ পৃষ্ঠাত

## নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ মূল বান্ধৰ ওপৰেৰে বাগৰিছে পানী

সোৱণশিৰি নদীৰ ভয়ংকৰ ৰূপ ঃ আতংকিত নৈ পৰীয়া ঃ নাওবৈচা, বিহপুৰীয়াতো ভয়ংকৰ ৰূপ শিঙৰা, ডিক্ৰঙৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৭ জুন ঃ** অসমৰ লগতে চুবুৰীয়া পাহাৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত বিগত প্ৰায় এমাহ ধৰি হৈ থকা নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত সোৱণশিৰি নদী ফেনে-ফোটোকাৰে ওফন্দি উঠিছে আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। সোৱণশিৰি নদীৰ তাণ্ডৱে নৈখনৰ নামনি অংশৰ বহু গাঁও বুৰাই পেলোৱাৰ ■ ৮ পৃষ্ঠাত

## বানৰ মাজতেই বাঘৰ আতংক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৭ জুন ঃ** বানৰ আতংকৰ মাজতে এইবাৰ ডবকাত বাঘৰ আতংকত নিদ্ৰা হৰণ ডবকাৰ ভেদৌআটী অঞ্চলৰ জনতাৰ। কিছু দিন পূৰ্বে পশুধন আক্ৰমণ কৰি ভক্ষণ কৰিছিল বাঘে। আজি ভেদৌআটীৰ এজোপা গছত আশ্ৰয় লৈছে বাঘৰ এটি পোৱালি। তাকে লৈ আতংকৰ সৃষ্টি হয়। ৰাইজে প্ৰত্যক্ষ কৰি হুৱা-দুৱাৰ সৃষ্টি কৰে। ডবকা-যমুনামুখ গড়কাপ্টানী পথৰ কাষতে এজোপা গছত প্ৰত্যক্ষ কৰি বন বিভাগ আৰু জিলা প্ৰশাসনক ■ ৮ পৃষ্ঠাত

চুইছ বেংকত ৫০ শতাংশ বৃদ্ধি পালে ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ


## ভাৰতীয়ই জমা কৰিছে ৩০,৫০০ কোটি টকা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৭ জুন ঃ** চুইছ বেংকত এইবাৰ পুনৰ বৃদ্ধি পাইছে ভাৰতীয় লোকে জমা কৰা ধনৰ পৰিমাণ। বৈধ বা অবৈধভাৱে বহু ভাৰতীয়ই ছুইছ বেংকত ধন জমা কৰি আহিছে। ভাৰত চৰকাৰে কিছু বছৰ আগতে বিষয়টোক লৈ মূৰ ঘমাইছিল যদিও এতিয়া সেই বিষয়ত তাপ মৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ চুইছ বেংকত ভাৰতীয়ৰ লোকে জমা কৰা ধনৰ পৰিমাণ ৫০ শতাংশ বৃদ্ধি হৈ ৩০,৫০০ কোটি টকা হৈছে। এনে বৃদ্ধি ১৪ বছৰৰ ভিতৰত সৰ্বোচ্চ। বৃহস্পতিবাৰে চুইছ বেংকে এই তথ্য প্ৰকাশ কৰিছে। চুইছ বেংকত ধন জমা কৰা ■ ৮ পৃষ্ঠাত

কাজিৰঙাত গঁড় গণনাৰ নামত তিনি দিনত খাদ্যৰ নামত ১৬ লাখ, মুঠ ব্যয় ৩১ লাখ

## এদিনৰ ডিনাৰ পাৰ্টীত খৰচ ২.৮৭ লাখ টকা

কাজিৰঙাক খীৰতী গাইলৈ পৰিণত কৰা আমোলা, এন জি অ'ক তদন্তৰ আউটিলৈ অনাৰ দাবী জীপালৰ



**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১৭ জুন ঃ** ৰাজ্যৰ তদানীন্তন বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি কাজিৰঙাত লুণ্ঠন চলাইছে একাংশ চৰকাৰী চোৰে। গঁড় গণনাৰ নামত ৰাজকীয় ভোগ-বিলাসেৰে আকালৰ দিনত ৰাজকোষৰ ধন তিনি দিনত ১৬ লাখ শৰাধ কৰি দেশবাসীৰ ওচৰত লজ্জানত কৰা বিভাগীয় আমোলা, এনজিঅ'ক ন্যায়িক তদন্তৰ আউটিলৈ অনাৰ দাবী ■ ৮ পৃষ্ঠাত




## বিবাহ বিচ্ছেদ বিচাৰি আদালতৰ কাষ চাপিল বক্সাৰ লাভলীনা বৰগোহাঁই

... বিবাহ বিচ্ছেদ বিচাৰি আদালতৰ কাষ চাপিল অলিম্পিকত ব্ৰঞ্জ মেডেল বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁয়ে। বক্সাৰ লাভলীনা বৰগোহাঁয়ে ■ ৮ পৃষ্ঠাত

শোণিতপুৰত বানপৰিস্থিতি ক্ৰমাৎ জটিল হৈ পৰিছে

## জীয়াভৰলীত উটি গ'ল যুৱক

বানত ভাগিল পকী দলং-কালভাৰ্ট ঃ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰিছে পানী ঃ বালিপৰা-লখিমপুৰ আৰু তেজপুৰ-ঢেকীয়াজুলি সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ঃ বিপদসীমাৰ ওপৰেৰে বৈছে বেলশিৰি, জীয়াভৰলী, গাভৰু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ জুন ঃ** নেৰানেপেৰা বৰষুণৰ ফলত শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বান পৰিস্থিতি ক্ৰমাৎ জটিল হৈ পৰিছে। বাঢ়নী পানীয়ে বুৰাই পেলাইছে ন ন অঞ্চল। ফেনে ফোটোকাৰে বাঢ়ি উঠা জীয়াভৰলী নৈৰ সোঁতত আজি পুৱা এজন যুৱক উটি যোৱাত তেজপুৰৰ পূৰ্বাঞ্চলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে, তেজপুৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত কোৰোকাণী গাঁৱৰ ছহিদুল ইছলাম (৩৬) নামৰ যুৱকজনে আজি পুৱা আন চাৰিজনৰ সৈতে নাঁৱত উঠি জীয়াভৰলীনত খৰি ধৰি থকাৰ সময়তে এক দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ভাগ্যৱশতঃ ■ ৮ পৃষ্ঠাত



## খহনীয়াত জাহ গ'ল টেঙাগুৰিস্থিত শিয়ালমাৰী ৰাজ্যিক চিকিৎসালয়ৰ গৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৭ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ টেঙাগুৰিস্থিত শিয়ালমাৰী ৰাজ্যিক চিকিৎসালয়ৰ নাৰ্ছৰ আৱাস গৃহ কেমেৰাৰ সন্মুখতে জাহ যায়। কেইবাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত কুঁহিমাৰী বিলত খহনীয়াৰ সৃষ্টি হয়। আজি সন্ধিয়া শিয়ালমাৰী চিকিৎসালয়ৰ নাৰ্ছৰ কোৱাৰ্টাৰ জাহ যায়। উল্লেখ্য যে আজি আবেলি খহনীয়াৰ কবলত পৰা শিয়ালমাৰী চিকিৎসালয়খন উপায়ুক্তই পৰিদৰ্শন ■ ৮ পৃষ্ঠাত

## মোৰ সমষ্টিত গৰু গোহালিৰ দৰে বিদ্যালয়ো আছে ঃ বিধায়ক গোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ১৭ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আজি এখনি উদ্বোধনী সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসৰ অধ্যক্ষতাত ■ ৮ পৃষ্ঠাত

আইআইটি, গুৱাহাটীৰ ২৪সংখ্যক সমাৱৰ্তনত ১,৬২০ শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান

## বিশ্বব্যাপী প্ৰতিযোগিতামূলক মানৱ সম্পদ প্ৰস্তুত কৰিছে ঃ ৰাজ্যপাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ জুন ঃ** আইআইটি, গুৱাহাটীৰ ২৪সংখ্যক সমাৱৰ্তনত ১,৬২০ শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। আজি ডিগ্ৰী লাভ কৰাসকলৰ ভিতৰত ১৪৩১গৰাকী ছাত্ৰ আৰু ১৮৯গৰাকী ছাত্ৰী। কেমিকেল ইঞ্জিনিয়াৰিং বিভাগত শংকৰ দয়াল শৰ্মাই স্বৰ্ণ পদক লাভ কৰিছে। স্নাতক শ্ৰেণীৰ ৯গৰাকী শিক্ষাৰ্থী হৈছে প্ৰতিবন্ধী শিক্ষাৰ্থী। স্নাতক শিক্ষাৰ্থীসকলৰ



ভিতৰত আছে ৬৯৭জন বিটেক আৰু বিডিই শিক্ষাৰ্থী, ৪৭৯জন এমটেক আৰু এম ডি, ২৫৩ জন পিএইচডি শিক্ষাৰ্থী আৰু ১৯৬জন স্নাতকোত্তৰ ডিগ্ৰী শিক্ষাৰ্থী। ইয়াৰ লগতে ৩জন শিক্ষাৰ্থীক দ্বৈত ডিগ্ৰী (এমএছ + পিএইচডি) প্ৰদান কৰা হয়। অনুষ্ঠানত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টনৰ মেহতা ফেমিলী ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক ৰাহুল মেহতাৰ সৈতে অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে মুখ্য অতিথি ■ ৮ পৃষ্ঠাত

# বিধ্বস্ত গোগামুখ-ঢকুৱাখনা, পথ-নলা-নৰ্দমা নিৰ্মাণৰ লগতে বিভিন্ন দাবীক লৈ আছুৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ ১৭ জুন ঃ** আজি তিনি দিন ধৰি সম্পূৰ্ণৰূপে জলমগ্ন হৈ আছে গোগামুখ-ঢকুৱাখনা পথৰ গোগামুখ নগৰ অংশ। ফলত যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগৰ সন্মুখীন হৈছে স্থানীয় ৰাইজ। আজি গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিধ্বস্ত গোগামুখ-ঢকুৱাখনা পথৰ উন্নতিৰ লগতে আন বিভিন্ন দাবীৰ সমৰ্থনত গোগামুখ-ঢকুৱাখনা পথৰ ওপৰতে সহস্ৰাধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰৰ কাম নাই, লোক নিৰ্মাণ বিভাগ হুচিয়াৰ, দুৰ্নীতিগ্ৰস্ত শিৱম কনষ্ট্ৰাকশ্বনক ব্লেক লিষ্টেড কৰক, বিধ্বস্ত পথ শীঘ্ৰে পুনৰ নিৰ্মাণ কৰক, গোগামুখ-ঢকুৱাখনা পথত নলা-নৰ্দমা নিৰ্মাণ কৰক আদি শ্ল'গান দি গোগামুখ নগৰ উত্তাল কৰি তোলে।




বিক্ষোভৰ অন্তত গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিগন্ত বৰুৱা, সম্পাদক ৰাউল দেউৰী স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ গোগামুখ ৰাজহ চক্ৰ বিষয়াৰ হাতত প্ৰদান কৰে। স্মাৰক-পত্ৰখনত গোগামুখ-ঢকুৱাখনা পথ শীঘ্ৰে মেৰামতি কৰা, গোগামুখত সুপৰিকল্পিত নলা-নৰ্দমা নিৰ্মাণ কৰা, গোগামুখৰ ভূমি বে-দখলমুক্ত কৰা, বানপীড়িত অঞ্চলত পৰ্যাপ্ত পৰিমাণৰ বান সাহায্য দিয়া, ন-নদীৰ খহনীয়া প্ৰতিৰোধ কৰা আদি দাবীয়ে প্ৰধান আছিল। উল্লেখনীয় যে গোগামুখ নগৰৰ পৰা গোগামুখ-ঢকুৱাখনা পথৰ চাৰি কিলোমিটাৰ দূৰত্বলৈ বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠান আছে। এনে ক্ষেত্ৰত গোগামুখৰ ভিতৰতে এই পথটোৰ গুৰুত্ব সৰ্বাধিক। এনে পৰিপ্ৰেক্ষিতত গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাই পথটো উন্নত মানৰ কৰিবলৈ দীৰ্ঘদিনে দাবী কৰি আহিছে। বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকি গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ঋতুপৰ্ণ কোঁচে পথটোৰ নিৰ্মাণত অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগ আৰু শিৱম কনষ্ট্ৰাকশ্বনে মিলি বিয়াগোম দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ কৰাৰ লগতে এই দুৰ্নীতিৰ টকাৰ ভাগ স্থানীয় মন্ত্ৰী, বিধায়ক আৰু সাংসদেও লাভ কৰা বুলি মন্তব্য দিয়ে।

# তেজপুৰত বান সন্দৰ্ভত সজাগতা অভিযান

## ১৭৯৫টা পৰিয়াল সামৰি অপোনাৰ জীৱন-আমাৰ সম্পদ সজাগতা অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ জুন ঃ** তেজপুৰত ১৪দিনীয়া 'আপোনাৰ জীৱন, আমাৰ সম্পদ' সজাগতা অভিযানৰ বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই 'আপোনাৰ জীৱ ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত তেজপুৰ ৰাজহ চক্ৰৰ ২০খন গাঁৱৰ ১,৭৯৫টা পৰিয়াল সামৰি এই সজাগতা অভিযানৰ আৰম্ভ কৰা হৈছে। বান আৰু ক'ভিডৰ সময়ত ল'বলগীয়া বিশেষ সাৱধানতাসমূহৰ বিষয়ে ঘৰে ঘৰে গৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই অভিযান আৰম্ভ কৰা হৈছে। তেজপুৰ ৰাজহ চক্ৰৰ অধীনত সজাগতা অভিযান চলাবলৈ ১০টা দল গঠন কৰা হৈছে। উক্ত অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱা, তেজপুৰৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া পংকজ বৰা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-সঞ্চালক জে ডেকা, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া পি পি শৰ্মা, অসামৰিক প্ৰতিৰক্ষাৰ স্বেচ্ছাসেৱক, গাঁওঁ প্ৰধান, আশাকৰ্মী, নিৰাপত্তা বিভাগৰ সদস্যসকলো উপস্থিত থাকে। এই প্ৰকল্পৰ অধীনত গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীসমূহৰ ভিতৰত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস কৰিবলৈ জনসাধাৰণৰ মাজত বিশেষকৈ শিশুসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰো ব্যৱস্থা লোৱা হৈছে। বানপানীৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু ক'ভিড প্ৰট'কল সম্পৰ্কে সচেতনতা বৃদ্ধি কৰাৰ লগতে ৰাজহুৱা জাননীৰ জৰিয়তে সজাগতা সৃষ্টি কৰিব। তদুপৰি ঘৰে ঘৰে গৈ ৰাইজক প্ৰত্যক্ষভাৱে যোগাযোগ কৰি তেওঁলোকৰ মাজত যিকোনো দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে অৱগত কৰাৰো পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে বৰপেটা, বিশ্বনাথ, গোলাঘাট, লখিমপুৰ, মাজুলী আৰু শোণিতপুৰ জিলাৰ ১১টা বানপ্ৰৱণ ৰাজহ চক্ৰত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই পাইলট প্ৰজেক্ট আৰম্ভ কৰিছে। 'আপোনাৰ জীৱন, আমাৰ সম্পদ' অভিযানৰ অংশ হিচাপে বানৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ দেখা গ'ল।

## পদ্মা বৰুৱা সোঁৱৰণী ন্যাস বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৭ জুন ঃ** শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ২০১৬ চনত ডাঃ সঞ্জীৱ বৰুৱাৰ পৃষ্ঠপোষকতাত টীয়কত গঠন হোৱা পদ্মা বৰুৱা সোঁৱৰণী ন্যাসৰ বঁটাসমূহ বৃহস্পতিবাৰে প্ৰদান কৰা হয়। চিকিৎসক বৰুৱাৰ মাতৃৰ সোঁৱৰণত প্ৰদান কৰা এই বঁটা এইবাৰ পাঁচগৰাকী শিক্ষাৰ্থীলৈ আগবঢ়োৱা হৈছে। সীমিত সুবিধাৰ মাজত থাকিও হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা এই শিক্ষাৰ্থীসকল ক্ৰমে টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ কৃষ্ণা দৈমাৰী, বৰষা বৰা আৰু টীয়ক আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীৰণ বৰবৰা, ননীগোপাল দলে আৰু প্ৰজ্ঞানজ্যোতি বৰা। এই উদ্দেশ্য আজি দুয়োখন বিদ্যালয়ত ন্যাসৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক মানিক ফুকন, ডাঃ সঞ্জীৱ বৰুৱা, তেখেতৰ দুগৰাকী কন্যা ক্ৰমে আৰ্চিয়া আৰু আৰাধ্যা উপস্থিত হৈ আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰে। ন্যাস সমিতিৰ লগত টীয়কৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৰফিক উজ জামান আৰু টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত সাংবাদিক দুলাল হাজৰিকা উপস্থিত থাকে। বঁটা প্ৰদান অনুষ্ঠানত টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু শইকীয়াই ডাঃ সঞ্জীৱ বৰুৱাৰ শিক্ষা জীৱনৰ কঠিয়াতলী টীয়ক অঞ্চলৰ প্ৰতি থকা আকুলতাৰ শলাগ লয়।

### পছৰীয়াৰ মলঙত অনা-অসমীয়া বণিকৰ দপদ্‌পনি

# ৰজাঘৰীয়া দালালৰ সহযোগত পানী নিষ্কাশনৰ জান দখলত উঠিপৰি লাগিছে বণিকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৭ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজপাট দখল কৰাৰ পিছতেই একে নিশাই অসমৰ বিভিন্ন প্ৰান্তৰ ২৭০গৰাকী মাটিৰ দালালক গ্ৰেপ্তাৰ কৰি মোৰ মাটি মোৰ অধিকাৰক সাব্যস্ত কৰি নজিৰ সৃষ্টি কৰিলেও প্ৰকৃতাৰ্থত এই কাৰ্য ব্যৰ্থ হৈছে। শেহতীয়াকৈ তেওঁৰে সাংগো-পাংগ একাংশ ৰজাঘৰীয়া দালাল আৰু বিভাগীয় বিষয়া-কৰ্মচৰীয়ে মিলি পছৰীয়াৰ মলঙৰ ১২ গাঁৱৰ পানী নিষ্কাশন কৰা এটি জানৰ মাটি অনা-অসমীয়া বণিকক বিক্ৰী কৰিব ওলোৱা ঘটনা এটি পোহৰলৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে, হৰিওম গোৱেল নামৰ অনা অসমীয়া বণিক এজনে উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ শিলাসুন্দৰী ঘোপা মৌজাৰ মলঙ ৰাজহ গাঁৱৰ পট্টা নং ১০৩ আৰু ১৩০, ১৩১, ১৫৪ আৰু ১৬০ দাগৰ প্ৰায় ১২ বিঘা মাটিত উদ্যোগ স্থাপনৰ বাবে মাটি বিচাৰি আৱেদন জনাইছে। উল্লেখ্য যে ফাইল নং কে এম আৰ ২০৫/২০১৯/৪৩২নং যোগে আবণ্টন বিচাৰি আৱেদন কৰা উক্ত দাগৰ ১২ বিঘা মাটিত হাজো ৰাজহ চক্ৰ আৰু উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ তিনিখন পঞ্চায়তৰ ক্ৰমে দদৰা পঞ্চায়ত পছৰীয়া পঞ্চায়ত আৰু শৰাইঘাট পঞ্চায়তৰ ১২খন গাঁৱৰ অতিৰিক্ত পানী নিষ্কাশনৰ এটি বৃহৎ জান আছে। জানটো উত্তৰে ক'লাজল নদীৰ লগত সংযোগ হৈ আছে। বাৰিষা উক্ত জানৰে এই গাঁৱৰ অতিৰিক্ত পানী ওলাই গৈ ক'লাজল নদীত পৰে। তদুপৰি উক্ত জানটো লগত হীৰাকটা জানৰে দীঘলী বিল সংযুক্ত হৈ আছে। আবণ্টন বিচৰা জানটোত উদ্যোগ স্থাপন হ'লে বৃহত্তৰ এলেকাৰ দদৰা পছৰীয়া কেতীকীজাৰ মলং বৰগাঁও আজ্ঞাঠুৰী আদি বছৰৰ বাৰ মাহে পানীত ডুবি থাকিব। তদুপৰি বাৰিষা এই বিলত বিভিন্ন প্ৰজাতিৰ থলুৱা মাছে পোনা উৎপাদন কৰি মাছৰ বংশ বৃদ্ধি কৰে। এচাম মৎস্যজীৱীয়ে এই জানটোৰ মাছৰ ওপৰত জীৱন নিৰ্বাহ কৰি আছে। এই সকলো বিষয়ক আওকাণ কৰি এচাম দালাল বিষয়া-কৰ্মচাৰীয়ে নিজৰ জেপ গধুৰ কৰাৰ খাতিৰতৰ অনা অসমীয়া বণিকক মাটি আবণ্টন দিয়াত উঠিপৰি লাগিছে। বণিকজনক মাটি আবণ্টন নিদিবলৈ তিনিখন পঞ্চায়তৰ ৰাইজে বিভাগীয়ভাৱে অনুৰোধ জনাইছে। ইয়াৰ অন্যথা হ'লে ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব বুলি গঞাসকলে সকীয়াই দিয়ে।

# তেজপুৰতো জ্যোতিৰ ১১৮সংখ্যক ওপজা দিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ জুন ঃ** আজি ১৭ জুন । ১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিব্ৰুগড়ৰ মদাৰখাত মৌজাৰ তামোৰবাৰী চাহ বাগিচাত পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ ঔৰসত জন্মগ্ৰহণ কৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল। আজি জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৯সংখ্যক ওপজা দিন। অসমৰ সাংস্কৃতিক জগতৰ ভোটাতৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৯সংখ্যক জন্ম দিৱস দিনটোত আজিও ৰূপকোঁৱৰগৰাকীৰ স্মৃতিবিজড়িত জ্যোতি ভাৰতীত স্মৰণ কৰিলে জ্যোতিপ্ৰসাদ আগৰৱালাক। জ্যোতি ভাৰতীৰ শিল্পীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাক স্মৰণ কৰি জ্যোতি সংগীতেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে। একেদৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৯সংখ্যক জন্ম বাৰ্ষিকীৰ আজিৰ দিনটোত জ্যোতিপ্ৰসাদৰ সমাধিস্থলত সংকল্প অসম আৰু শোণিতপুৰ জিলা কবি সন্মিলনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৮সংখ্যক ওপজা দিনটোত ৰূপকোঁৱৰগৰাকীৰ পৈতৃক গৃহ তেজপুৰৰ ঐতিহাসিক 'পকী'ত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ 'জ্যোতি ভাৰতী' কৰ্তৃপক্ষই আয়োজন কৰা গীত-মাতৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া তথা জিলা সাংস্কৃতিক উন্নয়ন বিষয়া জিতেন কুমাৰ দাস আৰু বিশিষ্ট সংগীত শিল্পী তথা জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ লিখন শৰ্মাৰ সৈতে একেলগে বন্তি প্ৰজ্বলন আৰু ধূপ-পুষ্পাঞ্জলি অৰ্পণেৰে শুভাৰম্ভ কৰে। অনুষ্ঠানত জ্যোতি ভাৰতীৰ শিল্পীসকলে জ্যোতি সংগীত পৰিৱেশন কৰাৰ লগতে শোণিতপুৰ জিলা কবি সন্মিলনৰ বিষয়ববীয়াসকলৰ লগতে বহুজনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## শিমলুগুৰিৰ দিজৌখনা জানত কেমিকেল, মাছৰ মৃত্যু

### তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ জুন ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি নগৰৰ মাজেৰে যোৱা ঐতিহাসিক দিজৌখনা জানত এটা উদ্যোগৰ পৰা গেদেৰী তেল জাতীয় কেমিকেল পেলাই দিয়াৰ ফলত বিভিন্ন প্ৰজাতি মাছৰ মৃত্যু হোৱা ঘটনাই শিমলুগুৰিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিমলুগুৰিৰ ৰেল'ৱে ক্ৰ'চিঙৰ সমীপৰ মছকৰা নামৰ ব্যৱসায়ীজনৰ মাটিত ভাৰাতীয়া হিচাপে থকা অ' এন জি চিৰ এটা কেমিকেল গুদামৰ পৰা প্ৰায়ে জানটোত কেমিকেল পেলাই থকাৰ অভিযোগ উঠি আহিছে। এনে কেমিকেলৰ প্ৰকোপত জানটোত থকা বিভিন্ন প্ৰজাতিৰ থলুৱা মাছৰ মৃত্যু হোৱাৰ লগতে এনে মৰা মাছ খাই হাঁহ, কুকুৰাৰ মৃত্যু হোৱাৰ লগতে জানটোৰ পানী স্থানীয় ৰাইজে ব্যৱহাৰ কৰাত বিভিন্ন ৰোগত ভোগ কৰা পৰিলক্ষিত হৈছে। এই সংক্ৰান্তত স্থানীয় ৰাইজে আৰক্ষীক অৱগত কৰাৰ লগতে মহকুমা প্ৰশাসনে বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে।

# বালিমুখ নতুন বজাৰত গাঁওৰক্ষী বাহিনী কমিটী গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ১৭ জুন ঃ** মৰিগাঁও জিলাৰ জাগীৰোড থানাৰ অন্তৰ্গত বালিমুখ নতুন বজাৰত কালি এখন ৰাজহুৱা সভাত বিভাগীয় বিষয়াসকলৰ লগতে স্থানীয় প্ৰায় ডেৰ শতাধিক লোকৰ উপস্থিতিত মজিবুৰ ৰহমানক সভাপতি আৰু আশ্ৰফ দেৱানক সম্পাদক হিচাপে লৈ মুঠ ২৮জনীয়া সদস্যৰে এখন গাঁওৰক্ষী বাহিনী কমিটী গঠন কৰা হয়। বালিমুখ নতুন বজাৰখনৰ সুৰক্ষাৰ পৰা আৰম্ভ কৰি সমাজৰ পৰা বিভিন্ন ধৰণৰ কু-সংস্কাৰ, বাল্য বিবাহ, মদ, ভাং, জুৱা, ড্ৰাগ্‌ছ আদিৰ বিৰুদ্ধে যুঁজ দি সমাজখনক সুৰক্ষা দিয়াৰ উদ্দেশ্যৰে উক্ত গাঁওৰক্ষী বাহিনী কমিটীখন গঠন কৰা হয়। বিষয়ববীয়াসকলে গাঁওৰক্ষী বাহিনীৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বৃহৎভাৱে আলোচনা কৰে। সভাখন সঞ্চালনা কৰে মূলহক আলীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আদৰ্শ মাৰ্কাজ একাডেমী বালিমুখৰ অধ্যক্ষ তথা যুৱ সমাজ সেৱক মোজাম্মেল হুছেইনে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে C O . V D O দিগন্ত কলিতা, District Deputy Advisor বিষ্ণুজ্যোতি ভাগৱতী, জাগীৰোড থানা কমিটীৰ সভাপতি অশোক ডেকা আৰু মৰিগাঁও সদৰ থানা কমিটীৰ সভাপতি বিদ্যা বৰা।

# 'সম্প্ৰতি চাইবাৰ অপৰাধ ক্ৰমে বৃদ্ধি পাইছে'

*প্ৰথম পৃষ্ঠাৰ পৰা...* অনুষ্ঠিত 'চাইবাৰ সুৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা' শীৰ্ষক এক সজাগতা সভাত ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষক শ্বেতাঙ্ক মিশ্ৰই আজি এইদৰে কয়। তেওঁ কয় চাইবাৰ অপৰাধ নিৰ্মূল কৰাৰ লক্ষ্যৰে এনেধৰণৰ সজাগতামূলক কাৰ্যসূচী আয়োজন কৰা হৈছে, যি কাৰ্যসূচীয়ে নৱ প্ৰজন্মক চাইবাৰ অপৰাধৰ বিষয়ে সঠিক জ্ঞান প্ৰদান কৰিব পাৰিব। আৰক্ষী অধীক্ষকগৰাকীয়ে কয় চাইবাৰ অপৰাধ বৰ্তমান সমাজ ব্যৱস্থাত এনেদৰে শিপাবলৈ ধৰিছে, যিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে এক ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। ডিব্ৰুগড় জিলাৰ উপ-আৰক্ষী অধীক্ষক বিতুল চেতিয়াই আঁত ধৰা সভাখনিত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি ডিব্ৰুগড় আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰা এনে এটা পদক্ষেপক আদৰণি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক কিদৰে নিজকে চাইবাৰ অপৰাধৰ পৰা বচাই ৰাখিব পাৰি তাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, এই এ এছ আৰু সমল ব্যক্তিৰূপে অংশ গ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিশেষজ্ঞ ড° গুণদ্বীপ চেতিয়াই। ডঃ চেতিয়াই ভাষণ প্ৰসংগত সচৰাচৰ সকলোৱে সন্মুখীন হৈ অহা ছাইবাৰ নিৰাপত্তাক বিঘ্নিত কৰিব পৰা সাধাৰণ সমস্যাৰ বিষয়ে বিস্তাৰিত ৰূপত অৱগত কৰে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয় যে সাম্প্ৰতিক সময়ত সকলোৱে ব্যৱহাৰ কৰা ম'বাইল ফোন আৰু লেপ্‌টপ্‌সমূহ আপডেটেড এণ্টিভাইৰাছৰ দ্বাৰা সুৰক্ষিত কৰা আৰু সেইবোৰত পাছৱৰ্ড সংযুক্ত কৰাটো নিতান্তই প্ৰয়োজনীয়। বেংকৰ লেন-দেন কৰাৰ ক্ষেত্ৰত যিমান দূৰ পাৰি নিজৰ ম'বাইল অথবা লেপ্‌টপৰ জৰিয়তে কৰাটো সুৰক্ষিত, কিন্তু ইয়াৰ বিপৰীতে ৰাজহুৱা কেন্দ্ৰৰ পৰা এনে লেন-দেনৰ পৰা বিৰত থাকিলে নিজৰ সাচতীয়া ধন অথবা তথ্য-পাতিসমূহ আনে সহজে নোপোৱাকৈ ৰাখিব পৰা যায়, যিটো মঙ্গলজনক। অনুষ্ঠানটিত ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে এনে অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে ডিব্ৰুগড় জিলা আৰক্ষী প্ৰশাসন আৰু কানৈ মহাবিদ্যালয় পৰিয়ালবৰ্গক ধন্যবাদ জ্ঞাপন কৰে। উপায়ুক্তগৰাকীয়ে বৰ্তমান সময়ত সংঘটিত হৈ থকা চাইবাৰ অপৰাধসমূহক কেনেদৰে নিৰ্মূল কৰিব পাৰি তাৰ বিষয়ে চমুকৈ উল্লেখ কৰাৰ লগতে অসম আৰক্ষী প্ৰশাসনে চাইবাৰ অপৰাধ সম্পৰ্কে প্ৰস্তুত কৰা সজাগতামূলক গীত এটিৰ শুভ উদ্বোধন কৰে। উপায়ুক্তগৰাকীয়ে নৱনিযুক্ত কেইবাগৰাকীও আৰক্ষী উপ-পৰিদৰ্শকক একোখনকৈ মান পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি কানৈ মহাবিদ্যালয়ৰ যোগাসন আৰু ক্ৰীড়া বিভাগৰ কৰ্মীসকলে বিভিন্ন কলা-কৌশল প্ৰদৰ্শন কৰি উপস্থিত অতিথিসকলক আপ্লুত কৰে। উল্লেখ্য যে 'ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়' (এন এছ ডি)-ৰ পৰা অহা এটি নাট্য দলে চাইবাৰ অপৰাধ আৰু সজাগতা সম্পৰ্কে এখন মনোজ্ঞ নাট প্ৰদৰ্শন কৰি সচৰাচৰ আমাৰ সমাজত ঘটি থকা চাইবাৰ অপৰাধসমূহ কিদৰে নিৰ্মূল কৰিব পাৰি অথবা আঁতৰাই ৰাখিব পাৰি তাৰ বিষয়ে সজাগতা সৃষ্টি কৰে। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ডঃ অনন্ত কুমাৰ দত্ত, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ মৃদুল শৰ্মাকে ধৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে চুবুৰীয়া কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী ছোৱালী মহাবিদ্যালয়, নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়, লিটল ফ্লাৱাৰ স্কুল, ছেইণ্ট মে'ৰীজ স্কুল, সম্পূৰ্ণ কেন্দ্ৰ বিদ্যালয় আদি বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ভালেসংখ্যক গন্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাঙ্ক মিশ্ৰই।

# বাক্সাত বানপৰিস্থিতিৰ বুজ ল'লে মন্ত্ৰী পীযূষ

*প্ৰথম পৃষ্ঠাৰ পৰা...* জিলাৰ বৰশিমলুগুৰিত উপস্থিত হয় ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকা। জিলাখনৰ বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰশিমলুগুৰিৰ অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ত বানপীড়িতৰ বাবে স্থাপন কৰা অস্থায়ী আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে শিবিৰত আশ্ৰয় লৈ থকা ৪৫টা বানাক্ৰান্ত পৰিয়ালক সাক্ষাৎ কৰে। মন্ত্ৰী হাজৰিকাই আশ্ৰয় শিবিৰৰ ওমলাঘৰৰ শিশুসকলৰ কবিতা আবৃত্তি উপভোগ কৰি বানত বিধ্বস্ত হোৱা পৰিয়ালসমূহৰ ঘৰ মেৰামতিৰ বাবে উপায়ুক্তক চৰকাৰীভাৱে আৰ্থিক সাহায্য দিয়াৰ নিৰ্দেশ দিয়ে। পাগলাদিয়া নদীয়ে ক্ষতিগ্ৰস্ত কৰা অঞ্চলটোৰ ৰাইজে যাতে খাদ্য, চিকিৎসা আৰু খোৱাপানী আদিৰ কোনো অসুবিধাত নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে মন্ত্ৰীগৰাকীয়ে। ৰাজ্যত বানপৰিস্থিতি শাম কটাৰ পিছত আৰু বাৰিষা শেষ হোৱাৰ পিছতহে মথাউৰিসমূহ মেৰামতিৰ কাম আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰে মন্ত্ৰী হাজৰিকাই। ইফালে বৰযুণ কমিবৰ বাবে কংগ্ৰেছ দলে আয়োজন কৰা যজ্ঞত যাতে নীতি-নিয়ম উলংঘা নহয় তাৰ প্ৰতি নজৰ ৰাখিবলৈ আহ্বান জনায়। মন্ত্ৰী হাজৰিকাই লগতে কংগ্ৰেছৰ প্ৰতি ভগৱান ৰুষ্ট হোৱাৰ কথা উল্লেখ কৰি বিগত নিৰ্বাচনসমূহত কংগ্ৰেছে আলুগুটিহে লাভ কৰা বুলিও কটাক্ষ কৰে। মন্ত্ৰীগৰাকীৰ আজিৰ এই পৰিদৰ্শন কালত বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, উপায়ুক্ত আয়ুস গাৰ্গ, বৰমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ লগতে জলসম্পদ বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। আনহাতে, জিলাখনৰ চাপাগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰায় দুই সহস্ৰাধিক লোক শেহতীয়া ভয়াৱহ বানৰ কবলত পৰিছে। এই লোকসকলক বানৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ বাবে সমষ্টিটোৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি নিজে পৰিস্থিতি তদাৰক কৰাৰ লগতে জিলা প্ৰশাসনক সকলো সময়তে দুৰ্দশাগ্ৰস্ত লোকসকলক সহায় কৰিবলৈ নিৰ্দেশ দিয়ে। আজি জিলাখনৰ পুৰণি মুছলপুৰত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি মন্ত্ৰী ব্ৰহ্মই সাংবাদিকৰ আগত কয় যে বানত আক্ৰান্ত লোকক সহায় আৰু সাহায্য প্ৰদান কৰিবলৈ ইতিমধ্যে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিব লাগিব বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে বানপানীৰ সৈতে সকলো সময়তে মুখামুখি হ'বলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়াৰ কথা উল্লেখ কৰে। আজিৰ এই পৰিদৰ্শন কালত অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মা, বাক্সা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াদ্বয় ক্ৰমে ভাস্কৰজ্যোতি বৰা আৰু মনোজ দলেৰ উপৰি ভালেসংখ্যক ইউপিপিএল দলৰ নেতা-কৰ্মীয়ে মন্ত্ৰীগৰাকীক সংগ দিয়ে।

# ২০ জুনত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ

*প্ৰথম পৃষ্ঠাৰ পৰা...* কৰিব। মুঠ ২৬টা সমষ্টিতেই বিজেপি দলে এককভাৱে জয়ী হোৱাত পৰিষদখনত নাথাকিব এজনো বিৰোধী সদস্য। ২০ জুনত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানটি অনুষ্ঠিত হ'ব ডিফুৰ তাৰালাংছ' প্ৰাংগণত। উক্ত অনুষ্ঠানত উপস্থিত থাকি অসমৰ ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীয়ে নতুনকৈ নিৰ্বাচিত মুখ্য কাৰ্যবাহী সদস্য সহিতে কাৰ্যবাহী সদস্য আৰু সদস্যসকলক শপতবাক্য পাঠ কৰাব। ড° তুলিৰাম ৰংহাঙৰ নেতৃত্বত গঠন হ'বলগীয়া নতুন পৰিষদখনত কোনে কোনে কাৰ্যবাহী সদস্যৰ বিভাগীয় দায়িত্ব লাভ কৰিব সেয়া লৈ এক কল্পনা-জল্পনা চলিছে। কিয়নো নৱ-নিৰ্বাচিত সদস্যসকলৰ মাজত আছে বহু ন-পুৰণি সদস্য। নিৰ্ধাৰিত কাৰ্যসূচী অনুযায়ী দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানটিত উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিশিষ্ট অতিথিসকল। এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ নতুন পৰিষদখনক লৈ। সকলোৰে আশা নতুনকৈ গঠন হ'বলগীয়া পৰিষদখনে কাৰ্বি আংলঙৰ সাধাৰণ ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিব। এইক্ষেত্ৰত পৰিষদখন কিমান দূৰ সফম হয় সেয়া সময়ত পৰিলক্ষিত হ'ব।

# ৭০ত ডিগ্ৰী

*প্ৰথম পৃষ্ঠাৰ পৰা...* শিক্ষা আহৰণৰ ক্ষেত্ৰত বয়স বা অভাৱ কেতিয়াও যে বাধা হ'ব নোৱাৰে তাকেই এবাৰ প্ৰমাণ কৰি দেখুৱালে নগাঁৱৰ সত্তৰ ঊৰ্দ্ধৰ এগৰাকী ব্যক্তিয়ে। নগাঁও চহৰৰ ১৯নং মহলাৰ অসম আৰক্ষীৰ ৰেডিঅ' অপাৰেটৰ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক গুণকান্ত শইকীয়াই চাকৰিৰ পৰা অৱসৰ হৈছিল দহ বছৰৰ পূৰ্বেই। তেওঁৰ এক হাবিয়াস আছিল অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ। চাকৰি জীৱনৰ ব্যস্ততাৰ বাবে গুণকান্ত শইকীয়াই তেওঁৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিলে যদিও চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত নিজৰ পৰিয়ালটোৰ যাৱতীয় কামকাজখিনি সম্পূৰ্ণ কৰি তেওঁ 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ৰ অধীনত অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অধ্যয়নত মনোনিৱেশ কৰিবলৈ ধৰিলে। তাৰেই ফলস্বৰূপে চলিত বছৰত সত্তৰ বছৰ বয়সত ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। উল্লেখ্য যে তেওঁৰ দুই পুত্ৰ আৰু দুয়োগৰাকী বোৱাৰীও চিকিৎসক । গুণকান্ত শইকীয়াৰ এই সাফল্যত গৌৰৱ অনুভৱ কৰিছে খুঁটিকটীয়াবাসীয়ে।

### মৰাণত ১৯০সংখ্যক জোনাকী মেল সম্পন্ন

# দুখন গ্ৰন্থ উন্মোচনৰ লগতে ৪গৰাকী কৃতী ছাত্ৰীক সম্বৰ্ধনা




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৭ জুন ঃ** প্ৰতিটো মাহতে নিৰবচ্ছিন্নভাৱে অনুষ্ঠিত হৈ অহা বৃহত্তৰ মৰাণ অঞ্চলৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৯০সংখ্যক বৈঠকখন ১৪ জুনৰ সন্ধিয়া মৰাণ নগৰৰ ঊষাপুৰত বৰ্ণাঢ্য কাসূচীৰে অনুষ্ঠিত হৈ যায়। বিশিষ্ট সাহিত্যিক, অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ ডাঃ লোহিত কুমাৰ বৰাই বৰমেলুৰৈ কৰা বৈঠকখনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আঁত ধৰে জোনাকী মেলৰ মুখ্য উদ্যোক্তা তথা সাংবাদিক বাছা বৰাই। লাভলী গগৈয়ে পৰিৱেশন কৰা এটি বৰগীতেৰে বৈঠকখন উদ্বোধন কৰা হয়। এইবাৰ বৈঠকত গ্ৰন্থ সুবাস শিতানত বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰাই ৰচনা কৰা 'নিচান চাহিব' নামৰ উপন্যাসৰ ওপৰত আলোচনা আগবঢ়ায় বিশিষ্ট কবি, আবৃত্তিকাৰ, শিক্ষক দ্বিজেন্দ্ৰ নাথ দত্তই। উপন্যাসখনত অসমত বাস কৰা শিখ সম্প্ৰদায়ৰ লোকসকলে অসমীয়াৰ ধৰ্ম, ৰীতি-নীতি, কৃষ্টি-সংস্কৃতিৰ লগত কিদৰে আদান- প্ৰদানেৰে বাস কৰি নিজকে অসমীয়া বুলি একাত্ম হৈ পৰিছে তাৰ এটি সুন্দৰ বিৱৰণ দাঙি ধৰিছে বুলি আলোচকগৰাকীয়ে কয়। বিশিষ্ট সমাজকৰ্মী বিৰাজ গগৈ আৰু লেখিকা ভানু লাহন গগৈৰ পৰিয়ালৰ আতিথ্যত তেওঁলোকৰ বাসগৃহৰ চৌহদত অনুষ্ঠিত বৈঠকখনত প্ৰয়াত পথাৰ কবি ৰাম গগৈৰ এটি হাতেলিখা কবিতা ডাঃ লোহিত কুমাৰ বৰাই পাঠ কৰি বৈঠকৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত বৈঠকতে লেখিকা ভানু লাহন গগৈৰ নৱ প্ৰকাশিত কাব্য সংকলন 'চিঞৰ' উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী জুলিয়ানা বেগমে। সেইদৰে লেখিকা পদ্মিনী লাহনৰ আন এখন শিশু পুথি 'অকণিৰ ৰামধেনু' নামৰ গ্ৰন্থখন উন্মোচন কৰে মৰাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক নবীন গগৈয়ে। বৈঠকত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মৰাণ অঞ্চলৰ চাৰিগৰাকী ছাত্ৰীক জোনাকী মেলৰ হৈ সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰীকেইগৰাকী হ'ল অন্তৰা লবিবা, ষষ্ঠী তনয়া কলিতা, আন্যা জাহিন আৱৰাৰ আৰু পাঞ্চুৰিতা কোঁৱৰ। এইবাৰ বৈঠকত কবিতা পাঠ কৰে অঞ্জু বৰুৱা, সত্যনাথ শৰ্মা, পৰিস্মৃতা দত্ত শৰ্মা, যোগেন সিং, বিজয়া শইকীয়া আৰু নিমিষা গগৈয়ে। গীত পৰিৱেশনেৰে বৈঠকখন সজীৱ কৰি তোলে চুইতী গগৈ, ষষ্ঠী তনয়া কলিতা, অন্তৰা লবিবা, দৰিণা ফুকন, আন্যা জাহিন আৱৰাৰ আৰু লাভলী গগৈয়ে। শতাধিক লোক সমবেত হোৱা বৈঠকখনৰ শলাগৰ শৰাই আগবঢ়ায় উদ্যোক্তা বাছা বৰাই। শেষত জাতীয় সংগীতেৰে সামৰণি মৰা হয়।

## ৰাশিফলত আজিৰ দিনটো

**৩ আহাৰ, শনিবাৰ, ১৮ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা চতুৰ্থী, নক্ষত্ৰ ঃ শ্ৰৱণা, জন্ম ৰাশি ঃ মকৰ**
**সূৰ্যোদয়- ৪-৩৪-৩৮ সূৰ্যাস্ত- ৬-১২-৫২**



■ **মেষ** ঃ প্ৰেমত আনন্দ ■ **বৃষ** ঃ সাহিত্য সেৱা ■ **মিথুন** ঃ আনৰ সহায় ■ **কৰ্কট** ঃ উত্তম খাদ্য গ্ৰহণ ■ **সিংহ** ঃ আত্মীয়ৰ আগমন ■ **কন্যা** ঃ প্ৰতিভা বৃদ্ধি ■ **তুলা** ঃ সমস্যা সমাধান ■ **বৃশ্চিক** ঃ উকিলৰ সুনাম ■ **ধনু** ঃ আদৰ্শ মনোভাৱ ■ **মকৰ** ঃ খেতিয়কৰ কষ্ট ■ **কুম্ভ** ঃ উন্নত চিন্তা ■ **মীন** ঃ প্ৰেমত আনন্দ।

# শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দিহিঙীয়াৰ দেহাৱসান

## শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ১৭ জুন ঃ** শিৱসাগৰ জিলাৰ বকতা দিহিঙীয়া গাঁৱৰ সমাজকৰ্মী, শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি তথা ১২৯ নং চৰুভঙা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন দিহিঙীয়াৰ (৫৫) কালি আবেলি ২.২০ বজাত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত আক্ৰান্ত হোৱা দিহিঙীয়াৰ মৃত্যুত অঞ্চলটোৰ লগতে জিলাখনত গভীৰ শোকৰ ছাঁ পৰিছে। কালীথান প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা বৃত্তিৰে কৰ্মজীৱন আৰম্ভ কৰা দিহিঙীয়াই কৰ্মজীৱনৰ সমান্তৰালকৈ বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত হৈ সমাজৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়াই গৈছিল। চুহুংমুং দিহিঙীয়া বৰনামঘৰ, বাখৰ উন্নয়ন সমিতি, চুহুংমুং যুৱ সংঘকে ধৰি তেওঁ মৃত্যু পৰ্যন্ত শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি হিচাপে থাকি শিক্ষক সমাজৰ প্ৰতিটো সমস্যাৰ হকে মাত মাতিছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, অবিভক্ত থাওৰা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টী, বাখৰ বেঙেনা উন্নয়ন সমিতিকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইফালে তেওঁৰ বাসগৃহত আজি শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ভাৰপ্ৰাপ্ত সম্পাদক ব্ৰজেন দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত



শতাধিক স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ লগতে নাজিৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱজ্যোতি গগৈ, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সম্পাদক শৈলেন কলিতা, সৰ্বভাৰতীয় সদস্য দীপাংকৰ কোঁৱৰ, জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউৎ, উপ-সভাপতি প্ৰতিভা গগৈ, শিৱসাগৰ শিক্ষা খণ্ডৰ সহঃ পৰিদৰ্শক প্ৰতিভা কুৰ্মীকে আদি কৰি বহুকেইজন ব্যক্তিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দিহিঙীয়াই মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰ লগতে বহু আত্মীয়-কুটুম্বক ইহসংসাৰত এৰি থৈ যায়। আজি বহু গুণমুগ্ধৰ উপস্থিতিত বকতা দিহিঙীয়া গাঁৱতেই তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা



## গোৱালপাৰা চহৰৰ হুলুকাণ্ড পাহাৰত নিশা ভয়ানক ভূমিস্খলন, দহটাতকৈ অধিক গৃহ বিধ্বস্ত

# অবৈধ বেদখলকাৰীক পাহাৰ এৰাৰ মৌখিক নিৰ্দেশ চক্ৰবিষয়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ১৭ জুন ঃ** কালি আজাদ নগৰত ভূমিস্খলন হৈ এহাল ভাতৃ-ভগ্নীয়ে শোকাৱহ মৃত্যুক আঁকোৱালি লোৱাৰ চৌবিশ ঘণ্টা পাৰ নৌহওঁতেই পুনৰ মুষলধাৰ বৰষুণত নিশা গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰত ভয়ানক ভূমিস্খলন হৈছে।ফলত হুলুকান্দা পাহাৰত বিৰাজ কৰিছে তীব্ৰ আতংকৰ পৰিৱেশ।নিশা সংঘটিত ভূমিস্খলনৰ ঘটনাত কোনো লোক হতাহত হোৱা খবৰ পোৱা হোৱা নাই। অৱশ্যে ভূমিস্খলনৰ ফলত দহটাতকৈ অধিক পৰিয়ালৰ জুপুৰি আৰু অসম আৰ্হিৰ(কংক্ৰিট) গৃহ বিধ্বস্ত হৈছে।জানিব পৰা মতে,আজি প্ৰায় দহ দিনমান ধৰি সমগ্ৰ ৰাজ্যৰ লগতে গোৱালপাৰা জিলাতো নেৰানেপেৰা মুষলধাৰ বৃষ্টিপাত হৈ আছে। পৰিণতিত গোৱালপাৰা চহৰৰ কেইবাটাও ৱাৰ্ডত কৃত্ৰিম বানৰ সৃষ্টি হৈ জনজীৱন ব্যাহত হোৱাৰ লগতে ঠায়ে ঠায়ে ভূমিস্খলন হৈ আছে।কালি পুৱা ছমান বজাত ১৯ নং ৱাৰ্ডৰ আজাদ নগৰত ভূমিস্খলন হয়। ফলত পথ সুৰক্ষাৰ আসোঁৱাহ থকা বেৰ এখন আছুৰুদ্দিন শিকাদাৰৰ টিনপাতৰ জুপুৰিত পৰি শিকদাৰৰ দুই সন্তানে বিছনাত শুই থকা অৱস্থাতে শোকাৱহ মৃত্যুক আঁকোৱালি লয়।সামন্তৰালকৈ পুৱাৰে পৰা হুলুকান্দা পাহাৰৰ জনবসতি এলেকাৰ কেইবাটাও ঠাইত ফাঁট মেলিবলৈ আৰম্ভ কৰে।আজাদ নগৰৰ মৰ্মান্তিক ঘটনাৰ পিচতে হুলুকান্দা পাহাৰৰ ফাঁট মেলা বিপজ্জনক স্থানৰ আবাসী পৰিয়ালসকলে সচেতন হৈ নিৰাপদ স্থানত অৱস্থান কৰে।যাৰ ফলত নিশাৰ প্ৰচুৰ বৰষুণত হুলুকান্দা পাহাৰত সংঘটিত ভয়ানক ভূমিস্খলনত সম্ভাব্য বিপদৰ পৰা অমিতাভ দাস,মুকুত দাস,মৃদুল দাস,হিটলাৰ দাস, মিঠু ৰাভা আদি দহটাতকৈ অধিক পৰিয়াল কথমপি ৰক্ষা পৰে।নিশাৰ এই ভয়ানক ভূমিস্খলনৰ খবৰ পাই জিলা প্ৰশাসনৰ নিৰ্দেশত বালিজান ৰাজহ চক্ৰ বিষয়া,লাট মণ্ডলে ঘটনাস্থলীত উপস্থিত হৈ হুলুকান্দা পাহাৰ ত্যাগ কৰিবলৈ মৌখিক নিৰ্দেশ কৰে পৰিয়ালসকলক।চক্ৰ বিষয়া অমৰ জ্যোতি নাথ আৰু লাট মণ্ডল হীৰাই সাংবাদিকক জানিব দিয়া মতে, একালৰ হলৌ আৰু কপিকুলৰ বাসস্থান হুলুকান্দা পাহাৰখনত বসবাস কৰা দুই এঘৰ পৰিয়ালৰ বাহিৰে অধিকাংশ পৰিয়ালৰ ভূমি হুলুকাণ্ড পাহাৰৰ চৰকাৰী খাচ ভূমি।সেই হিচাপত পাহাৰৰ বিপজ্জনক স্থানত ঘৰ-দুৱাৰ সাজি দীৰ্ঘদিন ধৰি বসবাস কৰা অধিকাংশ পৰিয়ালে অবৈধ বেদখলকাৰী।অতিশিঘ্ৰেই হুলুকান্দা পাহাৰত জীৱন বিপদাপন্ন কৰি বসবাস কৰি অহা পৰিয়ালসকলক অইন ঠাইত ভূমি আবণ্টন কৰি স্থানান্তৰ কৰি পাহাখন বেদখল মুক্ত কৰাৰ লগতে চহৰীয়া নাগৰিকসকলৰ জীৱন সুনিশ্চিত কৰিবলৈ সচেতন মহলে দাবী উত্থাপন কৰিছে।

## বিজেপি চৰকাৰৰ দমনমূলক কাৰ্যৰ বিৰুদ্ধে শিৱসাগৰত কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

# চৰকাৰে নিজৰ ব্যৰ্থতা ঢাকিবলৈ বিৰোধী নেতাক হাৰাশাস্তি কৰাৰ অভিযোগ

### নেশ্বনেল হেৰল্ডৰ নামত ই.ডিয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক হাৰাশাস্তি কৰাৰ অভিযোগেৰে ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৭ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক এনফৰ্চমেণ্ট ডাইৰেক্টৰে তিনিদিন ধৰি বহু বছৰৰ পুৰণি নেশ্বনেল হেৰল্ড কাকতৰ ধন হৰলুকিৰ কেচত জেৰা কৰাকলৈ সৰৱ হৈ পৰিছে কংগ্ৰেছ। ইতিমধ্যে এনফৰ্চমেণ্ট ডাইৰেক্টৰৰ দ্বাৰা কংগ্ৰেছ নেতা ৰাহুল গান্ধীক অযথা জেৰা কৰাৰ অভিযোগত দেশজুৰি কংগ্ৰেছ কৰ্মী সকলে শাসনাধিষ্ঠ কেন্দ্ৰৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে অব্যাহত ৰখা প্ৰতিবাদৰ এক অংশ হিচাপে আজি শিৱসাগৰতো জিলা কংগ্ৰেছৰ আহ্বানত এক দুঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীক নেতৃত্ব দিয়া জিলা কংগ্ৰেছৰ সভাপতি মঞ্জীৰ গগৈয়ে প্ৰকাশ কৰে যে সাম্প্ৰতিক সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ ভুল নীতিৰ বাবে দেশত আৰ্থিক সংকটে দেখা দিছে। ইন্ধনজাত সামগ্ৰীৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বভাৱিক মূল্যবৃদ্ধিয়ে জনসাধাৰণৰ জীৱন বিপন্ন কৰি তুলিছে। শাসক চৰকাৰখনে দেশৰ শিক্ষিত নিবনুৱাৰ বাবে কৰ্মসংস্থাপনৰ পথ মুকলি কৰিব পৰা নাই। চৰকাৰখনৰ চৰম ব্যৰ্থতাৰ বাবে ইতিমধ্যে দেশৰ হেজাৰ হেজাৰ নিবনুৱা যুৱক যুৱতীৰ লগতে সাধাৰণ জনতাও ৰাজপথলৈ ওলাই আহিছে। চৰকাৰে দেশবাসীৰ ওপৰত থিয় দিয়া এই জ্বলন্ত সমস্যা বিলাকক সমাধান কৰাৰ বিপৰীতে মনেসজ্জা গোচৰেৰে বিৰোধী ৰাজনৈতিক দলৰ নেতা সকলক দোষী সজাবলৈ তৎপৰ হৈ পৰিছে। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে অতি শেহতীয়াকৈ কংগ্ৰেছ অধ্যক্ষা



ছোনীয়া গান্ধী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে নেশ্বনেল হেৰল্ড কাকতক লৈ এটা পুৰণি গোচৰৰ সন্দৰ্ভত ই.ডিৰ জড়িয়তে বিগত তিনিটা দিন ধৰি ধাৰাবাহিক ভাৱে জেৰা কৰাৰ চক্ৰান্তত লিপ্ত হৈ দেশৰ জনসাধাৰণক মূল বিষয়ৰ পৰা আতৰত ৰখাৰ চেষ্টা চলাইছে বুলি গগৈয়ে প্ৰকাশ কৰে। কংগ্ৰেছ নেতা মনোৰঞ্জন কোঁৱৰে কয় যে ভাৰতবৰ্ষত এনেকুৱা এখন ৰাজ্য নাই য'ত বিজেপিৰ বিৰুদ্ধে বৰ্তমান প্ৰতিবাদ হোৱা নাই। ইতিমধ্যে এক প্ৰতিবেদনত প্ৰকাশ পাইছে যে ২০২৪ চনত কোনো কাৰণতে নৰেন্দ্ৰ মোদী তৃতীয় বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হ'ব নোৱাৰে। এই কথা বিলাক এতিয়াই বিজেপিয়ে জানিব পাৰিছে। যিহেতু কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দেশৰ জনসাধাৰণৰ মত দাঙি ধৰি আহিছে। ৰাহুল গান্ধীৰ মৌলিক যুক্তি বিলাকে জনসাধাৰণক আকৰ্ষিত কৰিব ধৰিছে। সেয়ে এতিয়াৰ পৰাই বিজেপিয়ে বিৰোধী দলৰ নেতা সকলৰ প্ৰতিবাদী কণ্ঠক ৰোধ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে বুলি কোঁৱৰে কয়। ইয়াৰ লগতে তেওঁ কয় যে যিটো গোচৰকলৈ ই.ডিয়ে ৰাহুল গান্ধীক জেৰা কৰিছে সেই বিষয়ৰ ওপৰতে দেশৰ উচ্চতম ন্যায়ালয়ে কৈছে যে নেশ্বনেল হেৰল্ড কাকতত কোনো দুৰ্নীতি হোৱা নাই । উচ্চতম ন্যায়ালয়ে কোৱাৰ পিছতো বিজেপিয়ে ৰাহুল গান্ধীক ই.ডিৰ ভয় দেখুৱাই হাৰাশাস্তি কৰিব ধৰিছে। এই হাৰাশাস্তি কৰাৰ গুৰিতেই হ'ল যে আগন্তুক ২০২৪ৰ সাধাৰণ নিৰ্বাচনত বিজেপি পৰাজিত হোৱাৰ আশংকাই দলটোৰ নেতা সকলক খেদি ফুৰিছে। যাৰবাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সন্মুখত বিজেপিয়ে হেঙাৰ হিচাপে থি নিজ দলৰ ওপৰত অহা শংকা দূৰ কৰাৰ চেষ্টা চলাব বিচাৰিছে বুলি কোঁৱৰে প্ৰকাশ কৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিনোদ কোঁৱৰ, প্ৰফুল্ল মিলি, প্ৰবীণ বৰুৱা আদিয়ে বিজেপি চৰকাৰৰ শোষণ আৰু দমনমূলক নীতিৰ বিৰুদ্ধে কংগ্ৰেছ দলে ৰাইজৰ হৈ মাত মাতি যাব বুলি মত স্পষ্ট কৰে। কংগ্ৰেছে বিজেপিৰ অপশাসন উদঙাই দিয়াৰ বাবেই এনে দমনমূলক নীতিৰে কংগ্ৰেছ দলৰ মুখ্য নেতাগৰাকীক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। ৰাহুল গান্ধীক ই.ডিয়ে কি কাৰণত হাৰাশাস্তি কৰিছে ইয়াৰ ৰহস্য ইতিমধ্যে দেশবাসীয়ে বুজিছে বুলি তেওঁলোকে মন্তব্য কৰে। আজিৰ এই প্ৰতিবাদ স্থলীৰ পৰাই শিৱসাগৰ জিলা কংগ্ৰেছৰ তৰফৰ পৰা দেশৰ ৰাষ্ট্ৰপতি গৰাকীলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উক্ত স্মাৰক পত্ৰখনত কেন্দ্ৰৰ বিজেপি চৰকাৰখনে বিৰোধী ৰাজনৈতিক দলৰ নেতা সকলক নিজৰ স্বাৰ্থ সিদ্ধি নহলে হাৰাশাস্তি কৰি অহাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰে।

## ৰহাত পথ দুৰ্ঘটনাত দুজন আহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৭ জুন ঃ** ৰহা থানাৰ অন্তৰ্গত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰণথলি টোলগেটৰ সমীপত আজি দিনৰ ১২ মান বজাত সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাবে আহত হয়।জানিব পৰা মতে নগাৱৰ পৰা ৰহা অভিমুখে আহি থকা এএচ-৩১-৮৪৮৫ নম্বৰৰ আই টেন গাড়ীখনে ৰনথলি টোলগেটৰ সমীপতে নিয়ন্ত্ৰণ হেৰুৱাই ৰৈ থকা এখন ট্ৰাকত খুন্দা মাৰে আৰু ফলত গাড়ীখনত থকা জিতেন্দ্ৰ সিং(৪৮) আৰু যশবীৰ সিং (৪৫) গুৰুতৰভাবে আহত হয়।পিছত ৰহা আৰক্ষীয়ে দুয়োজনকে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও যশবীৰ সিঙৰ অৱস্হা অধিক গুৰুতৰ হোৱাত পিছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়।আহত জিতেন্দ্ৰ সিঙৰ ঘৰ চাপৰমুখত আৰু যশবীৰ সিঙৰ ঘৰ নগাৰত।

## বাক্সাৰ পকালাগিত মৃত হাতী পোৱালি উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৭ জুন ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ৰূপহী পকালাগিত আজি উদ্ধাৰ হয় এটা মৃত হাতী পোৱালি। পকালাগিৰ আঠিয়াবাৰীৰ পথাৰত স্থানীয় লোকে হাতীৰ পোৱালিটো প্ৰত্যক্ষ কৰি খবৰ দিয়ে বন বিভাগক । পিছত শালবাৰী মহকুমা মহকুমাধিপতি লক্ষ্যজ্যোতি দাস, মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যৰ লগতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা বনাঞ্চলিক বিষয়া কামেশ্বৰ বড়োসহ এটা বন বিভাগৰ দল ঘটনাস্থলীত উপস্থিত হৈ হাতীৰ পোৱালিটো মৃত অৱস্থাত উদ্ধাৰ কৰে । পৰৱৰ্তী সময়ত মানাহৰ ভূএঞাপাৰা বনাঞ্চলত মৰোনত্তৰ পৰীক্ষা কৰি পুতি থয় হাতী পোৱালিটো । উল্লেখ্য যে, নেৰানেপেৰা বৰষুণৰ ফলত বিশ্ব ঐতিহ্য মানাহ ৰাষ্ট্ৰীয় উদ্যানত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত অকলশৰীয়া হাতী পোৱালিটো ৰূপহী নদীৰে ভাহি অহাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে।

## শংকৰী কলা-সংস্কৃতিৰ গৱেষক ডঃ নৰেন কলিতালৈ কৃষ্ণকান্ত সন্দিকৈ বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** শংকৰী কলা সংস্কৃতিৰ গৱেষক পণ্ডিত ড: নৰেন কলিতালৈ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে ২০২১ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা আগবঢ়াইছে। নগাঁও চহৰৰ হয়বৰগাঁও খুটিকটীয়া নিৱাসী ড° নৰেন কলিতাক অহা ২০ জুনত এই বঁটা প্ৰদান কৰা হব ।শংকৰী কলা সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত নিৰৱে সাধনা কৰা ড° কলিতাক অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে কৃষ্ণ কান্ত সন্দিকৈ বঁটাৰ বাবে নিৰ্বাচিত কৰা বুলি কালি বিভাগটোৰ তৰফৰ পৰা অৱগত কৰা বুলি জানিব পৰা গৈছে । অহা ২০ জুনত ড° কলিতাক ডিব্ৰুগড়ৰ এক অনুষ্ঠানত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিক ভাবে এই বঁটাটি প্ৰদান কৰিব বুলি জানিব পৰা গৈছে । উল্লেখ্য এই যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাত লুকাই থকা কাঠৰ প্ৰাচীন ভাস্কৰ্য শিল্প , তাৰ ইতিহাস আৰু নন্দনমূল্য বিচাৰ কৰি ড° কলিতাই প্ৰকাশ কৰা " বৰদোৱাৰ শিল্পবস্তু "শীৰ্ষক গ্ৰন্থ খনি হৈছে তেওঁৰ অনন্য সৃষ্টি । গ্ৰন্থখনি ভাস্কৰ্য সমূহ ক'লা বগা আৰু ৰঙীন চিত্ৰৰে সমৃদ্ধ । দুটি ভাগত প্ৰকাশ পোৱা গ্ৰন্হ খনিৰ দ্বিতীয় ভাগত গৱেষক ড° কলিতাই ভাস্কৰ্য সমূহৰ মাজেৰে প্ৰকাশ নৃত্য আংগিক গুৰুত্ব প্ৰদান কৰিছিল । ১৯৪২ চনত জন্ম গ্ৰহণ কৰা ড° কলিতাই ১৯৮৫ চনত "বৰদোৱা শিল্পবস্তু"ৰ জৰিয়তে বৰদোৱাৰ কাঠৰ ভাস্কৰ্যৰ বিষয়ে অধ্যয়ন , ১৯৮৬ চনত "কপিলীপাৰ কছাৰীপাৰ" ৰ জৰিয়তে কপিলী যমুনা উপত্যকাৰ শিলৰ প্ৰাচীন ভাস্কৰ্য আৰু সমাজ অধ্যয়ন , ১৯৮৬ ত অসমৰ পুথিচিত্ৰ , ২০০৮ ত বিল্বমংগল স্তোত্ৰ গ্ৰন্থ কেইখন প্ৰকাশ কৰি উলিয়াই ।

### ৰাহুল গান্ধীক ই,ডিৰ জেৰা

## নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ, আৰক্ষী আৰু কংগ্ৰেছৰ নেতা কৰ্মীসকলৰ মাজত খণ্ড যুদ্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ই ডিয়ে জেৰা কৰি হাৰাশাস্তি কৰাৰ প্ৰতিবাদত আজি নগাঁও জিলা কংগ্ৰেছৰ উদ্যোগত নগাঁও চহৰত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়।কেন্দ্ৰীয় চৰকাৰে ৰাহুল গান্ধীক হাৰাশাস্তি কৰা তথা দিল্লীৰ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আৰু অসম প্ৰদেশ কংগ্ৰেছ কাৰ্যালয়ত আৰক্ষীৰ অত্যাচাৰৰ অভিযোগ তুলি কংগ্ৰেছ কৰ্মী সকলে আজি সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা কংগ্ৰেছৰ নেতা কৰ্মী সকলে সমদল কৰি আগ বাঢ়োতেই কাৰ্যালয়টোৰ সন্মুখতে আৰক্ষীয়ে বাধা প্ৰদান কৰে।ইয়াক কেন্দ্ৰ কৰি আৰক্ষী আৰু কংগ্ৰেছৰ নেতা কৰ্মী সকলৰ মাজত খণ্ড যুদ্ধ লাগে।কংগ্ৰেছৰ নেতা কৰ্মী সকলে ৰাহুল গান্ধী জিন্দাবাদ, কংগ্ৰেছ জিন্দাবাদ, অসম পুলিচ হায় হায়,কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে।এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰা আৰু বিধায়ক নুৰুল হুদাই বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে সমালোচনাত মুখৰ হৈ পৰে।

### বানপানীৰ কবলত বগৰীবাৰীৰ বহু সংখ্যক গাঁও

## ১০০ বিছনাযুক্ত মহত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ ভিতৰত এক বুকু পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৭ জুন ঃ** বগৰীবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ লগতে আটানী ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাওঁ অঞ্চল আৰু নৈপৰীয়া অঞ্চলসমূহত নেৰানেপেৰা বৰষুণৰ ফলত বিভিন্ন নৈ আৰু উপনৈসমূহৰ পানী বিপদ সীমাৰেখাৰ ওপৰেদি বৈ যোৱা পানীয়ে বুৰাই পেলাইছে। বিশেষকৈ বগৰীবাৰীৰ আটানী থকা টিপকাই নৈৰ বাঢ়নী পানীৰ ফলত আটানী অঞ্চলত ঐতিহাসিক ৰাজবাৰী, আটানী আৰক্ষী চকী, হৰেন্দ্ৰ নাৰায়ণ চেমিনাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, আটানী ৰাজহ চক্ৰৰ কাৰ্যালয় , বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ লগতে উক্ত অঞ্চলৰ বাসিন্দাসকলে পানীৰ মাজতে আবদ্ধ হৈ পৰিছে । আনকি অঞ্চলটোৰ ৰাইজৰ একমাত্ৰ চিকিৎসা সেৱা আশ্ৰয়থলী বগৰীবাৰী মহাত্মা গান্ধী আদৰ্শ এশ বিছনাযুক্ত চিকিৎসালয় মাজমজিয়াত এক বুকু পানী হোৱাত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছে ।আনহাতে প্ৰসুতি ৰোগীসকলৰ লগতে বিভিন্ন চিকিৎসাৰ বাবে দৈনিক অঞ্চলটোৰ ৰাইজৰ একমাত্ৰ আশা ভৰসাৰ স্থলি হিচাপে অঞ্চলটোৰ ৰাইজে গণ্য কৰে। কিন্তু চিকিৎসালয়খনৰ ভিতৰত এক বুকু পানী হোৱাত অঞ্চলটোৰ ৰাইজে চিকিৎসা সেৱাৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে । আটানী অঞ্চলৰ প্ৰতিখন ঘৰৰ ভিতৰত পানী সোমাই যোৱাত অঞ্চলটোৰ মহিলা, বৃদ্ধ, শিশুসকলক লৈ পৰিয়ালৰ লোকে নিৰাপদ স্থানলৈ আশ্ৰয় বিচাৰি গৈছ ।আছে । আনহাতে যিসকলৰ উপায় নাই সেইসকলে এক বিপদসংকুল পৰিবেশৰ মাজত দিন কটাবলগীয়া হৈছে । আনহাতে ঐতিহাসিক আটানী অঞ্চল টিপকাই নৈৰ প্ৰতি সৃষ্টি কৰা গৰাখহনীয়া তা'বৰ পৰা ৰক্ষা কৰিবলৈ এক শাক্তিশালী মথাউৰি নিৰ্মাণৰ বাবে দীৰ্ঘদিনৰ পৰা দাবী জনাই আহিছে । কিন্তু আজিলৈকে এই মাথাউৰি নিৰ্মাণ হৈ নুঠাত ভুক্তভূগি ৰাইজে উদ্বিগ্নতা প্ৰকাশ কৰে।

# বহিঃৰাজ্যৰ ব্যৱসায়ীৰ ডাম্পাৰ ডবকাত চুৰি

### ডবকাত চোৰৰ উপদ্ৰৱ বৃদ্ধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৭ জুন ঃ** ঝাৰখণ্ডৰ ব্যৱসায়ীৰ ডাম্পাৰ ডবকাৰ পৰা চুৰি হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে।ডবকা মদাৰতলি কে আৰ চৌধুৰী পেট্ৰেল পাম্পৰ পৰা চুৰি হৈছে ডাম্পাৰ খন চুৰি হোৱা ডাম্পাৰ খনৰ নম্বৰ JH16A-7126, ডাম্পাৰ চুৰিৰ দৃশ্য বন্ধি হৈছে চিচিটিভি কেমেৰাত, দুজন লোকে চুৰি কৰি লৈ যোৱা দৃশ্য দেখা গৈছে চিচিটিভিত। ঘটনা সংক্ৰান্তত ডাম্পাৰ খনৰ গৰাকী ডবকা থানাত 156য22 নম্বৰৰ গোচৰ তৰিছে।ডাম্পাৰ খনৰ স্বতাধিকাৰী জনৰ নাম আশ্বৰাফুল হুদা, আশ্বৰাফুলৰ ঘৰ ঝাৰখণ্ডত। বিগত ২০১৮ চনৰ পৰা ডবকাত ব্যৱসায় কৰি আছিল আশ্বৰাফুল। আশ্বাফুলৰ ডবকাৰ ভেলৌগুৰিৰ বাসিন্দা বন্ধু নজৰুল ইছলামে ডাম্পাৰখন ভাড়া লৈছিল বুলি অভিযোগ কৰিছে। নজৰুলৰ জিম্মাৰ পৰা চুৰি হোৱাৰ বাবেই নজৰুলসহ তিনি জনৰ বিৰুদ্ধে গোচৰ তৰিছে আশ্বৰাফুলে।প্ৰথমে আশ্বৰাফুলক ৰহস্যজনক ভাৱে আৰক্ষীয়ে আটক কৰি দিনটো থানাত বহাই ৰাখে যদিও পিচলৈ মুকলি কৰি নজৰুলকো আটক কৰি এৰি দিয়াৰ কেইদিনমান পিছত বৃস্পতিবাৰে পুনৰ সোধা পোচাৰ বাবে নজৰুলক আটক কৰিছে আৰক্ষীয়ে। ঘটনা সংঘটিত হৈছিল যোৱা ৮ জুনৰ নিশা,৮ দিন অতিক্ৰম হোৱাৰ পিছতো ডাম্পাৰ খনৰ কোনো শুং সুত্ৰ উলিয়াব পৰা নাই আৰক্ষীয়ে।সঘনাই ডবকাৰ পৰা ডাম্পাৰ চুৰিৰ লগতে চুৰি কাৰ্য বৃদ্ধি হোৱাত উদ্বেগ প্ৰকাশ কৰিছে সচেতন মহলে।

Affordable Health Mission
**GNRC**
Quality•Value•Trust

আপুনি বহুদিন ধৰি মূৰৰ বিষ, ডিঙিৰ বিষ বা কঁকালৰ বিষত ভুগি আছে নেকি ?

এতিয়া চিন্তাৰ কোনো প্ৰয়োজন নাই

জিএনআৰচি টেলিমেডিচিন সেৱাৰ জৰিয়তে

ঘৰতে বহি এতিয়া আপুনি পাব পাৰে

জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ

আজিয়েই ডাউনল'ড কৰক

**GNRC Telehealth App**

(Google Play storeত উপলব্ধ)

যোগাযোগ ঃ 1800-345-0022

info@gnrchospitals.com www.gnrchospitals.com

केनरा बैंक Canara Bank
भारत सरकार का उपक्रम A Government of India Undertaking
सिंडिकेट Syndicate

## দখলৰ জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

**আঞ্চলিক কাৰ্যালয়, গুৱাহাটী**
দ্বিতীয় মহলা, মেফেয়াৰ বিল্ডিং, জ্যোতিকুছি, হনুমান মন্দিৰৰ বিপৰীতে, লখৰা ৰোড, গুৱাহাটী, পিন-৭৮১০৩৪, অসম

যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতা/গ্ৰেৰাণ্টাৰ/ বন্ধকদাতালৈ যাতে জাননীত উল্লেখিত ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-
ঋণ লওতা/ গেৰাণ্টৰে এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল, সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে তলত স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।
ঋণ লওতা/ গেৰাণ্টৰক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ।
আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক) ঋণ লওতা/ গেৰাণ্টাৰ/ বন্ধকদাতাৰ নাম খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) জীৱন আলী খণ্ডকাৰ (খ) খাৰুপেটীয়া | ১২,০৬,৭১৪.৭৬ টকা (বাৰ লাখ ছয় হাজাৰ সাতশ চৈধ্য টকা ছয়সত্তৰ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ১৪.১২.২০২১ খ) ১৪.০৬.২০২২ | ভূমিৰ প্লটৰ ই এম টি, পৰিমাপ ১বি-০কে-০এল, আৱৰি আছে দাগ নং -৪৮৪ (নতুন) ১৭৯ (পুৰণি), পি পি নং ২৮৪ (নতুন) ১৩৮ (পুৰণি)। গাঁও ঃ মণ্ডলপাৰা, মৌজা ঃ পশ্চিম শিয়ালমাৰী, দৰং, অসম। নামত আছে মালেকা খাতুন (বিক্ৰী দলিল অনুসৰি)। চাৰিসীমা ঃ উত্তৰে- মালেকা খাতুন আৰু চুলতান, দক্ষিণে ঃ চামিৰুদ্দিন, পূবে ঃ বিক্ৰীদাৰৰ ভূমি, পশ্চিমে ঃ হালিম। |
| (ক) শ্ৰী ৰফিকুল ইছলাম (খ) খাৰুপেটীয়া | ৩৬,৬২,৫৯২.৭০ টকা (ছয়ত্ৰিশ লাখ বাষষ্ঠী হাজাৰ পাঁচশ বিৰানব্বৈ টকা সত্তৰ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ১০.০৫.২০২১ খ) ১৪.০৬.২০২২ | ভূমিৰ এটা প্লট পৰিমাপ হ'ল ২ বিঘা, আৱৰি আছে দাগ নং-৮৯, পি পি নং-১১। গাঁও ঃ মোৱামাৰী, মৌজা ঃ পশ্চিম শিয়ালমাৰী, জিলা-দৰং, অসম। নামত আছে শ্ৰী ৰফিকুল ইছলাম (বিক্ৰী দলিল অনুসৰি)। চাৰিসীমা ঃ উত্তৰে- হাছেম আলী, দক্ষিণে ঃ মতলেব আলী, পূবে ঃ চট্টৰ আলী, পশ্চিমে ঃ পথ। |
| (ক) শ্ৰী অংগিৰা কাশ্যপ খাটনিয়াৰ মেচাৰ্ছ এফিনিটী ইণ্টাৰনেলচেনৰ স্বত্তাধিকাৰী (খ) গুৱাহাটী পাঞ্জাবাৰী | ৩২,৪৪,৮০২.৫৫ টকা (বত্ৰিশ লাখ চৌৱাল্লিশ হাজাৰ আঠশ দুই টকা পচপন্ন পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ১১.০৩.২০২২ খ) ১৫.০৬.২০২২ | এটা আবাসিক ফ্লেট নং ৪ ই, চতুৰ্থ মহলা, নবীন এনক্লেভ, ছুপাৰ বিল্ড এলেকা ৯৭১ বৰ্গফুট (০.৪০ আৰ), আৱৰি আছে দাগ নং-৪১৫৭/৪১৫৮ (পুৰণি)/৬৩২ (নতুন), কে পি পট্টা নং-৫৩৯/৩৬(পুৰণি)/৫৯২( নতুন)। অৱস্থিত আছে- গাঁও ঃ জাপৰিগোগ- প্ৰথম অংশ, মৌজা ঃ বেলতলা, অসম, জিলা ঃ কামৰূপ (মেট্ৰ)। নামত আছে অঞ্জনা খাটনিয়াৰ (বিক্ৰী দলিল অনুসৰি)। চাৰিসীমা ঃ উত্তৰে- বিষ্ণুজ্যোতি ক্লাব, দক্ষিণে- মাদাৰ টেৰেজা পথ, পূবে- পথ /গীতানগৰ স্কুল ফিল্ড, পশ্চিমে- এম. চি. ফুকন। |
| (ক) শ্ৰী বিশাল গোৰেংকা আৰু শ্ৰী পায়েল গোৰেংকা, মেচাৰ্ছ পি এল ইণ্ডাষ্ট্ৰিছ প্ৰাইভেট লিমিটেডৰ (খ) গুৱাহাটী শিখ টেম্পেল | ২,১৮,২৪,২৭৬.০০ টকা (দুই কোটি ওঠৰ লাখ ছব্বিশ হাজাৰ দুশ ছয়সত্তৰ টকা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০৪.০৪.২০২২ খ) ১৫.০৬.২০২২ | সম্পদৰ সকলো অংশসহ ভূমিৰ মুঠ পৰিমাপ ২ কঠা, আৱৰি আছে দাগ নং-২৮৯ (পুৰণি)/১৬২৮ (নতুন), কে পি পট্টা নং-৭৪ (পুৰণি)/১১৮৬ (নতুন)। গাঁও ঃ জ্যোতিকুছি, মৌজা ঃ বেলতলা, জিলাঃ কামৰূপ, অসম। প্লটৰ চাৰিসীমা ঃ (পুৰণি মূল্যায়ন প্ৰতিবেদনৰ ভিত্তিত) উত্তৰে- দেৱজ্যোতি শৰ্মাৰ ভূমি, দক্ষিণে- সম্ভু মাহাতোৰ ভূমি, পূবে- পথ, পশ্চিমে- সৰ্বানন্দ সোণোৱালৰ ভূমি। (বৰ্তমানৰ দখলৰ ভিত্তিত) উত্তৰে- দেৱজ্যোতি শৰ্মাৰ ভূমি, দক্ষিণে- সম্ভু মাহাতোৰ ভূমি, পূবে- ১নং কাৱি পথ, পশ্চিমে- সৰ্বানন্দ সোণোৱালৰ ভূমি। |

তাৰিখ ঃ ১৭.০৬.২০২২, স্থান ঃ গুৱাহাটী — কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক

## কৰমেণ্ডেল ইন্টাৰনেচনেল লিমিটেড
পঞ্জীয়নকৃত কাৰ্যালয়: ক'ৰ'মেণ্ডেল হাউছ, 1-2-10, চৰ্দাৰ পেটেল ৰোড চেকেণ্ডৰাবাদ 500003 তেলেংগনা, ভাৰত, CIN: L2410TG1961PLC000892

কৃষি সহযোগিতা আৰু কৃষি কল্যাণ বিভাগ, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, ভাৰত চৰকাৰ কৰমেণ্ডেল ইন্টাৰনেচনেল লিমিটেডে জাৰি কৰা নিৰ্দেশ নং S.O.2900(E) তাং 24 অক্টোবৰ, 2015 অনুসৰি, S.O. 4120 (E) ইয়াৰ সংশোধনী তাং 30 ডিচেম্বৰ 2017 আৰু S.O. 2001 (E), তাং 22 জুন 2020, য়ে ইয়াৰ জৰিয়তে জনাই যে ই প্ৰদত্ত বিৱৰণ অনুসৰিৰাসায়নিক সাৰৰ 100% পানীত দ্ৰৱণীয় মিশ্ৰণ প্ৰস্তুত আৰু বিক্ৰী কৰিবলৈ পৰিকল্পনা কৰে:
**(1) এন:পি:কে 19:19:19,** নাইট্ৰ'জেন N-19%, ফছফৰাছ $P_2O_5$-19%, পটেছিয়াম $K_2O$-19% **(2) এন:পি:কে:এছ 19:19:19:3**, নাইট্ৰ'জেন N-19%, ফছফৰাছ $P_2O_5$-19%, পটেছিয়াম $K_2O$-19%, ছালফাৰ S-3% **(3) এন:পি:কে 16:8:24,** নাইট্ৰ'জেন N-16%, ফছফৰাছ $P_2O_5$-8%, পটেছিয়াম $K_2O$-24% **(4) এন:পি:কে:এছ 16:8:24:4.5**, নাইট্ৰ'জেন N-16%, ফছফৰাছ $P_2O_5$-8%, পটেছিয়াম $K_2O$-24%, ছালফাৰ S-4.5% **(5) এন:পি:কে:এছ 21:12:16:2,** নাইট্ৰ'জেন N-21%, ফছফৰাছ $P_2O_5$-12%, পটেছিয়াম $K_2O$-16%, ছালফাৰ S-2% **(6) এন:পি:কে:এছ 21:12:16:2.5,** নাইট্ৰ'জেন N-21%, ফছফৰাছ $P_2O_5$-12%, পটেছিয়াম $K_2O$-16%, ছালফাৰ S-2.5% **(7) এন:পি:কে:এছ 14:5:32:2,** নাইট্ৰ'জেন N-14%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-32%, ছালফাৰ S-2% **(8) এন:পি:কে:এছ 14:5:32:4,** নাইট্ৰ'জেন N-14%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-32%, ছালফাৰ S-4% **(9) এন:পি:কে 10:5:36**, নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-36% **(10) এন:পি:কে:এছ 10:5:36:3.5,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-36%, ছালফাৰ S-5% **(11) এন:পি:কে:এছ 8:14:27:4,** নাইট্ৰ'জেন N-8%, ফছফৰাছ $P_2O_5$-14%, পটেছিয়াম $K_2O$-27%, ছালফাৰ S-4% **(12) এন:পি:কে:এছ 8:14:27:5,** নাইট্ৰ'জেন N-8%, ফছফৰাছ,$P_2O_5$-14%, পটেছিয়াম $K_2O$-27%, ছালফাৰ S-5% **(13) এন:পি:কে 10:7:35** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-7%, পটেছিয়াম $K_2O$-35% **(14) এন:পি:কে: এছ 10:7:35:3.5,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-7%, পটেছিয়াম $K_2O$-35%, ছালফাৰ S-3.5% **(15) এন:পি:কে: জেডএন:বি 12:0:35:1:0.3,** নাইট্ৰ'জেন N-12%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-35%, জিংক Zn-1%, ব'ৰণ B-0.3% **(16) এন:পি:কে: এছ:জেডএন:বি 12:0:35:2.5:1:0.3,** নাইট্ৰ'জেন N-12%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-35%, ছালফাৰ S-2.5%, জিংক Zn-1%, ব'ৰণ B-0.3% **(17) এন:পি:কে:এছ 8:14:31:4,** নাইট্ৰ'জেন N-8%, ফছফৰাছ $P_2O_5$-14%, পটেছিয়াম $K_2O$-31%, ছালফাৰ S-4% **(18) এন:পি:কে:এছ 8:14:31:5,** নাইট্ৰ'জেন N-8%, ফছফৰাছ $P_2O_5$-14%, পটেছিয়াম $K_2O$-31%, ছালফাৰ S-5% **(19) এন:পি:কে:এছ 10:8:34:2,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-8%, পটেছিয়াম $K_2O$-34%, ছালফাৰ S-2% **(20) এন:পি:কে: এছ 10:8:34:3.5,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-8%, পটেছিয়াম $K_2O$-34%, ছালফাৰ S-5% **(21) এন:পি:কে 13:40:13,** নাইট্ৰ'জেন N-13%, ফছফৰাছ $P_2O_5$-40%, পটেছিয়াম $K_2O$-13% **(22) এন:পি:কে 13:12:26,** নাইট্ৰ'জেন N-13%, ফছফৰাছ $P_2O_5$-12%, পটেছিয়াম $K_2O$-26% **(23) এন:পি:কে:এমজিঅ:এছ 10:28:16:3:2,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-28%, পটেছিয়াম $K_2O$-16%, মেগনেছিয়াম Mgo-3%, ছালফাৰ S-2% **(24) এন:পি:কে:এমজি:এছ 10:28:16:2:2,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-28%, পটেছিয়াম $K_2O$-16%, মেগনেছিয়াম Mgo-2%, ছালফাৰ S-2% **(25) এন:পি:কে:এছ 12:0:38:2,** নাইট্ৰ'জেন N-12%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-38%, ছালফাৰ S-2% **(26) এন:পি:কে:এছ 13:26:13:3,** নাইট্ৰ'জেন N-13%, ফছফৰাছ $P_2O_5$-26%, পটেছিয়াম $K_2O$-13%, ছালফাৰ S-3% **(27) এন:পি:কে:এছ 9:31:16:2,** নাইট্ৰ'জেন N-9%, ফছফৰাছ $P_2O_5$-31%, পটেছিয়াম $K_2O$-16%, ছালফাৰ S-2% **(28) এন:পি:কে:এছ 10:0:35:4,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-35%, ছালফাৰ S-4% **(29) এন:পি:কে 11:0:37,** নাইট্ৰ'জেন N-11%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-37% **(30) এন:পি:কে 10:5:36,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-36% **(31) এন:পি:কে 12:26:20,** নাইট্ৰ'জেন N-12%, ফছফৰাছ $P_2O_5$-26%, পটেছিয়াম $K_2O$-20% **(32) এন:পি:কে:এছ 0:5:26:13,** নাইট্ৰ'জেন N-0%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-26%, ছালফাৰ S-13% **(33) এন:পি:কে:এছ 5:11:35:5,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-11%, পটেছিয়াম $K_2O$-35%, ছালফাৰ S-5% **(34) এন:পি:কে:এছ 12:19:17:6,** নাইট্ৰ'জেন N-12%, ফছফৰাছ $P_2O_5$-19%, পটেছিয়াম $K_2O$-17%, ছালফাৰ S-6% **(35) এন:পি:কে:এছ 5:39:19:5,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-39%, পটেছিয়াম $K_2O$-19%, ছালফাৰ S-5% **(36) এন:পি:কে: এছ 14:14:19:7,** নাইট্ৰ'জেন N-14%, ফছফৰাছ $P_2O_5$-14%, পটেছিয়াম $K_2O$-19%, ছালফাৰ S-7% **(37) এন:পি:কে:এছ 16:24:7:8,** নাইট্ৰ'জেন N-16%, ফছফৰাছ $P_2O_5$-24%, পটেছিয়াম $K_2O$-7%, ছালফাৰ S-8% **(38) এন:পি:কে:এছ 5:9:32:5,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-9%, পটেছিয়াম $K_2O$-32%, ছালফাৰ S-5% **(39) এন:পি:কে: এছ 10:29:14:2,** নাইট্ৰ'জেন N-10%, ফছফৰাছ $P_2O_5$-29%, পটেছিয়াম $K_2O$-14%, ছালফাৰ S-2% **(40) এন:পি:কে:এছ 11:21:21:3,** নাইট্ৰ'জেন N-11%, ফছফৰাছ $P_2O_5$-21%, পটেছিয়াম $K_2O$-21%, ছালফাৰ S-3% **(41) এন:পি:কে:এছ 5:15:34:6,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-15%, পটেছিয়াম $K_2O$-34%, ছালফাৰ S-6% **(42) এন:পি:কে:এছ 5:5:41:8,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-5%, পটেছিয়াম $K_2O$-41%, ছালফাৰ S-8% **(43) এন:পি:কে:এছ 6:0:31:7,** নাইট্ৰ'জেন N-6%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-31%, ছালফাৰ S-7% **(44) এন:পি:কে:এছ 5:9:29:2,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-9%, পটেছিয়াম $K_2O$-29%, ছালফাৰ S-2% **(45) এন:পি:কে:এছ 5:0:29:12,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-29%, ছালফাৰ S-12% **(46) এন:পি:কে:এছ 5:0:31:10,** নাইট্ৰ'জেন N-5%, ফছফৰাছ $P_2O_5$-0%, পটেছিয়াম $K_2O$-31%, ছালফাৰ S-10% **(47) এন:পি:কে 18:18:18,** নাইট্ৰ'জেন N-18%, ফছফৰাছ $P_2O_5$-18%, পটেছিয়াম $K_2O$-18% **(48) এন:পি:কে 28:28:0,** নাইট্ৰ'জেন N-28%, ফছফৰাছ $P_2O_5$-28%, পটেছিয়াম $K_2O$-0%
**(49) এন:পি:কে 24:24:0,** নাইট্ৰ'জেন N-24%, ফছফৰাছ $P_2O_5$-24%, পটেছিয়াম $K_2O$-0%
ওপৰৰ সকলোবোৰ শ্ৰেণীত, (a) ওজনত আৰ্দ্ৰতাৰ শতকৰা হাৰ, সৰ্বোচ্চ: 0.5% (b) ওজনত মুঠ ক্ল'ৰাইডৰ শতকৰা হাৰ, সৰ্বোচ্চ:1.5 % (c) ওজনত NaCl হিচাপে ছডিয়ামৰ শতকৰা হাৰ, সৰ্বোচ্চ:0.5 % (d) ওজনত পানীত অদ্ৰৱনীয় পদাৰ্থৰ %, সৰ্বোচ্চ:0.5 % (e) ওজনত সীহৰ (Pb) %, সৰ্বোচ্চ:0.003 % (f) ওজনত কেডমিয়ামৰ (Cd হিচাপে) %, সৰ্বোচ্চ:0.0025 % (g) ওজনত আৰ্ছেনিকৰ (As হিচাপে) %, সৰ্বোচ্চ:0.01 %

ইমেইল : mail@coromandel.murugappa.com
ৱেব : www.coromandel.biz
টেলিফোন : 91-40-27842034/27847212, ফেক্স : 91-40-27844117

### জাগীৰোডত খহনীয়াত আক্ৰান্ত মথাউৰি পৰিদৰ্শন মন্ত্ৰী পীযূষ হাজৰিকাৰ

# প্ৰকৃতিৰ লগত যুঁজা ইমান সহজ নহয় যদিও আমাৰ ফালৰ পৰা চেষ্টাৰ কম হ'ব নালাগে ঃ মন্ত্ৰী হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ জুন ঃ** অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত সৰুআটী অঞ্চলত উপস্থিত হৈ বিগত কিছুদিন ধৰি হোৱা নেৰা-নেপেৰা বৰষুণৰ ফলত নদীৰ জলস্তৰ বৃদ্ধি হৈ অঞ্চলটোত বিগত তিনি দিন ধৰি দুটাকৈ স্থানত সৃষ্টি কৰা খহনীয়া পৰিদৰ্শন কৰে। স্পৰ্শকাতৰ এই অংশ দুটাৰ সুৰক্ষাৰ বাবে ইতিমধ্যে জলসম্পদ বিভাগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে পাত্ৰবড়ী অঞ্চলত থকা শ্লুইছ গেট পৰিদৰ্শন কৰি এই গেটত বেয়া হৈ যোৱা এটা শ্বাটাৰ অতি সোনকালে পানী কমাৰ লগে লগে মেৰামতি কৰিবলৈ নিৰ্দেশনা দিয়ে। পৰিদৰ্শনৰ সময়ত উপস্থিত থকা স্থানীয় সাংবাদিকক উদ্দেশ্যি মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে, কেইবাদিনো ধৰি চলি থকা নেৰা-নেপেৰা বৰষুণৰ ফলত তিনি দিন ধৰি অঞ্চলটোত মথাউৰিৰ খহনীয়া চলি আছে আৰু মথাউৰি ৰক্ষাৰ বাবে জলসম্পদ বিভাগৰ প্ৰচেষ্টা অব্যাহত আছে। ইতিমধ্যে খহনীয়া হোৱা অঞ্চল দুটাত প্ৰায় তিনি হাজাৰ সৰু বেগ আৰু ১০০তকৈও অধিক ডাঙৰ বেগেৰে খহনীয়া প্ৰতিৰোধৰ কাম অব্যাহত আছে। অসমৰ ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত হোৱা প্ৰচুৰ বৰষুণৰ বাবে নামনি অঞ্চললৈ বাগৰি অহা পানীৰ প্ৰভাৱ অহা পৰহিলৈ অঞ্চলটোত পৰাৰ আশংকা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিভাগীয় তৎপৰতাৰে খহনীয়া হোৱা অঞ্চলকেইটা ৰক্ষা কৰিবলৈ প্ৰয়াস কৰা হৈছে। বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে অহোপুৰুষাৰ্থ কৰি থকা কামত স্থানীয় ৰাইজকো হাত উজান দি সহায় আগবঢ়াবৰ বাবে মন্ত্ৰী তথা স্থানীয় বিধায়কগৰাকীয়ে অনুৰোধ জনায়। আনহাতে, বিগত সময়খিনিত প্ৰচুৰ বৰষুণ হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ নামনি অসমত বানপৰিস্থিতি কিছু অৱনতি হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ প্ৰতিমুহূৰ্ততে বিভাগীয় অভিযন্তাৰে বান পৰিস্থিতিৰ বুজ লৈ আছে আৰু প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'বলৈ সংশ্লিষ্ট সকলো পক্ষৰে সৈতে যোগাযোগ ৰাখি আছে আৰু কাইলৈ তেওঁ নিজেও পুৱাতে নামনিৰ কেইবাটাও স্থানত বানপৰিস্থিতি পৰিদৰ্শনৰ বাবে যাব। আনহাতে, প্ৰকৃতিৰ লগত যুঁজাটো ইমান সহজ নহয় যদিও আমাৰ ফালৰ পৰা চেষ্টাৰ কম হ'ব নালাগে, মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে বুধবাৰে মন্ত্ৰী পীযূষ হাজৰিকাই বানপানীৰ সময়ত খহনীয়া আৰম্ভ হোৱা মথাউৰিৰ ফটো আৰু স্থান উল্লেখ কৰি বাৰ্তা পঠাবলৈ সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ মোবাইল নাম্বাৰ ৰাজহুৱা কৰিছিল। এই কথা উল্লেখ কৰি আজি মন্ত্ৰীগৰাকীয়ে কয় যে যদি বিভাগে সময়ত খহনীয়া হোৱা মথাউৰিৰ খবৰ লাভ কৰে, তেন্তে বহু মথাউৰি বিভাগীয় প্ৰচেষ্টাত ৰাখিব পৰা যাব।



*মাজুলীৰ আফলামুখ ফেৰী ঘাটত বৃদ্ধি পাইছে জলপৃষ্ঠ, শুকুৰবাৰৰ ছবি*

## নগাঁৱত কেন্দ্ৰীয় শক্তিমন্ত্ৰী আৰ কে সিঙৰ প্ৰতিকৃতি দাহ যুৱ-ছাত্ৰ পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** কেন্দ্ৰীয় শক্তিমন্ত্ৰী আৰ কে সিঙে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত উপস্থিত হৈ বিদেশী পুঁজিৰে নদীবান্ধ আন্দোলন চলিছিল বুলি কৰা মন্তব্যক লৈ জাঙুৰ খাই উঠিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি। আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে নগাঁও চহৰৰ নতুন বজাৰ অঞ্চলৰ ৰাজপথত কেন্দ্ৰীয় শক্তিমন্ত্ৰী আৰ কে সিঙৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পৰিষদৰ সদস্যসকলে আৰ কে সিং গ' বেক, কেন্দ্ৰীয় শক্তিমন্ত্ৰী মুৰ্দাবাদ, বৃহৎ নদীবান্ধৰ নিৰ্মাণ বন্ধ কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিকূল বতৰক নেওচি প্ৰতিবাদী কাৰ্যসূচীত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সদস্যৰ উপৰি দীপাংকৰ শৰ্মা, হেমন্ত দাস প্ৰমুখ্যে জাতীয় শ্ৰমিক পৰিষদৰ ভালেসংখ্যক নেতা আৰু সদস্যই অংশগ্ৰহণ কৰে। ইপিনে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই কেন্দ্ৰীয় শক্তিমন্ত্ৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে জল বোমাসদৃশ এই বৃহৎ নদীবান্ধৰ বিৰোধিতা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ২০০৮ চনৰ পৰা কৰি আহিছে। যদি বিদেশী পুঁজিৰে নদীবান্ধবিৰোধী আন্দোলন কৰা হৈছিল তেন্তে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তাৰ প্ৰমাণ দিয়ক অন্যথা অসমৰ জাতীয় দল-সংগঠনৰ ওচৰত তেওঁ ক্ষমা বিচাৰক। আনহাতে, আগন্তুক দিনত এনে ধৰণৰ মন্তব্য নিদিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক পৰিষদৰ নেতাদ্বয়ে সকীয়াই দিয়ে।

### তেজপুৰৰ বিহগুৰিত সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতাৰ আয়োজন

# 'ৰেঙণি যুৱক সংঘ'ৰ উদ্যোগত অনুষ্ঠিতব্য প্ৰতিযোগিতাৰ বাবে পাণ্ডুলিপি প্ৰেৰণৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ জুন ঃ** তেজপুৰ বিহগুৰিৰ অন্যতম সামাজিক, সাংস্কৃতিক অনুষ্ঠান 'ৰেঙণি যুৱ সংঘ'ৰ উদ্যোগত পিঠাখোৱাত এখন সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম নাট্য সন্মিলনৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা শোণিতপুৰ জিলাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট নাট্য সংগঠক প্ৰয়াত কমল নাথ আৰু বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত প্ৰদীপ দাসৰ সোঁৱৰণত অনুষ্ঠিতব্য ৰাজ্যিকভিত্তিক একাংক নাট প্ৰতিযোগিতাখনত একাংশ শিতানৰ শ্ৰেষ্ঠ প্ৰতিযোগীক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰাৰো দিহা কৰা হৈছে। প্ৰথম, দ্বিতীয়, তৃতীয় বিজয়ী নাট্য দলৰ লগতে শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ অভিনেত্ৰী, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ কৌতুক অভিনেতা, শ্ৰেষ্ঠ শিশুশিল্পী আৰু শ্ৰেষ্ঠ পাণ্ডুলিপি বিচাৰৰ আওটিলৈ অনা হ'ব। প্ৰথম বিজয়ী দললৈ নগদ ১১,০০১ টকা, মানপত্ৰ আৰু বঁটা, দ্বিতীয় বিজয়ী দললৈ নগদ ৯,০০১ টকা, মানপত্ৰ আৰু বঁটা, তৃতীয় বিজয়ী দললৈ নগদ ৭০০১ টকা, মানপত্ৰ আৰু বঁটা পুৰস্কাৰ হিচাপে আগবঢ়োৱাৰ লগতে ব্যক্তিগত শিতানৰ বিজয়ীসকললৈকো নগদ ধন, বঁটা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। নাট পৰিৱেশনৰ বাবে নিৰ্ধাৰিত সময় ৪৫ মিনিট ধাৰ্য কৰাৰ লগতে চৰিত্ৰৰ সংখ্যা ৮জনতকৈ অধিক হ'ব নোৱাৰিব। উল্লেখ্য যে, অহা ২৯ আৰু ৩০ অক্টোবৰত অনুষ্ঠিত হ'ব লগা এই ৰাজ্যিকভিত্তিক নাট প্ৰতিযোগিতা যাতে সুকলমে আৰু সুচাৰুৰূপে সম্পন্ন হয় তাৰ প্ৰতি লক্ষ্য ৰাখি ইচ্ছুক নাট্যদলসমূহক পাণ্ডুলিপিসমূহ ৫০০ টকা ভৰ্তি মাচুলসহ অহা ১৫ আগষ্টৰ ভিতৰত তলৰ ঠিকনাত প্ৰেৰণ কৰিব লাগিব। ইচ্ছুক নাট্য দলসমূহক মৃদুল কমিউনিকেচন্‌ছ, পিঠাখোৱা চ'ক, শোণিতপুৰ (অসম) ডাক ঃ ৭৮৪১৫৩ লৈ পাণ্ডুলিপি প্ৰেৰণ কৰিব পাৰিব অথবা ৮৬৩৮২৩৬৯৪৩, ৮৮৭৬১১৭৬৯৬, ৮০১১২৩০২৬৫ ফোন নম্বৰত আৰু মেইল আই ডি renganiyubasangha@gmail.comত যোগাযোগ কৰাৰ লগতে ভৰ্তি মাচুল একাউণ্ট নম্বৰ— 20269717910, IFSC- SBIN0017223 প্ৰেৰণ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

## ফলিহামাৰী ছিনিয়ৰ মাদ্ৰাছাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৭ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত ফলিহামাৰী ছিনিয়ৰ মাদ্ৰাছাত সম্বাৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। সদ্যঘোষিত ছিনিয়ৰ মাদ্ৰাছা ফলাফলত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিদ্যালয়ৰ লগতে অঞ্চলটোৰ গৌৰৱ কঢ়িয়াই আনিছে। বুধবাৰে বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ পৰা ২৯গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে এগৰাকী ছাত্ৰী ছেলিমা খানমে অসমৰ ভিতৰত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনে।

## গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন উপদেষ্টা হৰিশ চন্দ্ৰ ৰায়ৰ মৃত্যু

### বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও থানাৰ অন্তৰ্গত ২নং মাটিয়াপাৰা গাঁৱৰ বাসিন্দা তথা গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন উপদেষ্টা হৰিশ চন্দ্ৰ ৰায় বুধবাৰে ৭৭ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত নিজা ঘৰতে শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ খবৰ পাই অজস্ৰ গুণমুগ্ধই তেওঁৰ বাস ভৱনত ভিৰ কৰে। পিছত অজস্ৰ গুণমুগ্ধ তথা আত্মীয়-স্বজনৰ উপস্থিতিত স্থানীয় শ্মশানঘাটত অন্তিম সৎকাৰ সম্পন্ন কৰা হয়। উল্লেখ্য যে ১৯৪৫ চনত জন্মগ্ৰহণ কৰা প্ৰয়াত হৰিশ চন্দ্ৰ ৰায়ে উচ্চ মাধ্যমিক উত্তীৰ্ণ হোৱাৰ পিছত ১৯৬৫ চনত মাটিয়াপাৰা এল পি স্কুল প্ৰতিষ্ঠা কৰি ১৯৭০ চনলৈ প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰিছিল। তাৰ পিছত ১৯৭০ চনৰ পৰা সাপকাটা এম ই স্কুলত তিনি বছৰ শিক্ষকতা কৰিছিল। ইয়াৰ মাজতে ১৯৬৮ চনত মাটিয়াপাৰা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতিৰ আসনত অধিষ্ঠিত হৈ একেৰাহে ৩৫ বছৰ কাল ধৰি উক্ত সভাপতিৰ দায়িত্ব পালন কৰিছিল। পিছত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ গোসাঁইগাঁও জিলা কমিটীৰ দুটা কাৰ্যকালৰ বাবে উপ-সভাপতিৰ দায়িত্ব ভাৰ পালন কৰি শেষত জিলা কমিটীখনৰ উপদেষ্টা হিচাপেও নিৰ্বাচিত হৈছিল। তাৰ মাজতে ১৯৯১ চনত মাটিয়াপাৰা এম ই স্কুল আৰু ২০০৪ চনত বালাপাৰা এল পি স্কুলো তেওঁ প্ৰতিষ্ঠা কৰিছিল। তদুপৰি প্ৰয়াত হৰিশ চন্দ্ৰ ৰায়ে বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। মৃত্যুৰ সময়ত ৰায়ে পত্নী, তিনিজন ল'ৰা, দুজনী ছোৱালীৰ লগতে অজস্ৰ আত্মীয়-স্বজনক এৰি থৈ যায়। তেওঁৰ মৃত্যুত গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি বিমল চন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ ৰায়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মাটিয়াপাৰা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীয়েও ৰায়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ইপিনে অবিভক্ত গোৱালপাৰা জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰথ চন্দ্ৰ ৰায় আৰু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদ ৰঞ্জিত কুমাৰ ৰায়ে হৰিশ চন্দ্ৰ ৰায়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

## তামুলপুৰ জিলাৰ কেইবাখনো গাঁও বানৰ কবলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ জুন ঃ** তামুলপুৰ জিলাৰ কেইবাখনো গাঁও জলমগ্ন। কিছুদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ ফলত ভূটান পাহাৰৰ পৰা বৈ অহা মটঙা, পাগলাদিয়া আৰু বৰলীয়া নদীৰ জলস্তৰ বৃদ্ধি পোৱাত অধিক ভয়াৱহ হৈছে তামুলপুৰ জিলাৰ বান পৰিস্থিতি। তামুলপুৰ জিলাৰ হাঁহকাটা, বালাবাৰী, মাজদিয়া, ছাপাতল, চলিকন্দা, গুৱাকুছি, দ্বাৰকুছি, নিজ-ডেফেলী, কেকেৰীকুছি, বড়োলেণ্ড চ'ক আদি অধিকাংশ গাঁও বৰ্তমান বানপানীৰ কবলত। ইতিমধ্যে তামুলপুৰ জিলা প্ৰশাসনৰ লোকে বানাক্ৰান্ত লোকসকল উদ্ধাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি পুৱাৰ ভাগত জিলাখনৰ বানপৰিস্থিতি পৰিদৰ্শন কৰিছে বি টি আৰৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। বানৰ কবলত পৰা গাঁওসমূহত খাদ্যৰ নাটনিয়ে দেখা দিয়াত বানাক্ৰান্ত লোকৰ মাজত যথেষ্ট হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইপিনে নিশা পাগলাদিয়া নদীৰ পূব প্ৰান্তৰ থকা মাথাউৰি ভঙাৰ ফলত হাঁহকাটা, বালাবাৰী, গুৱাকুছি, চলিকান্দা আদি অঞ্চল প্লাৱিত হৈছে। আনহাতে, পাগলাদিয়া নদীৰ বাঢ়নী পানীয়ে তামুলপুৰ আৰু বাক্সা জিলাৰ সংযোগী পথৰ ওপৰেৰে পানী বৈ যোৱাত দুয়োখন জিলাৰ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। পাগলাদিয়া নদীৰ বাঢ়নী পানীয়ে পথ, মানুহৰ ঘৰ একাকাৰ কৰাৰ ফলত একাংশ লোক নিৰাপদ ঠাইলৈ ঢাপলি মেলিছে। পানীৰ ফলত বিশেষকৈ ক্ষতিগ্ৰস্ত হৈছে পশুধন, বিনষ্ট হৈ পৰিছে পথাৰৰ কঠীয়া। বানৰ কবলত পৰা অঞ্চলসমূহত খাদ্যৰ নাটনিৰ লগতে খোৱাপানীৰো অভাৱ ঘটিছে।




*বানপানীত ডুব গৈছে ৰঙিয়া থানাৰ পথ*

# চিকৰাজান জাতীয় বিদ্যালয়ৰ অভিনন্দন অনুষ্ঠান সম্পন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৭ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা ফলাফল ঘোষণা কৰাৰ পিছতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত এতিয়া সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ সমান্তৰালভাৱে ফিল'বাৰীৰ চিকৰাজান জাতীয় বিদ্যালয়য়ো এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ 32গৰাকী ছাত্ৰ-ছাত্ৰীক বিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জনায়। বিদ্যালয়ৰ শিক্ষক সুৰজিত খাটোৱালে আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে বালিজান মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক লক্ষণ চাৰিঙীয়া ফুকনে। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় বিদ্যালয়ৰ অধ্যক্ষ বৈদ্য বঢ়াই। সভাত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে সাৱলীলভাৱে বক্তব্য আগবঢ়াই সমাজ সেৱাক বিশিষ্ট নাট্যকাৰ ৰাজীৱ লোচন বৰাই। সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক মণ্টু চেতিয়াই বক্তব্য আগবঢ়োৱাৰ লগতে উক্ত সভাত ফিল'বাৰী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য মৃণাল শইকীয়া, বোকাপথাৰ চৰকাৰী গাঁওবুঢ়া ভদ্ৰকান্ত মৰাণ, সাংবাদকৰ্মী ৰাষ্ট্ৰ মৰাণ, সমাজ সেৱাক নয়নজ্যোতি চাৰিঙীয়া ফুকন, শিক্ষক সূৰ্য গগৈ সহিতে অভিভাৱকসকলে বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থাকে গণবাৰ্তা কাকতৰ সাংবাদিক ঘনশ্যাম চেত্ৰী, সমাজ সেৱক প্ৰমোদ মৰাণ, সাংস্কৃতিক কৰ্মী বলীন গোহাঁই, সমাজসেৱক ৰহেশ্বৰ বৰুৱা, শিক্ষক পৰাগ সোণোৱাল, উপস্থিত থকাৰ উপৰি বিদ্যালয়ৰ শিক্ষকসকল, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## বৰপেটাৰোড পৌৰ সভাৰ অন্তৰ্ভুক্ত পাইকাৰী শাক-পাচলি বজাৰৰ পয়া লগা অৱস্থা, নিৰ্বিকাৰ পৌৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১৭ জুন ঃ** বৰ্তমান বৰপেটাৰোড পৌৰ সভাৰ অন্তৰ্ভুক্ত ঠাইবোৰ যেন মহাসাগৰত পৰিণত হোৱা দেখা গৈছে। বৰপেটাৰোডত যিবোৰ নলা-নৰ্দমা বনাইছিল পৌৰ সভাৰ পৰা সেই সকলোবোৰ নলা-নৰ্দমা বৰ্তমান অৱস্থাত জাবৰ-জোঁথৰত বন্ধ। পানী যোৱাৰ কোনো ধৰণৰ ৰাস্তা নাই, ফলত কিছু বৰষুণ পৰাৰ লগে লগেই যেন সমগ্ৰ বৰপেটাৰোড চহৰ মহাসাগৰত পৰিণত হোৱা দেখা যায়। তাৰ লগতে অসমৰ ভিতৰত শ্ৰেষ্ঠ শাক-পাচলি বজাৰৰ পয়া লগা ছবি ফুটি উঠা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত কৃষকসকলে শাক-পাচলি বজাৰত আনি বিক্ৰীৰ বাবে ঠাই বিচাৰি পোৱা নাই। যাৰ ফলত কৃষকসকলে চৰম দুৰ্যোগত ভুগিব লগা হৈছে। বৰপেটাৰোডৰ পাইকাৰী শাক-পাচলি বজাৰৰ দুৰৱস্থাৰ কথা বহুবাৰ বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছে যদিও ইয়াৰ কোনো স্থায়ী সমাধান হোৱা দেখা নগ'ল। নতুনকৈ গঠিত হোৱা পৌৰ ৱাৰ্ড বিজেপিৰ দখলত বৰপেটাৰোড পৌৰ সভাৰ সভাপতিৰ নেতৃত্বত কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া হ'ব লক্ষণীয়।

## বৰঙাজুলিত বন্যহস্তীৰ আক্ৰমণত কিশোৰৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাও, ১৭ জুন ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত ৩নং বৰঙাজুলি ভাটিকুৱাত বন্যহস্তীৰ আক্ৰমণত বুধবাৰে নিশা ১৫ বছৰীয়া কিশোৰ এগৰাকীৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য মতে বৰনদী অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীৰ জাক এটাই নেৰানেপেৰা বৰষুণকো নেওচি ঘৰ-দুৱাৰ ভাঙি টেক বাহাদুৰ মিজাৰৰ পুত্ৰ ৰোহিত বাহাদুৰ মিজাৰক নৃশংসভাৱে হত্যা কৰি পেলাই থৈ যায়।

## পূব কাটহগুৰি জানপাৰ হাতেমীয়া প্ৰাথমিক বিদ্যালয়ৰ ভূমি বে-দখলৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৭ জুন ঃ** যি সময়ত বৰ্ত্তমান চৰকাৰখনে গুণোৎসৱ পাতি চৰকাৰী বিদ্যালয় সমূহলৈ আমূল পৰিবৰ্তন আনিছে ঠিক তাৰ বিপৰীতে একাংশ প্ৰধান শিক্ষকে বিদ্যালয়ৰ ভূমি অধিগ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত পূব কটহগুৰি জানপাৰ হাতেমীয়া প্ৰাথমিক বিদ্যালয়ত ভূমি বে-দখলৰ অভিযোগ উত্থাপিত কৰিছে উক্ত বিদ্যালয়ে খনৰ ভূমিদাতা তথা প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আব্দুল মটিনে।কটহ গুৰি পাম কিচামতৰ 163নং দাগৰ 267 পট্টাৰ 1বিঘা মাটি বিদ্যালয় নিৰ্মাণৰ নামত দান সূত্ৰে দিছিল। উল্লেখযোগ্য যে 2013 চনত বিদ্যালয়খন প্ৰাদেশিকীকৰণ হৈছিল। অভিযোগ আছিল যে, বিদ্যালয়খনৰ উত্তৰে 2.5 কঠা মাটি বৰ্তমান প্ৰধান শিক্ষক চামচুল হকে দখল সূত্ৰে নিজা খুড়া চান মিয়াক বিক্ৰী কৰাৰ অভিযোগ উঠিছে। তদুপৰি প্ৰধান শিক্ষকে 267 নং দাগৰ পৰিৱৰ্তে 268 দাগত বিদ্যালয়ৰ শৌচাগাৰ নিৰ্মাণ কৰি ভূমি দাতাৰ মাটি দখল কৰাৰ লগতে বাহৰ জেওৰা কাটি লণ্ড-ভণ্ড কৰা বুলিও অভিযোগ তুলিছে। আচলতে বিদালয় খনৰ নামত থকা 1বিঘা মাটি ক'ত গ'ল সেইয়া ৰহস্যৰ অৱৰ্তত। প্ৰকৃততে কোন সঁচা কোন মিছা সেয়া তদন্ততহে পোহৰলৈ আহিব। এই ক্ষেত্ৰত ভূমি দাতা আব্দুল মটিনে শিক্ষা মন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে।

## বিশ্বনাথত লক্ষীমন ধৰ্মগুৰুৰ ৭৬সংখ্যক আৱিৰ্ভাৱ তিথি 'কুৰু-চিংদুক' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১৭ জুন ঃ** সমগ্ৰ লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে আজি কাৰ্বি সমাজৰ লক্ষীমন ধৰ্মগুৰু লখন ইংতি হেনচেক দেৱৰ ৭৬ সংখ্যক আৱিৰ্ভাৱ তিথি অৰ্থাৎ "কুৰু-চিংদুক" সমগ্ৰ লক্ষীমন দ'ৱানসমূহত ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হৈছে। কেথম দ'ৱান লংৰি আমেইৰ প্ৰচাৰ সম্পাদক ৰামিন তিমুঙে জানিবলৈ দিয়ামতে ইয়াৰ সমান্তৰালকৈ উত্তৰ লুইত পাৰত অৱস্থিত লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ ককিলা, বালিজান, , বিশ্বনাথ জিলাৰ কমাৰজুলি, উত্তৰ কেকুৰীজান, চিৰাজুলি, বিহমাৰী, চেৰেলীয়া, মোনাবাৰী গ্ৰান্ট, তিনিসুঁতি, কলাপানী, ভৰালীজুলি, নাহৰবাৰী, শামুকজুলি আৰু বালিচাং লক্ষীমন দ'ৱানতো লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে গুৰুজনাৰ জন্ম তিথি উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ লগতে উক্ত তিথিৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেল-ধেমালি, কবিতা আবৃতি, চিত্ৰাংকণ আৰু নাচ-গান আদি কাৰ্যসূচী হাতত লয়। উল্লেখযোগ্য যে ১৯৪৬ চনৰ ১৬ জুন তাৰিখে কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত ২নং ড'লামৰাৰ বগাৰাম টক্‌বি নামৰ অতি পিছপৰা গাঁওখনত পিতৃ প্ৰয়াত পালম ইংতি হেনচেক আৰু মাতৃ প্ৰয়াত কাটু ৰংফাৰপীৰ সু-পুত্ৰ তথা ধৰ্মগুৰু কুৰুচাৰ লখন ইংতি হেনচেক দেৱে এক ঐশ্বৰীক গুণৰ অধিকাৰীপ্ৰাপ্তি হৈ জন্মগ্ৰহণ কৰি আধ্যাত্মিক জ্ঞান আৰু একতাৰ দোলেৰে কাৰ্বি সমাজখনক আগুৱাই নিয়াৰ স্বাৰ্থত লক্ষীমন ধৰ্ম প্ৰতিষ্ঠা কৰিছিল।

# থলুৱাবিৰোধী নীতি অ' এন জি চিৰ ঠিকাদাৰী বহিৰাগত কোম্পানী এপ'লৰ

## থলুৱা কৰ্মচাৰীক চাকৰিৰ পৰা ছাটাই কৰাৰ ষড়যন্ত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ জুন ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম, ( অ' এন জি চি ) ঠিকাদাৰী দৰব যোগানৰ বহিৰাগত প্ৰতিষ্ঠান এপল'ৰে অসমৰ থলুৱা ব্যৱসায়ীক মাধমাৰ শোধাই ব্যৱসায়ৰ প্ৰসাৰ চলাই অহা বুলি অভিযোগ উত্থাপিত হোৱাৰ সময়তে ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ একাংশ বিষয়াৰ বিৰুদ্ধে এইবাৰ থলুৱা কৰ্মচাৰীক কৰ্মৰ পৰা অব্যাহতি দিবলৈ ষড়যন্ত্ৰ চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে শেহতীয়াকৈ স্বাস্থ্য খণ্ডৰ লগত জড়িত প্ৰতিষ্ঠানটোৱে দেশৰ নৱৰত্ন প্ৰতিষ্ঠান অ' এন জি চিক প্ৰয়োজনীয় দৰব তথা স্বাস্থ্য সেৱাৰ বাবে আবণ্টন লাভ কৰিছিল। ইয়াৰ পূৰ্বে অ' এন জি চিক স্থানীয় একাংশ ফাৰ্মাচীয়ে উক্ত দৰবসমূহ যোগান ধৰি আহিছিল। স্থানীয় ফাৰ্মাচী ব্যৱসায়ীসকলে থলুৱাক বঞ্চিত কৰি বহিৰাগত প্ৰতিষ্ঠান এপল'ক দৰব যোগানৰ বাবে অ' এন জি চিয়ে অনুমতি দিয়াত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ পিছতো এপল'ৰে উক্ত কামৰ আবণ্টন লাভ কৰে। কিন্তু শেহতীয়াকৈ শিৱসাগৰ জিলাৰ নাজিৰাৰ অ' এন জি চি আৱাসিক এলেকাত থকা এপল' ফাৰ্মাচীত নতুনকৈ কৰ্মৰত এজন কৰ্মচাৰীক প্ৰতিষ্ঠানটোৰ পৰা ছাটাই কৰাৰ অভিসন্ধি চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, চলিত বৰ্ষৰ ১৭ জুনত নাজিৰাৰ অমনদীপ সিং ভাৰ্জ নামৰ যুৱকজনে নীতি-নিয়মেৰে ইণ্টাৰভিউ দি প্ৰতিষ্ঠানটোত কৰ্মত যোগদান কৰে। কিন্তু হঠাৎ যোৱা ৪ জুনত কৰ্মচাৰীজনে কৰ্মস্থলীত উপস্থিত হোৱাৰ পিছত প্ৰতিষ্ঠানটোৰ ঊৰ্দ্ধতন বিষয়া সুমিত চন্দাই কৰ্মচাৰীজনক মদ্যপান কৰি কৰ্তব্যত উপস্থিত হোৱা বুলি অভিযোগ তোলে। যুৱকজনে উক্ত অভিযোগ দৃঢ়তাৰে প্ৰত্যাখ্যান কৰাত বহিৰাগত বিষয়াজনে ঊৰ্দ্ধতন কৰ্তৃপক্ষক অভিযোগ দাখিল কৰে। লগে লগে এপল'ৰ বিষয়াজনে নীতিবহিৰ্ভূতভাৱে অমনদীপ সিং ভাৰ্জক মদ্যপান কৰি অহা বুলি স্বীকাৰ কৰি এখন লিখিত দিবলৈ নিৰ্দেশ দিয়ে। প্ৰথমতে কৰ্মচাৰীজনে লিখিত দিবলৈ অস্বীকাৰ কৰাত বিষয়াজনে মানসিকভাৱে হাৰাশাস্তি কৰি বলপূৰ্বকভাৱে কৰ্মচাৰীজনক মদ্যপান কৰা বুলি নিজহাতে লিখিবলৈ বাধ্য কৰায়। পৰৱৰ্তী সময়ত যুৱকজনক পুনৰ কৰ্মস্থলীলৈ নমতালৈকে কৰ্মস্থলী ত্যাগ কৰিবলৈ বাধ্য কৰাই বিষয়াজনে। কিন্তু আশ্চৰ্যজনকভাৱে কৰ্মচাৰীজনৰ কোনো ধৰণৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা নকৰি কেৱল মিছা অভিযোগৰ ভিত্তিতে এপল'ৰ বিষয়াজনে লোৱা এই সিদ্ধান্তই থলুৱাবিৰোধী স্থিতিক স্পষ্ট কৰি তোলে। ইফালে কোনো ধৰণৰ সতৰ্কতামূলক নিৰ্দেশ নিদি কৰ্মস্থলী ত্যাগ কৰিবলৈ বাধ্য কৰোৱাত আচৰিত হৈ পৰে কৰ্মচাৰীজন। মিছা অপবাদ দি থলুৱাবিৰোধী চক্ৰটোৱে কৰ্মচাৰীজনক কৰ্মস্থলী ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছত কৰ্মচাৰীজনে মদ্যপান নকৰাকৈয়ে কৰ্তব্যত উপস্থিত হোৱা প্ৰমাণ কৰিবলৈ লগে লগে নাজিৰাৰ লিগিৰী পুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়লৈ গৈ নিজৰ স্বাস্থ্য পৰীক্ষা কৰোৱাত কৰ্মচাৰীজনৰ দেহত এলকহলৰ অৱস্থিতি ধৰা নপৰাত সকলো কথা জলজল পটপটকৈ ওলাই পৰে। এনেদৰে এপল' নামৰ কোম্পানীটোৱে অ' এন জি চিৰ একাংশ থলুৱাবিৰোধী বিষয়াৰ সহযোগত থলুৱা ফাৰ্মাচীসকলৰ পৰা দৰব যোগানৰ ঠিকা হস্তগত কৰাই নহয় কৰ্মৰত থলুৱা যুৱকক মিছা অপবাদ দি চাকৰিৰ পৰা ছাটাই কৰাৰ কু- অভিসন্ধি চলোৱা কাৰ্যই সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

No.SMKCH/NAL/22

**NOTICE INVITING QUOTATION**

Sealed quotation affixing non refundable court Fee stamp of Rs. 8.25 (Rupees eight and paisa twenty five) only from Supplier and Quotationer are invited for procurement of Biometric device for AYUSHMAN BHARAT & ATAL AMRIT ABHIYAAN of SMK Civil Hospital. Nalbari, will be Received in the Office Chamber of Superintendent, SMK Civil Hospital, Nalbari up to 22 June 2022 and will be opened at the same place and date at 3 pm in presence of the quotationer or their authorized agents. If the date of Receiving of the tender happens to be unforeseen Bandh/holiday the quotation will be received/ opened on the next working day at the same time and place.

Place of Delivery articles- Office of the Superintendent, SMK Civil Hospital, Nalbari.

**Terms and Conditions:**

1. Quotationers are to submit quotation along with up to date copy of GST Certrficate, PAN Card/Trade Licence.
2. The Quotationer should quote their rates with figure incl. All taxes are applicable.
3. Quotation which shall not be as per requirement of the NIQ shall be treated as cancelled.
4. Illegible Quotation will be treated as cancelled.
5. The undersigned reserved to right to reject/accept quotation without assigning any reason thereof.
6. The materials will be checked by the undersigned or any authorised officer officer of the department at the time of receipt.
7. Payment will be made subject to availability of the fund by through RTGS/PFMS to the Individual account only after deduction of necessary taxes as may be applicable.
8. The quotationer or tenderer will submit their quotation at the tender box placed at the Office of the Superintendent, SMK Civil Hospital. Nalbari up to 22nd June, 2022 up to 2.00 PM.
9. The tender specification of Bio- metric devices Is enclosed at Notice board of SMKCH.

Sd/-
Superintendent
SMK Civil Hospital, Nalbari

Janasanyog /C/4921/22

## চতিয়াৰ ভোজমাৰীত ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ খহনীয়া

### নৈৰ বুকুত জাহ গ'ল মছজিদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৭ জুন ঃ** বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত দক্ষিণ চতিয়াত ব্ৰহ্মপুত্ৰৰ খহনীয়াই তীব্ৰ ৰূপ ধৰা পৰিলক্ষিত হৈছে । যোৱাকেইদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ । বিশ্বনাথ-পাণপুৰ মথাউৰিৰ কাষৰীয়া ভোজমাৰীত খহনীয়াত জাহ গৈছে ২নং ভোজমাৰী ৰাজহ গাঁৱৰ খেতিপথাৰৰ লগতে এটা মছজিদ আৰু কবৰস্থান। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ সময়তো জলসম্পদ বিভাগৰ কোনো তৎপৰতা দেখা নোপোৱাত ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ লোকসকল। ভোজমাৰীৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে বিশ্বনাথ আৰু চতিয়া সমষ্টিৰ ৰক্ষা কবচস্বৰূপ বিশ্বনাথ পাণপুৰ মথাউৰিলৈ। ইতিমধ্যেই নদীখন মথাউৰিৰ কাষ চাপি অহাত আতংকিত হৈ পৰিছে অঞ্চলটোৰ লোকসকল। ২০১২ চনত বিশ্বনাথ-পাণপুৰ মথাউৰি বানে ভাঙি পেলোৱাত অঞ্চলটোত অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছিল। খহনীয়া ৰোধ কৰিব নোৱৰাটো জলসম্পদ বিভাগৰ হেমাহি আৰু চৰকাৰৰ চৰম অমনোযোগিতাৰ পৰিচায়ক বুলি অভিযোগ তুলিছে স্থানীয় ৰাইজৰ লগতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ আৰু নেমছুৱে। শীঘ্ৰেই খহনীয়া ৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ অসম চৰকাৰ তথা জলসম্পদ বিভাগক দাবী জনাইছে অঞ্চলটোৰ দল-সংগঠনে।

### পশ্চিম নলবাৰী বিভিন্ন অঞ্চল পুনৰ বানৰ কবলত

# নলবাৰী-সৰ্থেবাৰী-পল্লা পথকে ধৰি চামতা-কেঠালকুছি পথচোৱা সম্পূৰ্ণৰূপে পানীৰ তলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৭ জুন ঃ** আকৌ দ্বিতীয়টো বানৰ কবলত পশ্চিম নলবাৰী বিভিন্ন অঞ্চল। যোৱা কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত বুঢ়াদিয়াকে ধৰি মৰাপাগলা দিয়া, কানাই খুন্দা আদি নৈসমূহত পানী ফেনেফোটোকাৰে বাঢ়ি ঠায়ে ঠায়ে ৰাস্তাঘাত, বজাৰ, পল্লাপথ, বিদ্যালয় আদি পানীয়ে বুৰাই পেলায়। কালিৰ পৰা বুঢ়াদিয়া নৈৰ বাঢ়নী পানীয়ে খাটা ৰূপীয়াবাথান, নদলা বজাৰখন সম্পূৰ্ণৰূপে বুৰাই পেলাইছে। চামতা-কৈঠালকুছি-পল্লা পথছোৱাৰ ওপৰেৰে চামতা মটৰষ্টেণ্ডৰ পৰা প্ৰায় ছয় কিলোমাটাৰ কালোপাৰালৈকে ৰাস্তাৰ ওপৰেৰে পানীৰ সোঁত বৈ থকাত যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে। ইফালে বুঢ়াদিয়া নৈৰ বুকুত স্থাপিত কুলবিল ঘাট ৰাজহুৱা শিৱালয়খনো সম্পূৰ্ণ পানীয়ে বুৰাই পেলোৱাত কেৱল মহাপ্ৰভু থকা ঠাইখিনিহে কেনেবাকৈ পানীৰ পৰা বাছি আছে। ইফালে খাটা ৰূপীয়াবাথান কুলবিল হিৰাপাৰাৰ মৃতশিল্পীসকলৰ প্ৰায় শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ পানীয়ে বুৰাই পেলোৱাত ঘৰবাৰী এৰি বিভিন্ন ওখ ঠাইত গৈ আশ্ৰয় লৈছে। আৰু বানপানীৰ বাবে মাটিৰে নিৰ্মাণ কৰি থকা সকলো বস্তু এতিয়া পানীয়ে নষ্ট কৰাৰ লগতে অধিক বস্তু পানীয়ে উটুৱাই লৈ যোৱাত বিস্তৰ ক্ষতি সাধন কৰে। অনুৰূপ ধৰণে নলবাৰী-সৰ্থেবাৰী-পল্লা পথৰ জামৰতল, চামতা মটৰষ্টেণ্ড, পল্লা পথৰ পৰা চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ যোৱা পথছোৱা প্ৰায় একাঁঠু পানীৰ তলত থকাত যাতায়াত ব্যাহত হোৱাৰ উপৰি ঐতিহ্যমণ্ডিত চামতা ছোৱালী হাইস্কুল, খাটা ৰূপীয়াবাথান কুলবিল হিৰাপাৰা হৈ কৈঠালকুছিলৈ যোৱা পথছোৱা সম্পূৰ্ণ পানীৰ তল যায়। তদুপৰি কুলবিল ঘাট ৰাজহুৱা শিৱালয়ৰ পৰা লখোপুৰলৈ যোৱা বুঢ়াদিয়া নৈৰ মথাউৰিটো মন্দিৰৰ পৰা প্ৰায় ২০০ ফুট আঁতৰত ছিঙি যোৱাৰ পূৰ্ণ সম্ভাৱনা দেখা গৈছে। এফালৰ পৰা খহি খহি যোৱাত চৰকাৰৰ ই এন ডি বিভাগৰ তৰফৰ পৰা পহৰা দি আছে যদিও অতি ভয়ানক পৰিস্থিতিত থকা দেখা যায়। লগতে আমনি বাবাৰ থানৰ ওচৰত যোৱাটো বানপানীৰ পৰাই মথাউৰিটো অতি সংকটজনকভাৱে আছে। কিছুদিন আগতে উক্ত মথাউৰিটোৰ কাষত জলসম্পদ বিভাগৰ তৰফৰ পৰা ততাতৈয়াকৈ বাঁহেৰে চাৰি ঠাইত পাৰ্কুপাইন বহুৱাইছে যদিও যি কোনো মুহূৰ্ততে মথাউৰিটো ছিঙি গৈ আমনি অঞ্চলৰ কেইবাখনো গাঁৱৰ অনিষ্ট সাধন কৰিব। অঞ্চলটোৰ ৰাইজৰ এতিয়া চকুত টোপনি নোহোৱা হৈছে।



## আহাৰ মহীয়া বানপানীত প্লাৱিত খাউৰাং

### বানৰ কবলত বুৰ গ'ল খেতিয়কৰ কঠিয়াতলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ১৭ জুন ঃ** নেৰানেপেৰা বৰষুণৰ ফলত বিভিন্ন ঠাইত বানপানীয়ে ক্ষতিগ্ৰস্ত কৰাৰ সময়তে ওদালগুৰিৰ উত্তৰে অৱস্থিত বৃহত্তৰ খাউৰাং অঞ্চলৰ বিভিন্ন ঠাইত আহাৰমহীয়া বানপানীয়ে ক্ষতিগ্ৰস্ত কৰাৰ ফলত জনসাধাৰণৰ ভীষণ সমস্যা দেখা গৈছে। বিশেষকৈ খেতিয়ক ৰাইজে ৰুবলৈ ঠিক কৰা কঠীয়াতলী পানীত বুৰ যোৱাৰ ফলত খেতিয়কৰ ভীষণ সমস্যা হোৱাৰ লগতে ভূটানৰ পৰা বৈ অহা খাউৰাং নদীৰ খৰস্ৰোতা পানীয়ে সমগ্ৰ খাউৰাং অঞ্চল প্লাৱিত কৰাৰ লগতে ৰাইজে খেতিপথাৰলৈ পানী আনিবলৈ খান্দি অনা ডোংবোৰ অত্যধিক পানীৰ কোবালত ভাঙি যোৱাত পুনৰ ডোং নিৰ্মাণ কৰিবলৈ ৰাইজ সক্ষম নোহোৱা হৈছে। ইপিনে বৃহত্তৰ খাউৰাং অঞ্চলৰ মহেন্দ্ৰপুৰত ঘৰে ঘৰে পানী সোমোৱাত গৰু, ছাগলী আদি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে খাউৰাং গাৰোবস্তি পথত একাঁঠু পানী জমা হৈ যাতায়াতৰ সমস্যা দেখা গৈছে। খাউৰাং বডিগাঁও-পাক্ৰিবাৰী পথৰ ওপৰতো পানী উঠাৰ ফলত যিকোনো সময়তে ৰাস্তা ছিঙিব পাৰে তাৰ বাবে ৰাইজ চিন্তিত হৈ পৰিছে। মহেন্দ্ৰপুৰ গাঁৱৰ পৰা মহেন্দ্ৰপুৰ প্ৰাথমিক বিদ্যালয়লৈ যোৱা পথৰ ওপৰৰ পৰা বানপানী বৈ যোৱাত ছাত্ৰ-ছাত্ৰীৰ অহা-যোৱাত সমস্যাৰ সৃষ্টি হৈছে। সেয়েহে বিভাগীয় কৰ্তৃপক্ষই শীঘ্ৰে ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ লৈ ৰাইজক সহায় কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## তামুলপুৰৰ বান পৰিস্থিতি সম্পৰ্কত তামুলপুৰ মহকুমা আছুৰ উপায়ুক্তক স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ জুন ঃ** তামুলপুৰ জিলাৰ বিভিন্ন অঞ্চলত হোৱা বানপানীৰ পৰিপ্ৰেক্ষিতত আজি সদৌ বাক্সা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ডুলুজিৎ দাস আৰু শিক্ষা সম্পাদক অজয় বড়োৰ নেতৃত্বত তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এটি দলে বানপীড়িত ঠাইসমূহ পৰিদৰ্শন কৰি তামুলপুৰ জিলাৰ উপায়ুক্তক নিম্নলিখিত সমস্যাসমূহ সমাধানৰ বাবে এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। বানপীড়িত এলেকা পৰিদৰ্শন কালত তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক অনুপ কলিতা, তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক উৎপল হালৈ, উপ-সভাপতি প্ৰাঞ্জল দাস, দক্ষিণ ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়দেৱ দাসকে আদি কৰি ভালেকেইগৰাকী ছাত্ৰ সন্থাৰ কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে তামুলপুৰ জিলাৰ প্ৰায় ৪২খন গাঁৱৰ প্ৰায় ৩৮ হাজাৰ লোক এই বানৰ দ্বাৰা প্ৰভাৱিত হৈছে। বানপীড়িত এলেকাৰ স্পৰ্শকাতৰ অঞ্চলসমূহত শীঘ্ৰে আশ্ৰয় শিবিৰ স্থাপন কৰাৰ লগতে অন্যান্য প্ৰান্তত প্ৰয়োজনীয় খাদ্য-সামগ্ৰীৰ ব্যৱস্থা কৰা, পশুধনৰ আহাৰৰ ব্যৱস্থা কৰা, বিনষ্ট হৈ পৰা কৃষিভূমিৰ কৃষকক ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবী জনাই মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ পাটোৱাৰী আৰু সম্পাদক অনুপ কলিতা স্বাক্ষৰিত এই স্মাৰক-পত্ৰ প্ৰদান কৰে।

## পথত দ দ গাঁত, ৰাইজৰ বিলৈ, কাণসাৰ নাই জনপ্ৰতিনিধিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৭ জুন ঃ** পথ নে পুখুৰী ধৰিব নোৱৰা এটা অতি ব্যস্ত পথ। এই পথেৰে প্ৰতিদিনে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীকে ধৰি দিন হাজিৰা কৰা মানুহ পাৰ হৈ যায় নিজৰ জীৱনক তুচ্ছ কৰি। জনসাধাৰণৰ জীৱন দুৰ্বিষহ কৰি তোলা এই পথটো আছে নগাঁও জিলাৰ বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টি সংযোগী ৰাইদঙীয়া-ডিমৌ সংযোগী পথ। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ ঘৰৰ কাষৰ এই পথটোত আছে মাছ পুহিব পৰাকৈ পুখুৰীসদৃশ গাঁত। সৰ্বসাধাৰণ পথচাৰী ৰাইজে খাইছে এতিয়া জলা-কলা। উল্লেখ্য যে পথটিৰ আধা অংশ ৰহা সমষ্টিৰ হোৱাৰ বিপৰীতে আধা অংশ বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত। বটদ্ৰৱা সমষ্টিৰ অংশটি প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাৰ কাৰ্যকালত নিৰ্মাণ কৰিলে যদিও ৰহা সমষ্টিৰ অন্তৰ্গত অংশটি সামান্যতমো মেৰামতি নকৰিলে প্ৰাক্তন বিধায়ক ডিম্বেশ্বৰ দাসে। বৰ্তমানো কেইটামান শিলগুটি আৰু মাটি পেলায় দায়িত্ব সামৰিলে ৰহাৰ বিধায়ক শশীকান্ত দাসে। আনহাতে, স্থানীয় ৰাইজে নিজৰ ভিতৰতে ধন সংগ্ৰহ কৰি ডিজেল পাম্পৰে পথৰ পানী সিঁচি পথটি যাতায়াতৰ বাবে সুচল কৰিবলগীয়াও হৈছিল বহুবাৰ। তাৎপৰ্যপূৰ্ণ কথা যে পথটিৰ এনে বিধ্বস্ত ৰূপৰ বাবে পূৰ্বতে বহুবাৰ শেতালি অঞ্চলৰ ৰাইজে পথ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। গুৱাহাটী বা নামনি অসমৰ পৰা অহা যাত্ৰী বা পৰ্যটকে এই পথেৰে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱালৈ যাতায়াত কৰে। বটদ্ৰৱালৈ যাত্ৰী বা পৰ্যটকসকলৰ বাবে এই পথটি চমু হোৱা বাবে ইয়াক বহুতে 'বটদ্ৰৱা বাইপাছ' বুলি কয়। সেয়েহে অঞ্চলবাসী ৰাইজে বৰ্তমানৰ ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ লগতে চৰকাৰী পক্ষক উক্ত পথটো মেৰামতি বাবে গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

## বৰগাং নিম্ন প্ৰাথমিক বিদ্যালয়ৰ চৌহদ জলমগ্ন

### পথ নিৰ্মাণ সংস্থাৰ অমনোযোগিতাৰ অভিযোগ

বিহালী - ১৭ জুনঞ্চ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিশৰীয়া নিৰ্মাণৰ হেমাহীৰ বাবে বিহালীৰ বৰগাং নিম্ন প্ৰাথমিক বিদ্যালয়ৰ চৌহদ জলমগ্ন হোৱাৰ অভিযোগ উত্থাপিত হৈছে। চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সংস্থাই পথ নিৰ্মাণৰ কাৰণে ঘাইপথ খণ্ডাৰ ফলত পথ নিৰ্মাণ নকৰাঞ্জ অংশ সমূহ দ গাতৰ হৈ পৰি ৰৈছে। নিৰ্মাণ সংস্থাটোৱে ঘাইপথ নিৰ্মাণ কৰিছে যদিও বিদ্যালয়ৰ সন্মুখ অংশ এৰি আগলৈ নিৰ্মাণ কৰি গৈছে। ফলত আজি কেইবাবছৰ ধৰি বিদ্যালয়ৰ সন্মুখ অংশটো খাল হৈয়ে থাকি যায়। বৰ্তমান নেৰানেপেৰা বৰষুণৰ ফলত পথৰ পানী সমূহ সেই অংশতে জমা হৈ বিদ্যালয়ৰ চৌহদলৈ বাগৰি গৈ বিদ্যালয় খনত একাঠুৰ ওপৰলৈকে জলমগ্ন হৈ আছে। বিদ্যালয় পৰিচালনা সমিতি আৰু শিক্ষক সকলে ঘাইপথ নিৰ্মাণকাৰী সংস্থাৰ বিষয়ববীয়াক ১১ জুন তাৰিখে অভিযোগ কৰাত নিৰ্মাণ সংস্থাটোৱে বিদ্যালয়ৰ চৌহদত সামান্য মাটি পেলায়ে দায়িত্ব সামৰে। নিৰ্মাণকাৰী সংস্থাটোৰ এনে অবিবেচক কাণ্ডৰ বাবেই বৰ্তমান বিদ্যালয় খনত ছাত্ৰ ছাত্ৰী আৰু শিক্ষক সকলে দুৰ্ভোগ ভূগীব লগীয়া হোৱাৰ অভিযোগ উত্থাপন কৰিছে। পথ নিৰ্মাণকাৰী সংস্থাৰ লগতে প্ৰশাসনে এইক্ষেত্ৰত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় লোকে।

## গোসাইগাঁৱত উপযুক্ত দলঙৰ অভাৱত জ্বলা-কলা খুৱাইছে ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজক



**দৈনন্দন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৭ জুন ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ এখন ফোঁপেলা ছবি। উপযুক্ত দলং নথকাৰ বাবে বিপদ সংকুলভাৱে নিতৌ যাতায়াত কৰিবলগীয়া হৈছিল অঞ্চলৰ ৰাইজ। গোসাঁইগাঁও মদাতী দলখন ৰাইজে নিজৰ গাঁঠিৰ ধনেৰে এখন বাঁহৰ দলং নিৰ্মাণ কৰিছিল যদিও কেইবাদিন ধাৰাসাৰ বৰষুণত বাঁহৰ দলংখন উটুৱাই লৈ যায় কৃত্ৰিম বানপানীয়ে। গোসাঁইগাঁৱৰ বাবুবিল মদাতী দলংখনৰে মদাতী, লালপাৰা, থুৰিবাৰী, হংসবিল, কুৰীয়াবস্তি, হালগৰা অঞ্চলৰ গাঁওবাসীৰ লগতে উক্ত অঞ্চলৰ কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে একমাত্ৰ দলংখনেৰে যাতায়াত কৰিছিল। ধাৰাসাৰ বৰষুণত উটুৱাই লৈ যোৱাত বিপদসংকুলভাৱে ৰে'লৰ দলঙেৰে পাৰ হ'বলগীয়া হৈছে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। বছৰ বছৰ ধৰি এনেদৰে পৰিত্যক্ত অৱস্থাত মৰণ ফান্দত যাতায়াত কৰি আহিছে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলৰ ৰাইজ। এখন ভাল দলং নথকাৰ বাবে যাব নোৱাৰে এম্বুলেঞ্চ। ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত বছৰ বছৰ ধৰি বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হৈ আহিছে। গাঁওখনৰ ৰাইজে অভিযোগ কৰা মতে চৰকাৰক আৱেদন কৰাৰ পিছতো কাণসাৰ নাই মন্ত্ৰী তথা বিভাগীয় কৰ্তৃপক্ষৰ। অঞ্চলৰ ৰাইজে যাতায়াত কৰা দলংখন নিৰ্মাণ কৰাৰ বাবে বিটিচি চৰকাৰক দাবী জনাইছে সচেতন মহলে।

## দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ নৈপৰীয়া অঞ্চলৰ শতাধিক গাঁও জলমগ্ন

### ব্ৰহ্মপুত্ৰৰ বিপদ সীমাৰ ওপৰত পানী ২৮ ছেণ্টিমিটাৰ কেইবাশ হে''ৰ মৰাপাটৰ খেতি পানীৰ তলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ১৭ জুন ঃ** সমগ্ৰ অসমৰ লগতে দঃ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন অঞ্চলত মহাবাহু ব্ৰহ্মপুত্ৰৰ নদীৰ জলপৃষ্ঠ বিপদসীমাৰ ওপৰত অহাত জিলাখনৰ শতাধিক গাঁও জলমগ্ন হৈছে। জানিব পৰা মতে যোৱা ৯ দিন ধৰি নেৰা-নেপেৰা মুষলধাৰ বৰষুণৰ ফলত কালি উজনি অসমৰ জলবিদ্যুতৰ বান্ধৰ পানীৰ গেট খুলি দিয়াত দুদিনৰ ভিতৰতে দক্ষিণ শালমাৰা সমষ্টিৰ ফকিৰগঞ্জৰ, আইৰকাটাৰ, টুমনী, পাটাকাটা, হাজিৰহাট, সুখচৰ, মলাখোৱা, বৰাইৰ আলগা, মালিৰ আলগা, শান্তিপুৰ, চৰকাশাৰীপাৰা আদিকে ধৰি বিভিন্ন ঠাইত জলমগ্ন হোৱাৰ ফলত সাধাৰণ মানুহৰ জীৱন ধাৰণৰ বহু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইপিনে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ ফলত জিলাখনত কেইবাশ হেক্টৰ কৃষকৰ মৰাপাটৰ খেতি পানীৰ তলত। ফলত চিন্তিত হৈছে কৃষকসকলে। ইয়াৰ উপৰি বাঢ়নী পানীৰ সোঁত বৃদ্ধি হোৱাত ভাৰত-বাংলাদেশ সীমান্তৰ কালাইৰ আলগাৰ সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰৰ ওপৰত খহনীয়াৰ ভাবুকি ইতিমধ্যে আহিছে। যি হাৰত জলপৃষ্ঠ বৃদ্ধি হৈ আছে আৰু দুই-তিনি দিন বৃদ্ধি হ'লে কাঁইটীয়া তাঁৰৰ বেৰ নদীৰ গৰ্ভত বিলীন হ'ব সেয়া নিশ্চিত। গতিকে দেশৰ সুৰক্ষাৰ ওপৰত লক্ষ্য ৰাখি চৰকাৰে সময় থাকোতেই কাঁইটীয়া তাঁৰৰ বেৰ খহনীয়াৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ যুদ্ধকালীনভাৱে প্ৰটেকচনৰ ব্যৱস্থা লোৱাৰ বাবে দাবী জনায় স্থানীয় ৰাইজে। কেনেবাকৈ যদি কাঁইটীয়া তাঁৰৰ বেৰ ভাঙি-ছিঙি যায় তেন্তে অসমৰ লগত জিলাখনৰ কোনো মানচিত্ৰ নাথাকে। কিয়নো ওচৰতে বাংলাদেশ। ইপিনে জিলাখনৰ ২১নং মানকাচাৰ সমষ্টিৰ পূৰ্বাঞ্চলৰ কালাপানী, বাঘাপাৰা, তেলডালা, টেবলপাৰা, বাংটীমাৰী, চেমৰাগুৰি, ৰঘুপাৰা, ঝালৰচৰ, কাকৰীপাৰা, অসামকাটা আদি অঞ্চলত আজি ১০ দিন ধৰি মেঘালয়ৰ ধলৰ পানী প্ৰৱেশ কৰাত বহু গাঁৱত জলমগ্ন।

## কলিৰাম দত্তৰ বিয়োগত ব্ৰহ্মপুত্ৰ অঞ্চলত শোকৰ ছাঁ

দৈনন্দিন বাৰ্তাৰ সেৱা; দেৰগাঁও, ১৬ জুন গোলাঘাট জিলাৰ দেৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কৰৈয়নী ভকত গাঁৱৰ নিবাসী বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত বিশিষ্ট সমাজকৰ্মী কলিৰাম দত্ত(৮৫)ৰ কালি নিজা বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপত ভুগি থকা দত্ত কৰৈয়নী অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ জন্মলগ্নৰ লগত ওতপ্ৰোত ভাবে জড়িত আছিল। অতি অমায়িক ধৰ্ম প্ৰান লোকজনৰ মৃত্যুত ব্ৰহ্মপুত্ৰ অঞ্চলত শোকৰ ছাঁ পৰিছে ।তেখেতৰ মৃত্যুত অঞ্চলটোৰ বিশেষকৈ কৰৈয়নী উচ্চ মাধ্যমিক বিদ্যালয়, কৰৈয়নী প্ৰাথমিক বিদ্যালয়, জৰাগুৰি দুৰ্গাবাড়ী পূজা সমিতি, কৰৈয়নী যুৱ সংঘ আদি বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰে। তেখেতে মৃত্যুৰ সময়ত চাৰি পুত্ৰ, পুত্ৰ-বোৱাৰী, পত্নী, নাতি-নাতিনীৰ লগতে অনেক আত্মীয়-কুটুম্ব এৰি থৈ যায়।

## ধীৰেন বৰিৰ মৃত্যুত শোক

দৈনন্দিন বাৰ্তা সেৱা,মহুৰামুখ,১৬ জুন :: বোকাখাত মহকুমা মহুৰা মৌজাৰ অন্তৰ্গত ১নং অফলা গাঁৱৰ নিবাসী ধীৰেন বৰি (২৯)ৰ অকাল মত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ৰোগগ্ৰস্ত ধীৰেন যোৰহাট মেডিকেল কলেজ হস্পিতালত চিকিৎসাধীন হৈ আছিল যদিও উন্নত চিকিৎসাৰ কাৰণে আন চিকিৎসালয়লৈ নিয়াৰ পথত নিশা অকাল মৃত্যুক আঁকোৱালি লয় ধীৰেনে। ধীৰেনে মত্যুৰ সময়ত পত্নী, এজন ল'ৰা আৰু এগৰাকী কন্যাক এৰি থৈ যায়।

## তেজপুৰ বালিপৰাত দ্বিতীয় দিনাও বানৰ সংহাৰী ৰূপ অব্যাহত

### জীয়াভৰলী নদীত পৰি এজন সন্ধানহীন


**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৭ জুন ঃ** শোণিতপুৰৰ তেজপুৰ বালিপৰাত দ্বিতীয় দিনাও বানৰ সংহাৰী ৰূপ অব্যাহত। তেজপুৰ জীয়াভৰলী নদীত পৰি এজন সন্ধানহীন। তেজপুৰ জীয়া ভৰলী নদীত অঘটন। নদীৰ বুকুত খৰি ধৰিবলৈ যোৱা চাৰিজন লোকৰ নাৱৰ পৰা পৰি এজন লোক সন্ধানহীন। তেজপুৰ ৰাজহ চক্ৰৰ অধীনত বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত কুৰুকানি অঞ্চলত জীয়া ভৰলী নদীত নাৱৰ পৰা বাগৰি চৈদুল ইছলাম নামৰ যুৱকজনৰ সন্ধানহীন হৈ আছে বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে নৈৰ পাৰত অভিযান অব্যাহত ৰাখিছে। অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুমিতা দাসে জনায় যে নদীৰ বুকুত খৰি ধৰিবলৈ যাওঁতে পানীত পৰি যায় লোকজন। ইতিমধ্যে এছ ডি আৰ এফে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। অপৰিৱৰ্তিত ৰাজ্যৰ বান পৰিস্থিতি (Flood in Assam-2022)।ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লেখীয়াকৈ বছৰৰ দ্বিতীয়টো বানে বিশ্বনাথৰ ভিন্ন প্ৰান্তত ধাৰণ কৰিছে সংহাৰী ৰূপ (Flood in Biswanath) । বিগত কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বাঢ়ি অহা জৰাসৰ নৈৰ বাঢ়নী পানীয়ে বৃহস্পতিবাৰে পুৱতি নিশাই বুৰাই পেলাইছে বিশ্বনাথৰ বালিপৰাৰ কেইবাখনো গাঁও (Flood at Balipara)। চাৰিদুৱাৰ ৰাজহ চক্ৰৰ দীঘলী বালিজান, উদমাৰী গাঁও, ঢেকেৰী গাঁও, এৰাগাঁও আদিকে ধৰি বহুকেইখন গাঁৱৰ কেইবা সহস্ৰাধিক লোক আবদ্ধ হৈ পৰিছে এই বানত। লগতে এই বানে বুৰাই পেলাইছে বালিপৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰও। ফলত এই স্বাস্থ্য কেন্দ্ৰটোৰ পৰা ততাতৈয়াকৈ প্ৰসূতি ৰোগীসকলক চাৰিদুৱাৰ স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে বানত আবদ্ধ হৈ পৰা ৰাইজক SDRF বাহিনীৰ দ্বাৰা উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইফালে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথটোত এবুকু পৰ্যন্ত পানী হোৱাত যাতায়াতৰ ক্ষেত্ৰতো প্ৰবল ভাবুকিৰ সন্মুখীন হ'ব লগাত পৰিছে জনসাধাৰণ। বালিপৰাত দ্বিতীয় দিনাও বানৰ সংহাৰী ৰূপ অব্যাহত। বালিপৰাত বানত আবদ্ধ লোকক এন ডি আৰ এফ বাহিনীৰ উদ্ধাৰ অভিযান অব্যাহত। বালিপৰাত বানপানীত আবদ্ধ লোকক উদ্ধাৰ অভিযানত এন ডি আৰ এফ বাহিনী। আনহাতে, বানপানী পৰিভ্ৰমণ কৰি বানাক্ৰান্ত লোকক উদ্ধাৰ আৰু বুজ লয় সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাঁতীয়ে। বালিপৰাত বানপানীত আবদ্ধ লোকক উদ্ধাৰ অভিযানত এন ডি আৰ এফ বাহিনীৰ সৈতে আজি এনেদৰে দেখা গ'ল সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাঁতীক। বালিপৰাত বানাক্ৰান্ত ৰাইজৰ ওচৰত থিয় দিলে বিধায়ক কৃষ্ণকমল তাঁতীয়ে। উদ্ধাৰ অভিযানত নিজে নামিল বিধায়কগৰাকী। ইফালে ডিপোটা নদীৰ বাঢ়নী পানীয়ে বৃহত্তৰ বাঁহবাৰী মৌজাৰ বহুকেইখন গাঁও প্লাৱিত কৰিছে।

## চাপৰৰ সূতিৰমুখত বাইকসহ বাঁহৰ দলঙৰ পৰা নৈত পৰিল বাইক আৰোহী

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ১৭ জুন ঃ** ধুবুৰী-বঙাইগাঁও জিলা সংযোগী সুঁতিৰমুখ, খেলুৱাপাৰা আদি বিস্তীৰ্ণ অঞ্চলজুৰি একমাত্ৰ মূল পথ এইটোৱে। দীৰ্ঘদিন ধৰি এই অঞ্চলৰ ৰাইজে বাঁহৰ দলঙৰ পৰিৱৰ্তে পকী দলঙৰ দাবী জনাই আহিছিল যদিও কোনো এখন চৰকাৰে এই দাবীৰ প্ৰতি সঁহাৰি নজনালে। যাৰ বাবে দীৰ্ঘদিন ধৰি প্ৰায় ১০-১২খন ৰাইজে এনেদৰে বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে। চৰকাৰৰ জৰুৰীকালীন সুবিধা যেনে এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীসমূহ সুমুৱাব নোৱাৰে গাঁওখনত। গৰ্ভৱতী মহিলাসকলক সময় মতে অনা-নিয়া কৰাত ভয়ংকৰ বিপদত পৰে উক্ত অঞ্চলৰ ৰাইজ। প্ৰতি বছৰে বানপানীৰ সময়ত উক্ত বাঁহৰ দলঙেৰে অহা-যোৱা কৰাত দুৰ্ঘটনা সংঘটিত হয়। আজিও অনুৰূপ ধৰণে এখন বাইকসহ এজন বাইক আৰোহী বাঁহৰ দলঙৰ পৰা বাগৰি পৰে। কথমপি ৰাইজৰ তৎপৰতাত উদ্ধাৰ হয় বাইকসহ আৰোহীজন। উল্লেখ্য যে উক্ত বাঁহৰ দলংখন সম্পূৰ্ণ ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি বানাইছে।

## মাজবাটৰ খুচুৰাবাৰীত খহনীয়াত নিশ্চিহ্ন পকী দলঙৰ এটা অংশ

### কেইবাটাও গাঁও জলমগ্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১৭ জুন ঃ** পকী দলঙৰ এটা অংশ খহাই নিলে ভুটীয়ামাৰী নদীয়ে ওদালগুৰি জিলাৰ মাজবাটৰ ভুটীয়ামাৰী নদীৰ ভয়াৱহ ৰূপ। অৰুণাচল পাহাৰৰ পৰা বৈ অহা তীব্ৰবেগী ভুটীয়ামাৰী নৈৰ সংহাৰীৰূপে ত্ৰাহি মধুসূদন সোঁৱৰাইছে নৈপৰীয়া ৰাইজৰ লগতে মাজবাট টাউনৰ পৰা বিচ্ছিন্ন কৰিলে কেইবাটাও গাঁও। তীব্ৰবেগী ভুটীয়ামাৰী নৈৰ খহনীয়াত মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত খুচুৰাবাৰী গাঁৱৰ পকী দলংখনৰ এটা অংশ সম্পূৰ্ণ খহাই নিয়াত কেইবাখনো গাঁও খুচুৰাবাৰী, বেটিবাৰী, ৰামগড়, খামটোবাৰীলাকামপুৰ, কাদাবিল, জিংগাবিল, হাতীপোতা, দেউচানি, জাউলিয়া, বোম্বে চেণ্টাৰ আদি গাঁওসমূহৰ সংযোগী দলঙৰ এটি অংশ নৈৰ বুকুত জাহ গৈছে। যাৰ কাৰণে পথটো ৰাইজে বন্ধ কৰি দিয়ে। খহনীয়া ৰোধৰ কোনো ব্যৱস্থাও অদ্যাপী গ্ৰহণ কৰা নাই। গাঁওবাসীৰ লগতে ৩৯নং পাঁচনৈ ছেৰফাং পৰিষদীয় সমষ্টিৰ প্ৰাক্তন এম চি এল এ জিতু কিষাণে জিলা প্ৰশাসনৰ লগতে অসম চৰকাৰকো দাবী জনায় খহনীয়াৰ কৱলৰ পৰা সোনকালে দলংখনৰ এটা অংশ মেৰামতি কৰি ৰাইজৰ একমাত্ৰ পথৰ যাতায়াত ব্যৱস্থা কৰি দিয়ে যেন বিভাগে।

# দৰঙত সংহাৰী বানৰ আতংক, নিশা ৫ ঠাইত ছিগিল নৈৰ মথাউৰি

### উটুৱাই নিয়ে ঘৰ-বাৰী ঃ নিৰাপদ স্থানত আশ্ৰয়



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৭ জুন ঃ** সমগ্ৰ ৰাজ্য এতিয়া বানৰ কবলত সমান্তৰালভাৱে সমগ্ৰ পশ্চিম দৰং অঞ্চল এক জটিল সন্ধিক্ষণত ভয়াৱহভাৱে বানৰ কবলত পৰিছে। দিমিলা, কালপানী, বৰনদীৰ বাঢ়নী পানীয়ে জুৰুলা কৰি থকাৰ সময়তে কালি নিশা ননৈ নৈৰ বাঢ়নী পানীৰ প্ৰবাল সোঁতত চাৰি ঠাইত মথাউৰি ছিগি যোৱাৰ ফলত বানপৰিস্থিতি আৰু অধিক জটিল হৈ পৰিছে। দিপিলা চ'কৰ ৰত্নাৱলী সত্ৰৰ কাষত মথাউৰিৰ পশ্চিম দিশত, খটৰা সত্ৰৰ কাইকীয়াপাৰাত মথাউৰিৰ পূব দিশত কুমাৰপাৰা, নগাঁও হিৰাপাৰাত মথাউৰিৰ পশ্চিম দিশত আৰু ছিপাঝাৰ শ'লপামৰ পশ্চিম দিশত আৰু চেঙেলীয়াঝাৰত মথাউৰিৰ পূব দিশত ননৈ নৈৰ মথাউৰি ছিগাৰ ফলত এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। অঞ্চলজুৰি এক আতংকময় পৰিৱেশে বিৰাজ কৰে। বহুকেইটা পৰিয়াল ঘৰ-বাৰী এৰি সুৰক্ষিত স্থানলৈ আহিব লগাত পৰে। ৰাস্তা-ঘাট, ঘৰসমূহত নিমিষতে সোমাই পানী অৱশ্যে মথাউৰি ছিগা স্থানত বহুকেইটা পৰিয়াল কথমপি ৰক্ষা পৰিছে। ইয়াৰ উপৰি চৌদিশে লাগিছে হাহাকাৰ। নিশা হ'লেই সকলোৰে মনত ভয়, শংকাত থাকিব লগাত পৰিছে, কিয়নো চৌদিশে এতিয়া পানীয়েই পানী। কিজানি পানীৰ ধলে উটুৱাই লৈ যায় সকলো। অনিদ্ৰা ৰজনী কটাবলগীয়াত পৰিছে সমগ্ৰ পশ্চিম দৰঙৰ অঞ্চলবাসী ৰাইজ। যোৱাটো বানত পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বহুকেইটা ঘৰৰ লগতে ৰাস্তা-ঘাটসমূহ প্ৰায় বিস্তৰ ক্ষতি হৈছিল। এইবাৰো বহু পৰিয়ালৰ ঘৰ-বাৰীৰ বিস্তৰ ক্ষতি সাধনৰ লগতে ৰাস্তা-ঘাটসমূহৰো অধিক ক্ষতি সাধন হোৱাৰ খবৰ পোৱা গৈছে, আনকি কেইবাটাও সংযোগী পথ বিচ্ছিন্ন হৈ পৰিছে। মুঠতে এইবাৰৰ বানে বিস্তৰ ক্ষতি সাধন কৰিছে অঞ্চলজুৰি। বিধ্বস্ত হৈছে সকলো ৰাস্তা-ঘাট আনকি সকলো গড়কাপ্তানী পথ বিশেষকৈ দুনী, দিপিলা, মঙলদৈ সংযোগী পথটি একাঁঠুলৈকে পানীত ডুব যোৱাৰ উপৰি ঠায়ে ঠায়ে বানপানীৰ সোঁতে খহাই লৈ যোৱা পৰিলক্ষিত হৈছে। আনকি শালমাৰা-আন্ধেৰীঘাট, তিতকুছি-বৰপথাৰ, বুঢ়া- পদ্মাঝাৰ, জয়ন্তীপুৰ-চকৰমুখ, হালধা-লাওজান আদি পথসমূহৰ ওপৰেৰে তীব্ৰ বেগেৰে প্ৰায় একাঁঠুলৈকে পানী বাগৰি আছে। ইয়াৰ উপৰি শালমাৰা-আন্ধেৰীঘাট গড়কাপ্তানী পথটিৰ একাংশ ডুবি গৈছে। ইতিমধ্যে দিপীলা, দুনী, চেঙেলীয়াঝা, নগাঁও, হাতীমাৰা, কৰৈবাৰী, গভৰা, ভেৰুৱাদল, হুছেইন চুবুৰি, কাহিতলী, বালিকুছি, শালিকাঝাৰ, জয়পুৰ, পূব মালিবাৰিটাৰী, বৰবড়ী, পশ্চিম বৰপথাৰ, তিতকুছি, পদ্মাঝাৰ, বুঢ়া, বিষ্ণুপুৰ, নাওদিঙা, চকৰমুখ, হালধা, জয়ন্তীপুৰ, বুঢ়াদৈচপৰা, শালিকাঝাৰ, টেঙেৰা, বগাচলা আদি অঞ্চলজুৰি সংহাৰী বানৰ কবলত। পানীৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাত আজিও বহু পৰিয়াল আশ্ৰয় শিবিৰলৈ আহিব লগাত পৰিছে। আনহাতে, এই দুৰ্যোগৰ সময়ত ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীৰ তৎপৰতাত পাথৰিঘাট ৰাজহ চক্ৰৰ বিষয়া দৰদী দেৱ ৰয় উপস্থিতিত কালি বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত বানপীড়িতৰ আশ্ৰয় শিবিৰ মুকলি কৰে। ইতিমধ্যে বিষ্ণুপুৰ বাপুজী প্ৰাথমিক বিদ্যালয়, বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, নখুন্দা প্ৰাথমিক বিদ্যালয়ত ইয়াৰ আগেয়ে বহুকেইটা পৰিয়াল আশ্ৰয় লৈ আছে।

বিদ্যুৎ বিভাগৰ অবিবেকী কাণ্ড

# পকী খুঁটাৰ পৰিৱৰ্তে বাঁহৰ খুঁটাত বিদ্যুত পৰিবাহী তাঁৰ

## যেন মৰণফাণ্ড পাতিছে বিদ্যুৎ বিভাগে



**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ ১৭ জুন ঃ** গোলাঘাট জিলাৰ বোকাখাত মহকুমাৰ ১ নং অফলা গাঁৱত বাঁহৰ খুঁটাত বিদ্যুত পৰিবাহী তাঁৰ সংলগ্ন কৰি গ্ৰাহকক বিদ্যুত যোগান ধৰি অহাৰ অভিযোগ স্থানীয় ৰাইজৰ ।কমাৰগাঁও বিদ্যুত উপ সংমণ্ডল কাৰ্যালয়ৰ অধীনৰ উক্ত এলেকাৰ গাঁবাসীয়ে বিদ্যুত সেৱা লাভ কৰি আহিছে যদিও বিদ্যুত পৰিবাহী তাঁৰ সমূহ ওলমি যোৱাতৰ ফলত বিপদ সংকুলভাৱে গাঁওবাসীয়ে বিদ্যুত সেৱা লাভ কৰি আছে। উল্লেখ্য যে কমাৰগাঁও বিদ্যুত উপ সংমণ্ডল কাৰ্যালয়ৰ অধীনস্থ অঞ্চলটোত বহু স্থানত বিদ্যুত পৰিৱাহী তাঁৰ সমূহ সেৰেঙা খুঁটাৰ বাবে ওলমি যোৱাত কিছু কিছু ঠাইত পকী খুঁটাৰপৰিৱৰ্তে বাঁহৰ খুঁটা ব্যৱহাৰ কৰাত শংকাত ভূগিছে গাঁওবাসী। গাঁওখনৰ সোঁ মাজেদি যোৱ বিদ্যুত পৰিবাহী তাঁৰসমূহ ঘৰৰ বাৰিৰ মাজত ওলমি পৰাৰ বাবে ৰাইজে বিদ্যুত বিভাগৰ উপ সংমণ্ডলৰ লগত যোগাযোগ কৰাৰ পিছত বিদ্যুত বিভাগৰ লোকে উক্ত বাঁহৰ খুটাসমূহ লগাই দিয়ে। কিন্তু বৰ্তমান ৰাজ্যত হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে বেছিকৈ চিন্তিত কৰি তুলিছে ৰাইজক। বিশেষকৈ বাঁহৰ খুঁটা বতাহত ভাঙি বিদ্যুত পৰিবাহী তাঁৰসমূহ তললৈ নামি অহাত বিপদত পৰাৰ আশংকা কৰিছে স্থানীয় ৰাইজে।ৰাইজে বাঁহৰ খুঁটাত বিদ্যুত যোগান ধৰাত চিন্তিত হৈ পৰাৰ লগতে শীঘ্ৰেই গাঁওখনৰ বিপদত সংকুলভাৱে থকা বিদ্যুতৰ তাঁৰ, বাঁহৰ খুঁটা পৰিৱৰ্তে পকী খুঁটা যোগান ধৰিবলৈ কমাৰগাঁও বিদ্যুত উপ সংমণ্ডল কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীক কাতৰ আহ্বান জনাইছে।

# ধুবুৰীত দিল্লী আৰক্ষীৰ গুণ্ডাগিৰিৰ বিৰুদ্ধে ধুবুৰী ৰাজীৱ ভৱনৰ সন্মুখত কংগ্ৰেছ দলৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৭ জুন ঃ** ধুবুৰী জিলা কংগ্ৰেছে আজি ধুবুৰী ৰাজীৱ ভৱনৰ সন্মুখত কংগ্ৰেছ দলৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপি চৰকাৰৰ শোষণ আৰু দমনমূলক নীতিৰ বিৰুদ্ধে কংগ্ৰেছ দলে ৰাইজৰ হৈ মাত মাতি থকাৰ বাবে কংগ্ৰেছ হাই কমাণ্ড ৰাহুল গান্ধীক এনফৰ্চমেণ্ট ডাইৰেক্টৰৰ ভয় দেখুৱাই বহু বছৰৰ পুৰণি হেৰল্ড কাকতৰ ধন হৰলুকিৰ কেচত অত্যাচাৰ চলাই অহাৰ অভিযোগ উঠাইছে কংগ্ৰেছ দলে।কংগ্ৰেছ দলে বিজেপি দলৰ অপশাসন উদঙাই দিয়াৰ বাবেই এনে দমনমূলক নীতিৰে কংগ্ৰেছ দলৰ মুখ্য নেতাগৰাকীক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলিও ব্যক্ত কৰে ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি গৰাকীয়ে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীৰ দ্বাৰা বিজেপি দলক এনে নিন্দনীয় কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিয়ে জিলা কংগ্ৰেছে। ইয়াৰ পছত দিল্লী আৰক্ষী আৰু বিজেপি চৰকাৰৰ বিৰুদ্ধে জিলা কংগ্ৰেছৰ কৰ্মী হাতে হাতে প্লে-কাৰ্ড লৈ বিভিন্ন শেগানেৰে আকশ বতাহ কপাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ যে বিজেপি চৰকাৰে এনে হিটলাৰী শাসন বন্ধ নকৰিলে অনাগত দিনত ইয়াতকৈ ভয়ংকৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ বুলি হুংকাৰ প্ৰদান কৰে ধুবুৰী জিলা কংগ্ৰেছ কৰ্মী সকলে।



# শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত মনোগ্ৰাহী অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** বিশ্ববিদ্যালয়খনৰ শিক্ষাতত্ত্ব বিভাগে চৰাইবাহী মহাবিদ্যালয়ৰ সহযোগিতাত "আবেগৰ ধনাত্মক কৰ্ষণ" শীৰ্ষক এক অনুষ্ঠানো সফলতাৰে সমাপন কৰে। অনুষ্ঠানটোত সমলব্যক্তি হিচাপে অংশ লয় বিভাগটোৰ মুৰব্বী ড° ত্ৰিবেণী শইকীয়া, পূৰবী কলিতা আৰু গৌৰৱ প্ৰতিম হাজৰিকাই । উক্ত অনুষ্ঠানৰ মূল উপলক্ষ আছিল শিক্ষাৰ্থীসকলে নিজকে কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰিব তথা আবেগ নিয়ন্ত্ৰণ কৰিব পাৰিব । সমলব্যক্তিসকলে যোগাসন আৰু প্ৰাণায়মৰ জৰিয়তেও যে আবেগ নিয়ন্ত্ৰণ কৰিব পাৰে তাক উদাহৰণসহ আলোচনা কৰে । উক্ত অনুষ্ঠানত চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথ, শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী ড° শিখামণি দাসকে প্ৰমুখ্য কৰি অধ্যাপক তথা শিক্ষাৰ্থীসকলো উপস্থিত থাকে । শিক্ষাৰ্থীসকলক বিভিন্ন ধনাত্মক আবেগৰ বিষয়ে চিনাকি কৰি দিয়া আৰু সেই আবেগবোৰ কিদৰে বিকাশ ঘটাব পাৰি তাৰ বিষয়েও আলোচনা কৰা হয় ।অনুষ্ঠানৰ শেষৰফালে গৌৰৱ প্ৰতিম হাজৰিকাই কৃতজ্ঞতা প্ৰকাশ সম্পৰ্কত কৃতজ্ঞতাৰ এক পত্ৰ লিখাৰ অনুষ্ঠান সম্পন্ন কৰে, যাৰ মূল লক্ষ্য আছিল জীৱনত কিদৰে আনৰ প্ৰতি কৃতজ্ঞ হ'ব পাৰি।

শিৱসাগৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান

## স্বেচ্ছাসেৱী অনুষ্ঠানৰ বাল্য বিবাহ বিৰোধী সজাগতা সভা

### স্বাস্থ্য আৰু চকু পৰীক্ষাৰ বিনামূলীয়া শিৱিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খঙীয়া শিৱসাগৰ, ১৭ জুনঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসম আৰু শিৱসাগৰ উদয় নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সৌজন্যত প্ৰয়াস(এক যাত্ৰা...)ৰ উদ্যোগত আৰু সৃষ্টি সচ্ছতা সমিতিৰ সহযোগত ১৬ জুন, বিহস্পতিবাৰে শিৱসাগৰ নগৰৰ ফুকন নগৰ শ্মশানৰ সন্মুখত অনুষ্ঠিত হয় চকু পৰীক্ষা আৰু স্বাস্থ্য পৰীক্ষাৰ বিনামূলীয়া শিৱিৰ লগতে বাল্য বিবাহ বিৰুধী এখন সজাগতা সভাৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত শিৱসাগৰ জন মাধ্যম বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অঞ্জুশ্ৰী ফুকন, ডাঃ মৌচম ৰয়, দেবজ্যোতি গগৈ, দিলীপ দেউৰী, ১০ নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ উপমা বৰা, প্ৰয়াস(এক যাত্ৰা...)ৰ উপদেষ্টা ফুলৰৰ দিহিঙ্গীয়া, সভানেত্ৰী ৰুবিকা বুঢ়াগোহাঁই ফুকন, সম্পাদক প্ৰশান্ত গগৈৰ লগতে প্ৰয়াস(এক যাত্ৰা...)ৰ সদস্য-সদস্যা আৰু সৃষ্টি স্বচ্ছতা সমিতিৰ সভানেত্ৰী লক্ষীমা দত্ত, সম্পাদিকা জুৰি চাংমাই আৰু কেইবাগৰাকীও সদস্য-সদস্যা উপস্থিত থাকে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

## অসমীয়া বিভাগৰ উদ্যোগত বিদ্যায়তনিক বক্তৃতানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৭ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগিতাত আজি "ভাষিক যোগাযোগ: তত্ত্ব আৰু প্ৰয়োগবিধি" শীৰ্ষক এক বিদ্যায়তনিক কৰ্মশালা সমাপন হয় । গুগল মিট মাধ্যমেৰে সমাপন হোৱা এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশলৈ ভাষিক যোগাযোগ সম্পৰ্কে বক্তব্য আগবঢ়াই অসমীয়া বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ড° চাহিন জাফ্ৰী আৰু ড° শিখামণি শৰ্মাই। মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয়প্ৰধান ড° অংশুমান দাসে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোৰ আঁতধৰে বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° পাৰ্থ প্ৰতিম ফুকনে । বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয়প্ৰধান ড° শ্যামলী দলৈ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক আব্দুল মান্নান আহমেদকে প্ৰমুখ্যে কৰি দুয়োখন শিক্ষানুষ্ঠানৰ বিভাগটোৰ শিক্ষাৰ্থীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# চতিয়াত ক্ষেমেশ্বৰী বৰাৰ ৯৫ বছৰত মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৭ জুন ঃ** চতিয়া কৰতি গাঁৱৰ প্ৰখ্যাত মুক্তি যোদ্ধা প্ৰয়াত জয়ৰাম বৰাৰ সহধৰ্মীণী ক্ষেমেশ্বৰী বৰাৰ (৯৫) বৃহস্পতি বাৰে পুৱা নিজ বাস ভৱনতে বাৰ্ধক্য জনিত কাৰণত পৰলোক প্ৰাপ্তি ঘটে ।। শতায়ু গৰকিবলৈ আৰু মাত্ৰ পাঁচ বছৰ বাকি থকা প্ৰয়াত ক্ষেমেশ্বৰী বৰা আছিল এগৰাকী ধৰ্মপ্ৰানা মহিলা ।সুদীৰ্ঘ কাল সু স্বাস্থ্যৰে জীয়াই থকা মহিলা গৰাকী কালি সন্ধিয়াৰ ভাগত সামান্য অসুস্থতা ভোগাৰ পিছত আজি পুৱা প্ৰায় ৪ বজাত আকস্মিক ভাৱে মৃত্যুবৰণ কৰে ।।এগৰাকী মুক্তি যোদ্ধাৰ সহ ধৰ্মীণী ৰূপে এটা আদৰ্শ জীৱন যাপন কৰা ক্ষেমেশ্বৰী বৰা নিভাঁজ অৰ্থত গাঁৱলীয়া নাৰীৰ এক আদৰ্শ প্ৰতিভূ আছিল ।।বোৱা - কটা, আই নাম - বিয়ানাম, বিহুগীতত পাৰ্গত মহিলা গৰাকীৰ ব্যৱহাৰত প্ৰকাশ পাইছিল এক অকৃত্ৰিম সৰলতা। সৰবৰহী মহিলা গৰাকীৰ মৃত্যুত মুক্তি যোদ্ধা সন্মিলনীৰ চতিয়া শাখা, চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, কৰতি গাঁৱৰ গাঁও সংগঠনৰ লগতে চতিয়াৰ বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে ।।প্ৰয়াত মহিলা গৰাকীয়ে মৃত্যুৰ সময়ত চাৰিজনী কন্যা, তিনি পুত্ৰ আৰু নাতি নাতিনীক ইহ সংসাৰত এৰি থৈ গৈছে।

# ভূৰাগাঁও আৰক্ষীৰ জালত ২ জুৱাৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও,১৭ জুন ঃ** লাহৰীঘাটৰ ভূৰাগাঁও আৰক্ষীৰ জালত ২ টাকৈ জোৱাৰী,এক গোপন সুত্ৰৰ ভিত্তিত অভিযান চলাই, জুৱা খেলি থকা অৱস্থাতে ভূৰাগাঁও শিৱবাৰীৰ পৰা গ্ৰেপ্তাৰ কৰে জুৱাৰী দুটাক,ধৃত জুৱাৰী ক্ৰমে, শ্বাহজাহান আলী (২৫),এনামূল ইছলাম (২৩)। ধৃত জুৱাৰী কেইটাৰ পৰা নগদ ১২০০০ টকাৰ লগতে জুৱা খেলত ব্যৱহৃত বহু সামগ্ৰী জব্দ কৰে। ভুৰাগাঁও আৰক্ষী থানাৰ সহকাৰী পৰিদৰ্শক পংকজ বৰাৰ নেতৃত্বত চলিছিল এই অভিযান।

# পেঙেৰী খাটাংপানীত বন্যহস্তীয়ে ভাঙি লণ্ড-ভণ্ড কৰিলে তিনিটাকৈ বাসগৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৭ জুন ঃ** ৰাজ্য ভিন্ন ঠাইত বৰ্তমানো অব্যাহত আছে হাতী মানুহৰ তীব্ৰ সংঘাত। হস্তীৰ বিচৰণ স্থলি বনাঞ্চল সমূহৰ ধ্বংস বাবেই দিনক দিনে বৃদ্ধি পাইছে হাতী মানুহৰ সংঘাত ।একাংশ চোৰাং কাঠ মাফিয়াই এফালৰ পৰা জধে-মধে বনাঞ্চলৰ গছ-গছনি কাটি ধ্বংস কৰি অহা ফলতে বনাঞ্চলৰ পৰিসৰ দিনক-দিনে সংকুচিত হৈ আহিছে। ফলত খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ উলাই আহিবলৈ বাধ্য হৈ পৰিছে বনৰীয়া হাতী জাক ।আজি নিশাও প্ৰায় ২ বজাত ডিগবৈ বনাঞ্চল পৰা খাদ্যৰ সন্ধানত উলাই অহা এটা বনৰীয়া হাতীয়ে ইনথেম খাটাংপানীত উপদ্ৰৱ চলাই ।বন্যহস্তীটোৱে পৱন তাচা,বিপন তাচা আৰু সোনেশ্বৰী মেচ নামৰ ৩টা দ্ৰৰিদ্ৰ পৰিয়ালৰ বাসগৃহত আক্ৰমণ চলাই বাসগৃহ কেইটা ভাঙি পেলায়। বন্যহস্তীয়ে সপোনৰ ঘৰখন ভাঙি তচনচ কৰি পেলোৱা লগতে ঘৰত মজুত থকা খাদ্য সামগ্ৰীসহ বাচন আদি ভাঙি পেলোৱাত পৰিয়াল কেইটাই এতিয়া মুৰে কপালে হাত দিব লগীয়া হৈছে। প্ৰতিবছৰে খাদ্য সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা বন্যহস্তীয়ে অঞ্চলটোত উপদ্ৰৱ চলাই আহিছে যদিও



কোনো গুৰুত্ব নাই স্থানীয় বনবিভাগৰ, এই অভিযোগ স্থানীয় গাওঁবাসীৰ। ৰাইজৰ লগতে স্থানীয় দল সংগঠনসমূহে বন বিভাগক অতি শীৰ্ঘ্ৰে ক্ষতিগ্ৰস্ত দৰিদ্ৰ পৰিয়াল কেইটাক উচিত ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে।

# এপ'ল' প্ৰ'টন কেন্সাৰ চেণ্টাৰত চিজাৰিয়ান আৰু নেফ্ৰেকটমিৰ সফল যুটীয়া অস্ত্ৰোপচাৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ জুন ঃ** এপ'ল' প্ৰ'টন কেন্সাৰ চেণ্টাৰ, চেন্নাইয়ে একে সময়তে মাতৃ আৰু সন্তানৰ জীৱন ৰক্ষাৰ বাবে চিজাৰিয়ান আৰু বাওঁ কিডনিত থকা বৃহদাকাৰৰ টিউমাৰৰ বাবে ৰ'বটিক নেফ্ৰেক্টমীৰ অস্ত্ৰোপচাৰ যুটীয়া আৰু সফলভাৱে সম্পন্ন কৰে। এগৰাকী ৩২ সপ্তাহৰ অন্তসত্বা ২৭ বছৰীয়া মহিলাৰ বাওঁফালৰ কিডনিত এটা বৃহদাকাৰৰ টিউমাৰ ধৰা পৰা হেতুকে সমস্যাৰ সৃষ্টি হয়। এপ'ল' প্ৰ'টন কেন্সাৰ চেণ্টাৰৰ চাৰ্জনে প্ৰকাশ কৰা মতে বিশ্বত প্ৰথমবাৰৰ বাবে এনেধৰণৰ অস্ত্ৰোপচাৰ সম্পন্ন হৈছে। এই প্ৰক্ৰিয়া সফলভাৱে সম্পন্ন কৰে O & G, Neonatology, Surgery আৰু Anaesthesiology বিভাগৰ এটা বিশেষজ্ঞৰ দলে। এপ'ল' প্ৰ'টন কেন্সাৰ চেণ্টাৰৰ জ্যেষ্ঠা Uro-Gynacology বিশেষজ্ঞ ডাঃ মীৰা ৰাঘৱনে চিজাৰিয়ান অস্ত্ৰোপচাৰ কৰে আৰু একে সময়তে জ্যেষ্ঠ ইউৰ'লজি চাৰ্জন ডাঃ এন ৰাঘৱনে ৰ'বটিক নেফ্ৰেকটমীৰ দ্বাৰা টিউমাৰটো অপসাৰণ কৰিবলৈ সক্ষম হয়। বিশেষজ্ঞসকলে এমাহৰ ভিতৰতে কেন্সাৰ চিকিৎসা তথা গৰ্ভস্থ সন্তানৰ ক্ষতি নোহোৱাকৈ সকলো সু-ব্যৱস্থা গ্ৰহণ কৰে। ডেলিভাৰীৰ বাবে চিকিৎসকে এবাৰহে হাতৰ ব্যৱহাৰ কৰে আৰু বাকী সকলো ৰ'বটিক চাৰ্জাৰীৰ দ্বাৰা কৰা হেতুকে অতি সোনকালে ৰোগী আৰোগ্য হয় আৰু অস্ত্ৰোপচাৰৰ পিছদিনাখনৰ পৰাই নৱজাতকক মাতৃদুগ্ধ পান কৰাবলৈ সক্ষম হয়। ডাঃ এন ৰাঘৱনে প্ৰকাশ কৰে যে— 'এই অস্ত্ৰোপচাৰ খুউব জটিল আছিল যিহেতু দুটা বেলেগ বিষয় (গৰ্ভস্থ শিশু আৰু কিডনি টিউমাৰ)ৰ একে সময়তে চিকিৎসাৰ প্ৰয়োজন হৈছিল. আমাৰ ধনাত্মক চিকিৎসা পদ্ধতিয়ে দুটা জীৱন বচাবলৈ সক্ষম হ'ল।' ডাঃ মীৰা ৰাঘৱনে কয় যে— 'আমি ৰোগীগৰাকীক পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা ভালদৰে অধ্যয়ন কৰি ৰোগী আৰু তেওঁৰ গৰ্ভস্থ সন্তানক বচাবলৈ (দুটা চিকিৎসা একে সময়তে প্ৰদানৰ বাবে) এটা নিৰ্দিষ্ট আঁচনিত উপনীত হৈছিলো। মনোযোগী তথা সময়োপযোগী উন্নতমানৰ প্ৰযুক্তিয়ে আমাক সফল হোৱাত সহায় কৰিলে। মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে এটা স্বাস্থ্যবান আৰু নিৰোগী শিশুৰ জন্ম তথা টিউমাৰৰ অস্ত্ৰোপচাৰ এটা প্ৰত্যাহ্বান যদিও আমি সফল হ'ব পাৰিলোঁ।' নিজৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি ৰোগীগৰাকীয়ে কয়— 'মাতৃ হোৱাটো সকলো মহিলাৰ বাবে সপোন পূৰণ হোৱা। কিন্তু মোৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাই মই আৰু মোৰ পৰিয়ালক সঁচাকৈয়ে চিন্তাত পেলাইছিল। এপ'ল' প্ৰ'টন কেন্সাৰ চেণ্টাৰৰ বিশেষজ্ঞ দল মই আৰু মোৰ সন্তানক সুস্বাস্থ্য প্ৰদানৰ বাবে এই যত্ন আৰু প্ৰয়াসৰ বাবে ধন্যবাদৰ পাত্ৰ।'

# হাঁহচৰা বড়ি গাঁৱত নকল টকাসহ আৰক্ষীয়ে আটক কৰে এজনক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও ১৭ জুন ঃ** মৰিগাঁও আৰক্ষীৰ চোৰাংচোৱাই কালি চলোৱা এক অভিযানত দুই লাখ নকল টকা সহ হাঁহচৰাবড়ি গাঁৱৰ পৰা ইক্ৰামূল হুছেইন নামৰ এজন লোকক আটক কৰে। উল্লেখ্য যে ভেলৌগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হাঁহচৰা গাঁৱৰ পৰা ইক্ৰামূল হুছেইন নামৰ ব্যক্তি জনৰ পৰা জাল নোটৰ লগতে জাল নোট বনাবলৈ ব্যৱহিত অবৈধ কেমিকেলো জব্দ কৰে আৰক্ষীয়ে।

# সত্ৰীয়া সংস্কৃতিকে আপোন কৰি লোৱা চাহ জনগোষ্ঠীয় বৰদ'ল গাঁৱৰ ৰাইজে নামঘৰত প্ৰতিষ্ঠা কৰিলে গুৰু আসন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৭ জুন ঃ** চতিয়াৰ উত্তৰত, ঘিলাধাৰী নৈৰ নাতিদূৰত থকা বৰদ'ল প্ৰাক্তন চাহ জনগোষ্ঠীয় লোকেৰে পূৰ্ণ এখন সৰু গাঁও। চাহ বাগিচাত কাম কৰোৱাবলৈ ব্ৰিটিছে অনা লোকসকল আছিল এওঁলোকৰ পূৰ্বপুৰুষ। স্বাধীনতাৰ পূৰ্বেই সমীপৱৰ্তী প্ৰতাপগড় চাহ বাগিচাৰ কেইঘৰমান লোক ইংৰাজ শৃংখলত জীন যাব নুখুজি ঘিলাধাৰী নদী পাৰ হৈ বৰদ'লত থিতাপি লৈ কৃষিকৰ্মত মনোনিবেশ কৰে। প্ৰয়াত সান্দুৱা কমাৰ, ভাদুৱা কমাৰ, বন্ধোৱা কমাৰ, চুতিয়া খেৰিয়া, মংগলা মূৰা, আঘোনা কমাৰ, সুফল কমাৰ, ফাগুৱা কমাৰ আদি লোকসকল ওচৰৰ মুদৈগাঁও, পুৰণি গাঁও, সাপেখাতী আদি গাঁৱৰ অসমীয়াভাষী লোকৰ সংস্পৰ্শলৈ আহি গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ পৰে। ইতিমধ্যে মাগুৰমাৰী কুৰ্মীগাঁৱৰ লোকসকলে গুৰুজনাৰ আদৰ্শ সাৰোগত কৰি একশৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি নামঘৰ, মণিকূট, গুৰুআসন আদি প্ৰতিষ্ঠা কৰি ভাওনা, বৰসবাহ আদি অনুষ্ঠিত কৰি আহিছিল; এই মহৎ কামত মুদৈগাঁও, মাগুৰমাৰী আদি গাঁৱৰ লোকসকলৰ লগতে নাহৰখাত সত্ৰৰ সত্ৰীয়া ভকত সকলে অকুণ্ঠভাৱে সহযোগ কৰিছিল। কুৰ্মীগাঁৱৰ এই আদৰ্শত অনুপ্ৰাণিত হৈ বৰদ'লৰ লোকসকলেও এটি নামঘৰ প্ৰতিষ্ঠা কৰিবলৈ মন মেলিলে। মুদৈগাঁৱৰ প্ৰয়াত বাপাৰাম হাজৰিকাই নামঘৰ নিৰ্মাণৰ বাবে তাহানিয়েই এডোখৰ ভূমি দান কৰাত গাঁওবাসীয়ে তাতে এটা সৰু নামঘৰ নিৰ্মান কৰি পুৱা গধূলি বন্তি জ্বলাবলৈ ল'লে। এই কামত মুদৈগাঁৱৰ গুণ হাজৰিকাকে ধৰি বহু লোকে সহযোগ কৰিছিল ।এনেদৰেই বহু বছৰ চলি আছিল। বৰদ'লৰ নৱপ্ৰজন্মই এই নামঘৰভাগতে শেহতীয়াকৈ গুৰুআসন প্ৰতিষ্ঠাৰ কাম হাতত লয়। আৰ্থিকভাৱে তেনেই নিশকতীয়া, বাৰিষাৰ বানত সততে নিঠৰুৱা হোৱা গাঁওবাসীয়ে বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি যোৱা ১৪ জুনত নামঘৰত নৱনিৰ্মিত আসনভাগ প্ৰতিষ্ঠা কৰে। নাহৰখাত সত্ৰৰ জ্যেষ্ঠ সত্ৰীয়া প্ৰবীণ গোস্বামীয়ে আয়তীৰ উৰুলি, ডবা কাঁহৰ শব্দই সৃষ্টি কৰা এক গুৰুগম্ভীৰ পৰিবেশত আসনভাগ প্ৰতিষ্ঠা কৰে। প্ৰতিষ্ঠাৰ পূৰ্বে এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। ভূমি দান কৰা বাপাৰাম হাজৰিকাৰ উত্তৰাধিকাৰী, জ্যেষ্ঠ সত্ৰীয়া প্ৰবীণ গোস্বামী, তৰুণ গোস্বামী আদিক গাঁওবাসীয়ে আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰতিষ্ঠা উপলক্ষে হোৱা নাম প্ৰসংগত, মুদৈগাঁও, কুৰ্মীগাঁও, মাগুৰমাৰী, সাপেখাতী আদি গাঁৱৰ ভকত ৰাইজে অংশগ্ৰহণ কৰে।

# নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত বিষ্ণুৰাভা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৭ জুন ঃ** নগাঁৱৰ ৰাঙলু সি জুমৰমুৰ মিলন বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আতিথ্যত নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু নিজ কঠীয়াতলী শাখা সাহিত্য সভাৰ সহযোগত অহা ২০ জুনত বিষ্ণুৰাভা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। কালি জিলা সাহিত্য সভাৰ নিৰ্দেশত কাৰ্যনিৰ্বাহক সদস্য ঘনকান্ত বৰা, নজিবুৰ ৰহমান আৰু বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক মদন বৰা, বিদ্যালয়ৰ প্ৰধান শিক্ষক নিৰ্মলচন্দ্ৰ নাথ আৰু নিজ কঠীয়াতলী শাখা সাহিত্য সভাৰ সম্পাদক হৰিকান্ত নাথৰ লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীক লৈ বিষ্ণুপ্ৰসাদ ৰাভা দিৱসটো উদযাপনৰ সিদ্ধান্ত কৰা হয়। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা সহিত্য সভাৰ পতাকা উত্তোলন কৰিব নিজকঠীয়াতলী শাখা সাহিত্য সভাৰ সভাপতি জয়ন্ত বৰাই, স্মৃতি তৰ্পণ কৰিব প্ৰধান শিক্ষক নিৰ্মলচন্দ্ৰ নাথে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিভা বিকাশমূলক প্ৰতিযোগিতা, দুপৰীয়া অনুষ্ঠিত হ'বলগা মুকলি সভাত সভাপতিত্ব কৰিব জিলা সাহিত্য সভাৰ সভাপতি পৰাণকুমাৰ বৰুৱাই। মুকলি সভাতেই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিজকঠীয়াতলী শাখা সাহিত্য সভাৰ অন্তৰ্গত কীৰ্তি শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হ'ব। উদ্বোধনী ভাষণ প্ৰদান কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মদন বৰাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বঢ়মপুৰ বিধান সভা সমষ্টিৰ বিধায়ক জিতু গোস্বামী, বিশিষ্ট অতিথি হিচাপে থাকিব নলৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কলিতা, নিৰ্দিষ্ট বক্তা হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজসেৱক গজেন লস্কৰ, নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ আৰু কঠীয়াতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সন্ধ্যা বেজবৰা। এইবাৰ জিলা সাহিত্য সভাৰ দ্বাৰা পশ্চিম কাৰৈমাৰী গাঁৱৰ শংকৰী কৃষ্টি সাধক ডিম্বেশ্বৰ নাথক শিল্পী বঁটাৰে সন্মানিত কৰা হ'ব। সেয়ে বিষ্ণুৰাভা দিৱসৰ কাৰ্যসূচীত সকলো সাহিত্যপ্ৰেমী লোকৰ উপস্থিতি কামনা কৰিছে নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই।

# সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ পুৰণি পেঞ্চন নীতি বাহালৰ দাবীত মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৭ জুন ঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ আহ্বান ক্ৰমে "পুৰনি পেঞ্চন" ব্যৱস্থা বাহালৰ দাবীত সংস্থাৰ গোলাঘাট জিলা সমিতিয়ে গ্ৰহণ কৰা গন স্বাক্ষৰ কাৰ্যসূচীৰ শেষত গোলাঘাট জিলা উপায়ুক্তৰ যোগেদি ১৫ জুনত মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীলৈ একোখনকৈ স্মাৰক পত্ৰ প্ৰদান কৰা হয়। এই গণ স্বাক্ষৰ কাৰ্যসূচীত গোলাঘাট জিলাৰ প্ৰায় পাঁচ সহস্ৰাধিক বিষয়া, শিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে বুলি গোলাঘাট জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সম্পাদক জিসান জংগম বৰাই জানিবলৈ দিয়ে ।এক প্ৰেছ বিবৃতি যোগে ৰাজ্যৰ সকলো বিষয়া, শিক্ষক, আৰক্ষী, কৰ্মচাৰীৰ অৱসৰী কালৰ অৰ্থনৈতিক স্বাৱলম্বীতা, পুৰণি পেঞ্চনৰ জড়িয়তে সুৰক্ষিত নোহোৱালৈকে এন পি এছ কৰ্মচাৰী সংস্থাৰ সংগ্ৰাম অব্যাহত থাকিব বুলি জিলা সম্পাদক গৰাকীয়ে উল্লেখ কৰে ।এই স্মাৰক পত্ৰ প্ৰদান কাৰ্যসূচীত জিলা সমিতিৰ উপদেষ্টা যতীন বৰা, উপসভাপতি ত্ৰৈলোক্য বৰা, সহ সম্পাদক সিদ্ধাৰ্থ ৰাভা, বিমান পাঠৰী, কোষাধ্যক্ষ ৰাজীৱ শইকীয়া প্ৰমুখ্যে বিষয়ববীয়া সকল উপস্থিত থাকে।

# জন্মদিনত পৰিণীতা হাজৰিকাৰ 'নিৰিবিলি সুবাস' কাব্যগ্ৰন্থ উন্মোচন

## কবিতাৰে জগত জিনিব পাৰে ঃ অমল দাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৭ জুন ঃ** দৰিদ্ৰ পৰিয়ালৰ এগৰাকী বিশেষভাৱে সক্ষম ছাত্ৰীৰ কাষত থিয় দি জন্ম দিনটোতে ছাত্ৰী গৰাকীৰ এখন কাব্য পুথি উন্মোচন কৰিলে যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনে। গোলাঘাট জিলাৰ কমাৰগাঁৱৰ বুধবাৰী গাঁৱৰ কবি পৰিণীতা হাজৰিকাৰ তৃতীয়খন কাব্যগ্ৰন্থ "নিৰিবিলি সুবাস" বুধবাৰীস্থিত নিজা বাসগৃহত কালি আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজত উন্মোচন কৰা হয়। দিগদৰ্শনৰ স্বত্বাধিকাৰ পংকজ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত ২৩ টা কবিতা সম্বলিত "নিৰিবিলি সুবাস" আয়তিৰ উৰুলিৰ মাজেৰে উন্মোচন কৰে বিশিষ্ট কবি, নাট্যকাৰ, সাংবাদিক অমল দাৰে। গ্ৰন্থ উন্মোচক অমল দাৰে কয় যে মানৱ জাতিৰ মনৰ ভাব প্ৰকাশ কৰিব পৰা




আটাইতকৈ সৰল মাধ্যমটো হৈছে কবিতা। জ্ঞানপীঠ বঁটা প্ৰাপক স্বনামধন্য কবি নীলমণি ফুকনৰ উদাহৰণ আওৰায় কবিতাৰে জগত জিনিব পাৰি বুলিও মন্তব্য কৰে কবি অমল দাৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণ বৰুৱাই বন্তি প্ৰজ্বলন আৰু বুধবাৰীৰ ধৰিত্ৰী হাজৰিকা বৰা, দীপা বৰা শইকীয়া, ৰুবী দত্ত ভূঞা আৰু ৰূপা বৰাই পৰিৱেশন কৰা বৰগীতেৰে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ বিশিষ্ট অতিথি গোলাঘাট জিলা সাংবাদিক সন্থা (অ.ৰা. সা. স.)ৰ সাধাৰণ সম্পাদক পৱন কামান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক মহেন শইকীয়া, দুলাল বৰা, কবিতা ভূঞা কলিতা আৰু ধৰিত্ৰী হাজৰিকা বৰা, বুধবাৰী নাট্য সংঘৰ সম্পাদক ৰণ্টু শইকীয়াই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰিৱেশন কৰা উদীয়মান শিল্পী স্নিগ্ধা শইকীয়াৰ অভিনয়, তৃষ্ণা শইকীয়াৰ নৃত্যই সকলোকে মুগ্ধ কৰে। কবি উৎপল বৰাই কবিতা পাঠ কৰে। অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰাঞ্চিকা হাজৰিকা, প্ৰিয়াক্ষী গোঁহাই, দৃষ্টি হাজৰিকা, মৃণ্ময় বৰা, পূবালী শইকীয়া আৰু পৰিণীতা হাজৰিকাক গ্ৰন্থৰ টোপোলা আৰু অভিনন্দন পত্ৰৰে দিগদৰ্শন প্ৰশাসন আৰু জ্ঞানজ্যোতি শিশু আলোচনীৰ তৰফৰ পৰা আভিনন্দন জনায়। উল্লেখ্য যে পৰিণীতা হাজৰিকাৰ ২০২১ চনত "এমুঠি হৃদয়ৰ অনুভৱ" আৰু ২০২১চনত "হৃদয়ৰ এমুঠি কবিতা" জন্মদিনৰ লগত সংগতি ৰাখি কাব্যগ্ৰন্থ দুখন প্ৰকাশ কৰিছিল দিগদৰ্শন প্ৰকাশনে। দিগদৰ্শন প্ৰকাশনৰ এনে ইতিবাচক পদক্ষেপক সকলোৱে শলাগ লৈছে।

Letter No.TIM/Timber Lot/Fresh Sale/E-Tender/3085-86

**NOTICE INVITING E-TENDER FOR SALF OF FRESH TIMBER LOTS UNDER KAMRUP WEST DIVISION. BAMUNIGAON**

This is for general information to all concerned that 21 No. of fresh timber lots which have been seized and kept in various Range Headquarter/Beat/Depot under Kamrup West Division, Bamunigaon are intended to be sold by e-tender as perl "Assam Sale of Forest Produces Coupes and Mahal Rule'1977 and Amended Rules' 2000".

The details of E-Tender will be available on https://assamforestonline.in portal from 18.06.2022 (12.00PM) to 18.07.2022 (5.00PM).

Divisional Forest Officer,
Kamrup West Division,
Bamunigaon.

*Janasanyog/C/4904/22*

## চিকিৎসকৰ তীক্ষ্ণ পৰ্যবেক্ষণত ছোনিয়া গান্ধী



**নতুন দিল্লী, ১৭ জুন ঃ** সংকটমুক্ত হোৱা নাই ছোনিয়া গান্ধী। দিল্লীৰ গংগাৰাম হাস্পতালত যোৱা ১২ জুনৰ পৰা চিকিৎসাধীন হৈ আছে। চিকিৎসকে শেহতীয়াকৈ শ্বাস প্ৰশ্বাসত বিষক্ৰিয়া হোৱা বুলি প্ৰকাশ কৰিছে। এদল চিকিৎসকে অহৰহ পৰ্যবেক্ষণ কৰি আছে কংগ্ৰেছ নেত্ৰীগৰাকীক। ইফালে কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে নেত্ৰীগৰাকীৰ সাক্ষাৎ কৰাৰ পিছত সংবাদ মাধ্যমৰ আগত কয় যে তেওঁৰ চিকিৎসা অধিক উন্নত হোৱাৰ আৱশ্যকতা আছে। কিয়নো ক'ভিডত আক্ৰান্ত হোৱাৰ পিছত শাৰীৰিক দুৰ্বলতা অব্যাহত আছে। উল্লেখ্য যে এনফোৰ্চমেণ্ট বিভাগেও ছোনিয়া গান্ধীক অহা ২৩ জুনত জেৰাৰ বাবে তলব কৰিছে। ইতিমধ্যে ৰাহুল গান্ধী যোৱা তিনিদিন ধৰি জেৰা কৰাৰ পিছত অহা ২০ জুনৰ পুনৰ হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

## এজন প্ৰাৰ্থীয়ে একাধিক সমষ্টিত প্ৰতিদ্বন্দ্বিতাত নিষেধাজ্ঞা আৰোপ কৰিবলৈ কেন্দ্ৰলৈ আহ্বান নিৰ্বাচন আয়োগৰ




**নতুন দিল্লী, ১৭ জুন ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচনী প্ৰক্ৰিয়া সংস্কাৰৰ বাবে এক প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। আইন আৰু ন্যায় মন্ত্ৰালয়ৰ সচিবৰ সৈতে আলোচনাৰ অন্তত নিৰ্বাচন আয়োগে কয় যে এটা নিৰ্বাচনত এজন প্ৰাৰ্থীয়ে একাধিক সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বাৰণ কৰা উচিত। কিয়নো দুইটা সমষ্টিত যদিহে জয়লাভ কৰে এটাত উপ-নিৰ্বাচন জৰুৰী হৈ পৰে। ফলত চৰকাৰী ধনৰ অপচয় হয়। দেশত নিৰ্বাচনী সংস্কাৰৰ বাবে সাধাৰণ ৰাইজে চৰকাৰক আহ্বান জনাই আহিছে। নিৰ্বাচন আয়োগৰ ওচৰতো মাজে মাজে সংস্কাৰৰ পৰামৰ্শ দিয়া হয়। কিন্তু সাধাৰণ জনতাৰ এনে পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰে আইন প্ৰণয়নৰ আৱশ্যকতা আছে। অৱশ্যে যদিহে এজন প্ৰাৰ্থীয়ে একাধিক সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰে তেনেহ'লে ইয়াৰ ফলত উদ্ভৱ হোৱা উপ-নিৰ্বাচনৰ বাবে ব্যয় উক্ত প্ৰাৰ্থীজনে বহন কৰিবৰ বাবে বাধ্য বাধকতাৰ আওতালৈ আনিবলৈ কোৱা হৈছে। দেশৰ জন প্ৰতিনিধিত্ব আইন সংশোধন কৰাৰ পিছত ২০০৪ চনত গ্ৰহণ কৰা সংশোধনীৰ ভিত্তিতে বৰ্তমান নিৰ্বাচনসমূহ অনুষ্ঠিত হৈ আহিছে। গতিকে অনাহকত উপ-নিৰ্বাচনৰ ব্যয় নিৰ্বাচন আয়োগ আৰু চৰকাৰৰ ওচৰত বহন কৰিবৰ বাবে বাধ্য কৰোৱা কাৰ্য এক অসমৰ্থিত বিষয়। সাধাৰণ ৰাইজেও এনে উপ-নিৰ্বাচন সমৰ্থন নকৰে।

## ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ ভাতৃৰ গৃহত চিবিআইৰ তদন্ত

**জয়পুৰ, ১৭ জুন ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটৰ ভাতৃ অগ্ৰসেন গেহলটৰ বাসগৃহত শুকুৰবাৰে সোমালগৈ চিবিআইৰ এটা বৃহৎ দল। কংগ্ৰেছৰ মুখ্যমন্ত্ৰীগৰাকীৰ ভাতৃগৃহত চিবিআইৰ এই অভিযানক লৈ দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ উপৰিও এনফোৰ্চমেণ্টৰ দ্বাৰাও অগ্ৰসেন গেহলটৰ বিৰুদ্ধে তদন্ত চলি আছে। দেশৰ তদন্তকাৰী সংস্থাসমূহ এতিয়া বিজেপিৰ অধীনস্থ সংস্থালৈ অৱনমিত হোৱা বুলিও কংগ্ৰেছ দলে অভিযোগ কৰিছে। ইফালে ৰাহুল গান্ধীৰ প্ৰধান সমৰ্থক হিচাপে পৰিচিত হোৱাৰ বাবেই অশোক গেহলটক এনেদৰে হাৰাশাস্তি কৰা বুলিও একাংশই অভিযোগ কৰিছে। কিয়নো এনফোৰ্চমেণ্টৰ গোচৰত ৰাহুল গান্ধী একাধিকবাৰ জেৰাৰ সন্মুখীন হৈছে আৰু অশোক গেহলটে ইয়াৰ বাবে বিজেপি চৰকাৰক কঠোৰভাৱে সমালোচনা কৰি আহিছে। আনকি যোৱা মঙলবাৰেও গেহলটে মোদীক সকিয়নী প্ৰদান কৰিছে। চিবিআই, আয়কৰ বিভাগ বা এনফোৰ্চমেণ্টক বিৰোধীৰ বিৰুদ্ধে ব্যৱহাৰ কৰি ৰাজনৈতিক শত্ৰুতা প্ৰদৰ্শন কৰিছে বুলি মোদীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা দেখা গৈছে। প্ৰধানমন্ত্ৰীৰ কঠোৰ সমালোচক হোৱাৰ বাবেই ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ পৰিয়ালত চিবিআই আৰু এনফোৰ্চমেণ্ট



সোমাই পৰা বুলি কংগ্ৰেছী মহলত অভিযোগ উত্থাপিত হৈছে। অৱশ্যে এই ক্ষেত্ৰত ৰাজ্যখনৰ বিজেপিয়ে কোনো ধৰণৰ মতামত প্ৰকাশ কৰা নাই। ইয়াৰ বিপৰীতে চৰকাৰী সংস্থাসমূহৰ জৰিয়তে বিৰোধী পক্ষৰ নেতা-কৰ্মীক জালত পেলাই মুখ বন্ধ ৰাখিবলৈ চেষ্টা কৰি থকা বুলিও সমালোচিত হৈছে শাসকীয় পক্ষ।

# অগ্নিপথ আঁচনিৰ বিৰুদ্ধে বিহাৰ, উত্তৰ প্ৰদেশ, দিল্লীত ব্যাপক প্ৰতিবাদ

## তেলেংগানাত এজন প্ৰতিবাদীৰ মৃত্যু, বিহাৰত উপ-মুখ্যমন্ত্ৰীৰ বাসগৃহত আক্ৰমণ

### বিহাৰৰ উপ-মুখ্যমন্ত্ৰী ৰেণু দেৱীৰ বাসভৱনত আক্ৰমণ, সাৰি নগ'ল বিজেপিৰ ৰাজ্যিক সভাপতি

**পাটনা, ১৭ জুন ঃ** বিহাৰ প্ৰদেশৰ প্ৰতিবাদকাৰীয়ে উগ্ৰ ৰূপ ধাৰণ কৰিছে আৰু ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ সভাপতিৰ বাসগৃহত আক্ৰমণ চলাই ধ্বংস কাৰ্য কৰা দেখা গ'ল। প্ৰাপ্ত তথ্য মতে উপ-মুখ্যমন্ত্ৰী ৰেণু দেৱী আৰু ৰাজ্যিক বিজেপিৰ সভাপতি সঞ্জয় জয়ছোৱালৰ বাসগৃহত পুৱাৰ ভাগতে এই আক্ৰমণ চলোৱা হৈছিল। অগ্নিপথ আঁচনিৰ বিৰোধিতাৰ নামত প্ৰতিবাদকাৰীয়ে হিংসাত্মক ৰূপ ধাৰণ কৰিছে। বেটীয়া অঞ্চলত অৱস্থিত জয়ছোৱালৰ বাসগৃহলৈ শিল নিক্ষেপ কৰাৰ লগতে অগ্নিসংযোগৰ চেষ্টা চলাইছিল। ইফালে ৰেণু দেৱীৰ পুত্ৰই সংবাদ মাধ্যমৰ আগত প্ৰকাশ



কৰিছে যে তেওঁলোকৰ বাসগৃহত আক্ৰমণ কৰাৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হৈছে। পাটনাৰ পৰা অন্য ৰাজ্যলৈ যোৱা ৰে'লগাড়ীসমূহ বাতিল কৰা হৈছে। বিশেষকৈ উত্তৰ প্ৰদেশ, হাৰিয়ানা, তেলেংগানা আদি ৰাজ্যৰ যাতায়াত বাতিল হৈছে পাটনাৰ পৰা। আনহাতে হাৰিয়ানা চৰকাৰে বল্লভগড় অঞ্চলত ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে। অন্যান্য স্থানীয় বিজেপি নেতাৰ ঘৰটো আক্ৰমণকাৰীয়ে লণ্ড-ভণ্ড কৰা বুলি প্ৰকাশ পাইছে। যাৰ বাবে গেৰুৱা দলৰ নিম্নস্থানৰ লোকসকল এতিয়া চৰম নিৰাপত্তাহীনতাত ভুগিছে।





**নতুন দিল্লী, ১৭ জুন ঃ** দেশৰ তিনিওটা সেনা বাহিনীত মাত্ৰ চাৰি বছৰীয়া নিযুক্তিৰ বাবে ঘোষণা কৰা অগ্নিপথ আঁচনিৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বৃহস্পতিবাৰে এই প্ৰতিবাদ আৰম্ভ হৈছিল বিহাৰত। ইয়াৰ পিছত এই প্ৰতিবাদে উত্তৰ প্ৰদেশ, দিল্লী, উত্তৰা খণ্ড, হাৰিয়ানা, মধ্যপ্ৰদেশ, পশ্চিমবংগ, তেলেংগানা, অসম আদি বিভিন্ন প্ৰদেশলৈ সম্প্ৰসাৰিত হোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে ব্যাপক হিংসাত্মক ঘটনা, আক্ৰমণ, অগ্নিসংযোগ আদি সংঘটিত হোৱা দেখা গৈছে। প্ৰাপ্ত তথ্য মতে প্ৰতিবাদী কাৰ্যসূচীত ভাগ লোৱা ১৫ জন যুৱক গুৰুতৰভাৱে আহত হৈছে তেলেংগানাত। উত্তৰ প্ৰদেশ, বালিয়া নামৰ স্থানত এটা ৰে'ল আস্থানত অগ্নিসংযোগ কৰা হয় আৰু যাত্ৰীবাহী ৰে'লৰ দবাত অগ্নিসংযোগ কৰা বুলি খবৰ ওলাইছে। বাৰাণসী, ফিৰোজাবাদ, আমেঠী আদি স্থানত যুৱকসকলে ৰাজপথলৈ ওলাই আহি ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা বুলি প্ৰকাশ পাইছে। আলিগড়ত এজন স্থানীয় বিজেপি নেতা বাহনত অগ্নিসংযোগ কৰি ভস্মীভূত কৰা বুলি প্ৰকাশ পাইছে। ইফালে এই প্ৰতিবাদৰ ফলত দুই শতাধিক ট্ৰেইনৰ চলাচল বিঘ্নিত হোৱা বুলি কোৱা হৈছে। ৩৫ খন ৰে'লৰ যাত্ৰা সম্পূৰ্ণকৈ বাতিল কৰা হৈছে। অন্য ১৩ খন ৰে'লৰ যাত্ৰাপথ সালসলনি ঘটোৱা হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে সকলো প্ৰতিবাদী যুৱকলৈ আহবান জনাইছে যাতে কোনেও হিংসাত্মক কাৰ্যত লিপ্ত নহয়। লগতে ৰে'লৰ সা-সম্পদসমূহ যিহেতু দেশবাসীৰ সমুহীয়া সম্পদ, সেয়েহে এই সম্পদসমূহ যাতে ধ্বংস কৰা নহয়। উল্লেখ্য যে যোৱা ১৪ জুনত কেবিনেট সমিতিয়ে অগ্নিপথ নামৰ আঁচনি পাৰিত কৰিছিল। ইয়াৰ দ্বাৰা সেনাবাহিনীত ১৭.৫ বছৰৰ পৰা ২১ বছৰৰ ভিতৰৰ যুৱকসকলক সেনাবাহিনীত চাৰি বছৰৰ বাবে নিযুক্তি লাভ কৰিব এই আঁচনিৰ জৰিয়তে। যুৱতীসকলেও নিযুক্তিৰ সুবিধা পাব বুলি কোৱা হৈছে। অৱশ্যে নিযুক্তসকলৰ ২৫ শতাংশই স্থায়ীভাৱে পৰৱৰ্তী সময়ত নিযুক্তি লাভ কৰিব আৰু অন্যান্য ৭৫ শতাংশই চাকৰি জীৱন শেষ কৰি ঘৰলৈ উভতি আহিব লাগিব। এই আঁচনিৰ জৰিয়তে দেশৰ নতুন প্ৰজন্মক প্ৰতাৰণা কৰিব খোজা হৈছে বুলি যুৱ প্ৰজন্মই অভিযোগ কৰিছে। ফলত দেশজুৰি ৰূপায়ণ কৰা হৈছে প্ৰতিবাদী কাৰ্যসূচী। আনকি নিযুক্তিৰ নামত নতুন প্ৰজন্মক বলিৰ পঠা সজাব খোজা হৈছে বুলিও অভিযোগ উত্থাপিত হৈছে।

## ২৩লৈ বৃদ্ধি আৱেদনকাৰীৰ বয়স ঃ প্ৰতিবাদত সেও কেন্দ্ৰৰ

**নতুন দিল্লী, ১৭ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে অগ্নিপথ আঁচনিত আবেদনৰ বাবে পূৰ্বৰ সিদ্ধান্ত সলনি কৰিছে। পূৰ্বতে ২১ বছৰ উৰ্ধৰ যুৱক-যুৱতীয়ে এই আঁচনিত মকৰলৰ বাবে আবেদন কৰিব নোৱাৰিব বুলি কোৱা হৈছিল। কিন্তু দেশজুৰি হোৱা প্ৰতিবাদৰ ফলত চৰকাৰে হঠাতে আবেদনৰ উচ্চ সীমা ২১ বছৰৰ পৰা ২৩ বছৰলৈ বৃদ্ধি কৰিছে। চলিত বৰ্ষত ৪৬ হাজাৰ নিবনুৱাক এই আঁচনিত মকৰল কৰা হ'ব। পৰৱৰ্তী সময়ত সমসংখ্যক নিবনুৱাক পৰ্যায়ক্ৰমে নিযুক্তি দিয়া হ'ব। চাৰি বছৰ কাৰ্যনিৰ্বাহ কৰাৰ পিছত ৭৫ শতাংশ নিবনুৱাই সেনাৰ চাকৰিৰ পৰা ঘূৰি আহিব লাগিব। অৱশ্যে তেওঁলোকে নিজে লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত অন্যান্য চৰকাৰী চাকৰিত মকৰলৰ সুবিধা লাভ কৰিব। আনকি চাৰি বছৰীয়া চাকৰি লাভ কৰা দৰমহা আৰু বিশেষ পেকেজৰ ধনেৰে পৰৱৰ্তী সময়ত চিকিৎসা, অভিযান্ত্ৰিক সেৱাৰ পাঠ্যক্ৰমৰ বাবে নিজকে প্ৰস্তুত



কৰিবলৈ সক্ষম হ'ব বুলিও আশা কৰা হৈছে। একাংশই আনকি অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবেও এই ধনেৰে প্ৰস্তুতি চলাবলৈ সক্ষম হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ব্যক্ত কৰিছে। কিন্তু দেশৰ যুৱ প্ৰজন্মই চাৰি বছৰীয়া চাকৰিৰ পৰিৱৰ্তে স্থায়ী পদত মকৰল বিচাৰে। সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে দেশৰ বহু ৰাজ্যত ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা দেখা গৈছে। বিহাৰত বহুকেইটা ৰে'ল আস্থান ক্ষতিগ্ৰস্ত হৈছে। ৰে'ল পথৰ চিৰি আঁতৰাই পেলোৱা হৈছে। শ শ যুৱকে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিছে আৰু চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদত লিপ্ত হোৱা দেখা গৈছে। ইফালে কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে শুকুৰবাৰে কয় যে অগ্নিপথ আঁচনিত মকৰলৰ বয়স ২১ৰ পৰা ২৩লৈ বৃদ্ধি কৰা কাৰ্য অতিশয় আদৰণীয়। কিয়নো ইয়াৰ ফলত অধিকসংখ্যক যুৱক-যুৱতীক সামৰি ল'ব পৰা হ'ব। এই আঁচনিৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ প্ৰজন্মক আগুৱাই নিয়াৰ বাবে আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আবেদনৰ উচ্চ সীমা বৃদ্ধি কৰা কাৰ্য অতিশয় প্ৰশংসনীয় বুলি ব্যক্ত কৰিছে। গৃহমন্ত্ৰীয়ে কয় যে সেনা বাহিনীত যোৱা দুবছৰে নিযুক্তি দিব পৰা হোৱা নাছিল। ক'ভিড সংক্ৰমণৰ বাবেই এনে নিযুক্তি স্থগিত ৰখা হৈছিল। এতিয়া অধিকসংখ্যক লোকক দেশৰ প্ৰতিৰক্ষা বাহিনীত নিয়োজিক কৰাৰ লক্ষ্যৰে অগ্নিপথ আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকল উপকৃত হ'ব।

## গুড়গাঁৱত ১৪৪ ধাৰা বলৱৎ প্ৰতিবাদ ৰুধিবলৈ সষ্টম আৰক্ষী

**গুড়গাঁও, ১৭ জুন ঃ** উত্তৰ প্ৰদেশৰ গুড়গাঁও জিলাত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ ৰুধিবলৈ প্ৰশাসনে আইনী পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনত ১৪৪ ধাৰা বলবৎ কৰা হৈছে আৰু কোনো স্থানতে পাঁচজনতকৈ অধিক ব্যক্তিৰ উপস্থিতি বাৰণ কৰা হৈছে। স্থানীয় জিলা দণ্ডাধীশ নিশান্ত যাদৱে শুকুৰবাৰে এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে শুকুৰবাৰে চুবুৰীয়া কেবাখনো ৰাজ্যত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হৈছে আৰু উত্তৰ প্ৰদেশতো বিভিন্ন জিলাত এই প্ৰতিবাদে বিষম ৰূপ ধাৰণ কৰিছে। তেনেস্থলত ৰাজধানী দিল্লীৰ সমীপৱৰ্তী গুড়গাঁৱত যাতে এই প্ৰতিবাদে স্পৰ্শ কৰিব নোৱাৰে তাৰ প্ৰতি চৰকাৰ সচেষ্ট হৈছে। ইফালে ৰাজীৱ চ'ক অঞ্চলত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ বৃহৎ বাহিনী মোটায়েন কৰা হৈছে। দুই শতাধিক আৰক্ষী জোৱানে সমগ্ৰ চৌহদটো আৱৰি ৰাখিছে। যদিহে কোনো লোকে ৰাজপথলৈ ওলাই আহিছে তেনেহ'লে আৰক্ষীয়ে তেওঁলোকক ঘৰলৈ ওভতাই পঠোৱা দেখা গৈছে। অগ্নিপথ আঁচনিৰ বিৰুদ্ধে বৃহস্পতিবাৰে গুড়গাঁৱত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা দেখা গৈছিল। কেন্দ্ৰীয় চৰকাৰে সেনাবাহিনীৰ তিনিওটা শাখাত চমু কাৰ্যকালৰ বাবে নিযুক্তি দিবলৈ এই আঁচনি গ্ৰহণ কৰিছে। ইতিমধ্যে কেন্দ্ৰীয় কেবিনেটে এই আঁচনি পাৰিত কৰিছে আৰু চলিত বৰ্ষৰ পৰা এই আঁচনিৰ অধীনত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে।

## প্ৰতিবাদকাৰীৰ ভয়ত দিল্লীৰ মেট্ৰ' ৰে'লৰ দুৱাৰ বন্ধ ৰাখিলে কৰ্তৃপক্ষই

**নতুন দিল্লী, ১৭ জুন ঃ** অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে দেশৰ অন্যান্য স্থানৰ লগতে ৰাজধানী দিল্লীতো একাংশই প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিবাদকাৰীয়ে ঠায়ে ঠায়ে হিংসাত্মক ৰূপ ধাৰণ কৰিছে। ফলত দিল্লীত যাতে ক্ষয়-ক্ষতি অধিক নহয় তাৰ প্ৰতি কৰ্তৃপক্ষ সচেষ্ট হৈছে। সেই অনুসৰি দিল্লী মেট্ৰ' ৰে'লৰ চলাচলত ব্যাপক সতৰ্কতা আৰোপ কৰা হয়। দিল্লীৰ ৰাজপথত বিভিন্ন ছাত্ৰ সংগঠনে যাতে প্ৰতিবাদ কৰিব নোৱাৰে আৰু তেওঁলোকে একগোট হ'বলৈ মেট্ৰ' ৰে'ল ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। দিল্লী মেট্ৰ' ৰে'ল কৰ্প'ৰেচনে সেয়েহে দিল্লী মেট্ৰ'ৰ সকলোবোৰ আই টি অ' আস্থানৰ প্ৰৱেশ দুৱাৰ বন্ধ কৰি দিছে। লগতে ধানসা বাছ আস্থানৰ সৈতে সংলগ্ন মেট্ৰ' আস্থান বন্ধ কৰি দিয়া হৈছে। ইয়াৰ উপৰিও ডি এম আৰ চিৰ কাৰ্যালয়ৰ টুইটাৰত এই কথা আগতীয়াকৈ ঘোষণা কৰিছে। প্ৰায় চাৰে বাৰ বজাত কোৱা হৈছে যে আই টি অ' মেট্ৰ' ৰে'ল আস্থানসমূহ বন্ধ কৰি দিয়া হৈছে। ধানসা মেট্ৰ' ৰে'ল আস্থানত একাংশই প্ৰতিবাদ কৰিবলৈ আহিছিল আৰু ইয়াৰ লগে লগে দিল্লী গেট, জামা মছজিদ মেট্ৰ' ষ্টেচন আদি বন্ধ কৰি দিয়া হৈছে। প্ৰতিবাদ কৰিবলৈ অহা শিক্ষাৰ্থীৰ দলটোৱে অভিযোগ কৰিছে যে তেওঁলোকে প্ৰতিৰক্ষাৰ চাকৰিত মকৰল হ'বলৈ আশা কৰে স্থায়ীভাৱে। কিয়নো কেৱল চাৰি বছৰীয়া চাকৰিৰ বাবে কোনেও এনে পদবীত মকৰল হ'ব নোখোজে।



## তেলেংগানাত এজন প্ৰতিবাদকাৰীৰ কৰুণ মৃত্যু

**ছেকুন্দৰবাদ, ১৭ জুন ঃ** তেলেংগানা প্ৰদেশৰ ছেকুন্দৰবাদ ৰে'ল আস্থানত শতাধিক যুৱকে আক্ৰমণ কৰে আৰু অগ্নি সংযোগ কৰে। ফলত আস্থানটোৰ বৃহৎ ক্ষতি হোৱাৰ লগতে কেবাখনো ৰে'লৰ দবা ভস্মীভূত হোৱা বুলি কোৱা হৈছে। ইফালে নিৰাপত্তাৰক্ষীয়ে পৰিস্থিতি



নিয়ন্ত্ৰণ কৰিবলৈ লাঠীচালনা কৰাও দেখা গ'ল। আনহাতে এই প্ৰতিবাদৰ কাৰ্যসূচীত অংশ ল'বলৈ অহা এজন যুৱকৰ কৰুণভাৱে মৃত্যু হোৱা বুলিও প্ৰকাশ পাইছে। ৰে'ল আস্থানত শ শ যুৱকে এফালৰ পৰা আক্ৰমণ চলাই যায় আৰু সন্মুখত পোৱা সকলো ৰাজহুৱা সম্পদ ভাঙি তচনচ কৰা পৰিলক্ষিত হৈছিল। আস্থানৰ দোকান-পোহাৰো ক্ষতিগ্ৰস্ত হোৱা বুলি কোৱা হৈছে। অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ অহা লোকসকলে আইন হাতত তুলি লৈ এনেদৰে হিংসাত্মক কাৰ্যত লিপ্ত হোৱা বাবে দেশত আইন-শৃংখলাজনিত পৰিস্থিতিৰ সূত্ৰপাত হোৱা দেখা গৈছে। দেশৰ কেবাখনো ৰাজ্যৰ লগতে তেলেংগানা প্ৰদেশতো অগ্নিপথ আঁচনিৰ বিৰুদ্ধে জনতাৰ এই অসন্তুষ্টিয়ে আগন্তুক সময়ত অধিক ভয়াৱহ ৰূপ লোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

## কংগ্ৰেছ নেতা মনীষ তিৱাৰীসহ অনেকে সমৰ্থন কৰিছে অগ্নিপথ

**নতুন দিল্লী, ১৭ জুন ঃ** দেশৰ বিভিন্ন স্থানত অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে হিংসাত্মক প্ৰতিবাদ অব্যাহত থকাৰ সময়তে কংগ্ৰেছ নেতা মনীষ তিৱাৰী আৰু অন্যান্য বহুকেইজনে এই আঁচনিক প্ৰশংসা কৰিছে। আনকি এই আঁচনিৰ জৰিয়তে প্ৰতিৰক্ষাৰ বিষয়ত দেশৰ অধিকসংখ্যক লোক জড়িত হোৱাৰ সুযোগ লাভ কৰিব বুলি কংগ্ৰেছ নেতাজনে ব্যক্ত কৰিছে। তেওঁ কয় যে সঠিক দিশত সেনাৰ নিযুক্তিত সংশোধন অনাৰ আৱশ্যকতা আছিল। গতিকে অগ্নিপথ এক আৱশ্যকীয় আৰু সংশোধিত পদক্ষেপ। দেশৰ নৱ প্ৰজন্মই অগ্নিপথ আঁচনিৰ জৰিয়তে নিযুক্তিৰ সুবিধা গ্ৰহণ কৰিব লাগে। যিহেতু সেনা বাহিনীত নিযুক্তি লাভ কৰা কাৰ্য নিবনুৱা সমস্যা সমাধানৰ নিশ্চিত পদক্ষেপ নহয়, বৰঞ্চ দেশমাতৃৰ সেৱাৰ বাবে আগ্ৰহ আৰু দায়িত্ব থকা সকলেহে সেনা বাহিনীত যোগদান কৰে। গতিকে দেশৰ প্ৰতি ভালপোৱাসকলে এইনতুন আঁচনিৰ জৰিয়তে প্ৰতিৰক্ষা বিভাগত নিজকে জড়িত কৰিবলৈ সুবিধা লাভ কৰিব। মনীষ তিৱাৰীৰ দৰে পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙেও এই আঁচনিলৈ সমৰ্থন জনাইছে। কংগ্ৰেছৰ প্ৰাক্তন সাংসদ গোলাম নবী আজাদেও অগ্নিপথ আঁচনি সমৰ্থন কৰা বুলি প্ৰকাশ পাইছে। এন চি পি নেতা শাৰদ পাৱাৰে প্ৰধানমন্ত্ৰীক এই আঁচনিৰ বাবে প্ৰশংসা কৰিছে আৰু এয়া মোদীৰ ষ্টাইল বুলিও অভিহিত কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ ডি দেৱেগৌড়া, কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশ আৰু শশী ঠাৰুৰ, কংগ্ৰেছ নেতা তথা প্ৰাক্তন মন্ত্ৰী আনন্দ শৰ্মা, এন চি পি নেতা মাজিদ মেনন আদিয়েও অগ্নিপথ আঁচনি সমৰ্থন জনোৱা দেখা গৈছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই আঁচনিৰ জৰিয়তে এক নতুনত্ব সৃষ্টি কৰা বুলিও প্ৰশংসাৰে উপচাই দিছে।



অৱশ্যে এইসকল নেতাই মোদীক প্ৰশংসা কাৰ্য নিজৰ ব্যক্তিগত মনোভাব নে দলে আৰোপ কৰা দায়িত্ব, সেয়া এতিয়াও স্পষ্ট হ'বলৈ বাকী আছে। তথাপি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ মাজেৰে অগ্নিপথ আঁচনিৰ সম্পৰ্কত বিভিন্নজনে নিজৰ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি থকা পৰিলক্ষিত হৈছে।

## কংগ্ৰেছ, এনচিপি, আম আদমিৰ দাবী
## অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰক কেন্দ্ৰই

**নতুন দিল্লী, ১৭ জুন ঃ** সেনাবাহিনীত চাৰি বছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তিৰ নতুন আঁচনি অগ্নিপথক কেন্দ্ৰ কৰি দেশজুৰি নতুন প্ৰজন্মৰ মাজত সৃষ্টি হোৱা অসন্তুষ্টি আৰু তাৰ ফলশ্ৰুতিত অব্যাহত থকা হিংসাত্মক প্ৰতিবাদৰ বাবে এই আঁচনি প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে কেবাটাও বিৰোধী ৰাজনৈতিক দলে। শুকুৰবাৰে ভাৰতীয় জাতীয় কংগ্ৰেছ, এন চি পি, আম আদমী পাৰ্টীয়ে অগ্নিপথ প্ৰত্যাহাৰৰ দাবী উত্থাপন কৰিছে। বহুতো অৰাজনৈতিক ব্যক্তিয়েও এই নিযুক্তি আঁচনি সঠিক নহয় বুলি ব্যক্ত কৰিছে। অৱসৰ গ্ৰহণ কৰা বহুকেইজন সেনা বিষয়াই এই আঁচনিৰ জৰিয়তে দেশৰ প্ৰতিৰক্ষা খণ্ডত চৰকাৰে ধেমালি কৰিব খোজা বুলিও আঙুলিয়াই দিছে। দেশৰ প্ৰতিৰক্ষা সেৱা একপ্ৰকাৰ ঠিকাভিত্তিক জোৱানক অৰ্পণ কৰিব খোজা কাৰ্য চৰকাৰে আত্ম সমৰ্পণ কৰা ঘটনাৰ সমপৰ্যায়ৰ বুলিও সমালোচিত হৈছে। সেয়েহে ৰাজনৈতিক দলকেইটাই দেশত যোৱা দুদিন ধৰি অব্যাহত থকা যুৱ প্ৰজন্মৰ মনোভাৱ অনুধাৱন কৰি কেন্দ্ৰীয় চৰকাৰে নিজৰ অহংকাৰ ত্যাগ কৰিব লাগে বুলি ব্যক্ত কৰা দেখা গৈছে। কিয়নো কেবাখনো ৰাজ্যত ৰে'লপথ অৱৰোধ, যাত্ৰীবাহী ৰে'লৰ দবাত অগ্নি সংযোগ কৰা, পথ অৱৰোধ আদিৰ লগতে ৰাজহুৱা সম্পদ ধ্বংস কাৰ্য অব্যাহত থকা পৰিলক্ষিত হৈছে। এই পৰিস্থিতিৰ শাম কটাবলৈ হ'লে অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰিবই লাগিব বুলি বিৰোধী দলবোৰে দাবী কৰা কাৰ্য বিশেষ তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।



## টীম ইণ্ডিয়াত স্থান লাভ কে'বাজনো নৱাগত ক্ৰিকেটাৰৰ

# আই পি এলৰ ব্যৰ্থতাৰ বাবেই সুযোগ হেৰুৱালে অসমৰ ৰিয়ানে

**নতুন দিল্লী, ১৭ জুন ঃ** আই পি এলৰ সামৰণি পৰাৰ লগে লগে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সম্প্ৰতি টি-২০ শৃংখলাত অৱতীৰ্ণ হৈছে ভাৰত। উল্লেখ্য যে টীম ইণ্ডিয়াৰ জ্যেষ্ঠ খেলুৱৈসকল সম্প্ৰতি খেলৰ পৰা আঁতৰি থকাৰ বাবে ভাৰতে চলিত শৃংখলাত যুৱ খেলুৱৈক সুযোগ দিছে। সেইসময়তে বি চি চি আয়ে ঘোষণা কৰিছে আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো। এই দলৰ পৰা বাদ পৰিছে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলি থকা তিনি-চাৰিজন ক্ৰিকেটাৰ। বিপৰীতে আয়াৰলেণ্ড ভ্ৰমণত টীম ইণ্ডিয়াত স্থান পাইছে আই পি এলত ভাল প্ৰদৰ্শন কৰা ক্ৰিকেটাৰে। এনে পৰিপ্ৰেক্ষিতত চৰ্চালৈ আহিছে অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগ আৰু আই পি এলত তেওঁৰ প্ৰদৰ্শন বিষয়টোও। যিটো সময়ত ভাৰতীয় ক্ৰিকেটত বহু যুৱ প্ৰতিভাৰ উন্মেষ ঘটিছে তেনেস্থলত আই পি এলৰ যোগেদি লাইমলাইটলৈ অহা ৰিয়ানে ৰাজস্থান ৰয়েলছে সুযোগ দিয়াৰ পাছতো নিজৰ ব্যৰ্থতাৰে টীম ইণ্ডিয়াৰ ড্ৰেছিং ৰুমত প্ৰৱেশৰ এনে সুৱৰ্ণ সুযোগ কাৰ্যতঃ হেৰুৱালে। এই বিষয়টো লৈ বোধোদয় হৈছে ৰিয়ানৰো। এই মুহূৰ্তত ভাৰতীয় দলত স্থান পোৱাৰ যোগ্য নহয় বুলি নিজেই মন্তব্য কৰিছে অসম সন্তান ৰিয়ানে। উল্লেখ্য যে সামগ্ৰিকভাবে সদ্যসমাপ্ত আই পি এলত উন্নত প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হোৱা নাছিল ৰিয়ানে। ১৭ খন মেচৰ ১৪ টা ইনিংছত ১৮৩ ৰান। 'যদি মই দলক ছয়-সাতখন মেচত জয়ী কৰাব পাৰিলো হয়, তেন্তে সেয়া মোৰ বাবে ভাল হ'লহেতেন। অন্তত টীম ইণ্ডিয়াৰ সম্ভাব্য তালিকাত মোৰ নামটো থাকিলহেতেন। কিন্তু এই মুহূৰ্তত মই ইয়াৰ বাবে যোগ্য নহয়। আহি বলগীয়া ছিজনত মই অধিক আত্মবিশ্বাসেৰে খেলিম।' ৰিয়ানে ব্যক্ত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসমৰ আবু নেচিম আহমেদেও টীম ইণ্ডিয়াত প্ৰৱেশৰ এনে সুযোগ হেৰুৱাইছিল। বাংলাদেশ ভ্ৰমণৰ সময়ত ভাৰতে কেবাজনো নৱাগত ক্ৰিকেটাৰক সুযোগ দিছিল। কিন্তু দূলীপ ট্ৰফীৰ এখন মেচত পূৱ মণ্ডলৰ মূখ্য পেচ বলাৰ হোৱাৰ পাছতো উইকেট দখল কৰাটো দূৰৰে কথা প্ৰথম ইনিংছত ১৩ টাকৈ ৱাইড বল দিয়াৰ বাবেই তেতিয়াৰ পূৱ মণ্ডলৰ নিৰ্বাচক ৰাজা ভেংকটে আবুক অনেক চেষ্টা-ইচ্ছা কৰিয়ো ভাৰতীয় দলত স্থান দিব নোৱাৰিলে।






*নেহৰু ষ্টেডিয়ামত আগন্তুক হিৰো জুনিয়ৰ মহিলা ৰাষ্ট্ৰীয় ফুটবল সন্দৰ্ভত প্ৰেছ কনফাৰেন্সত ভাগ লৈছে অসম ফুটবল সন্থাৰ সভাপতি নৱ কুমাৰ দলে, সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্মই*

# আজিৰে পৰা অসমত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল


**গুৱাহাটী, ১৭ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই কাইলৈৰ পৰা অসমত আয়োজন কৰিছে জুনিয়ৰ মহিলা ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান নিশ্চিত কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হ'ব ক্ৰমে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। উল্লেখ্য যে, অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। অসমে গ্ৰুপ 'জি' ত হাৰিয়ানা, পডুচেৰী আৰু গুজৰাটৰ সৈতে স্থান লাভ কৰিছে। এই প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ওদালগুৰি জিলাৰ ডিমাকুছিত যোৱা দুসপ্তাহ ধৰি চলি আছে। অন্য ৰাজ্যৰ দলসমূহ ইতিমধ্যে পৰ্যায় ক্ৰমে গুৱাহাটীত উপস্থিত হৈছে। কাইলৈ প্ৰতিযোগিতা উদ্বোধন কৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইফালে, গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব। উল্লেখ্য যে, কভিড সৃষ্ট পৰিবেশৰ বাবে যোৱা দুটা বছৰৰ বিৰতিৰ পাছত ফুটবল ক্ষেত্ৰলৈ পূৰ্বৰ পৰিবেশ ঘূৰাই অনাৰ লক্ষ্যৰে অসম ফুটবল সন্থাই এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজন কৰিছে।



## ভাৰোত্তোলনত অসম কন্যাৰ সফলতা

# প'পীৰ সোণ, ৰূপ পালে ত্ৰিলোচানা-পঞ্চমীয়ে

**গুৱহাটী, ১৭ জুন ঃ** অসমৰ ত্ৰিলোচানা ফুকন আৰু পঞ্চমী সোণোৱালে হিমাচলত চলি থকা ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে অসম কন্যা প'পী হাজৰিকাই ৱেলৰে দলৰ হৈ খেলি মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছে। উল্লেখ্য যে ইতিমধ্যে কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰা প'পীয়ে স্নেচত ৮৭ আৰু ক্লিন এণ্ড জাৰ্কত ১০৭ কেজি উত্তোলন কৰে। ইফালে, মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰা ত্ৰিলোচানা ফুকনে স্নেচত ৬১ আৰু ক্লিন এণ্ড জাৰ্কত ৮২ কেজি উত্তোলন কৰে। আনহাতে, পঞ্চমী সোণোৱালে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত খেলি স্নেচত ৬৩ আৰু ক্লিন এণ্ড জাৰ্কত ৮০ মুঠ ১৪৩ কেজি উত্তোলন কৰি ৰূপ জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসমৰ ভাৰোত্তোলকে সদ্য সমাপ্ত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত চমকপ্ৰদ প্ৰদৰ্শন কৰি চাৰিটা পদক অৰ্জন কৰিছিল। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰি ৰাজ্যক গৌৰৱময় সফলতা দিয়ে। আনহাতে, অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ল'ৰা ৭৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণি গগৈয়েব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ভাৰোত্তোলকৰ এই ধাৰাবাহিক সফলতাত অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে খেলুৱৈৰ প্ৰদৰ্শনত আনন্দিত হোৱাৰ লগতে খেলুৱৈৰ প্ৰদৰ্শনৰ বাবে শুভেচ্ছা জনাইছে।




# শক্তি উত্তোলনত ভাৰতী সোণোৱালৰ সোণ

**গুৱহাটী, ১৭ জুন ঃ** নগাঁও শক্তি উত্তোলন সন্থাৰ উদ্যোগত নগাঁৱৰ জিলা পুথি ভৰাঁলত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃজিলা শক্তি উত্তোলন চেম্পিয়নশ্বিপত মহিলাৰ ৭৬ কিলোগ্ৰাম শাখাত দুলীয়াজানৰ ভাৰতী সোণোৱাল গগৈয়ে সোনৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই সফলতাৰ বাবে তেওঁ অহা অক্টোৱৰত নাগপুৰত অনুষ্ঠিত হ'ব লগীয়া ৰাষ্ট্ৰীয় শক্তি উত্তোলন প্ৰতিযোগিতাত অংশ গ্ৰহন কৰাৰ যোগ্যতাও অৰ্জন কৰে। উল্লেখ্য যে দুলীয়াজানৰ ডিৰিয়াল গাঁৱৰ নিবাসী তথা দুটি সন্তানৰ মাতৃ ভাৰতী সোণোৱাল গগৈ ভাৰতীয় ডাক সেৱাৰ এগৰাকী কৰ্মচাৰী। এই সফলতাত দুলীয়াজানৰ ক্ৰীড়াপ্ৰেমীয়ে ভাৰতীক আন্তৰিক অভিনন্দন জনাইছে।

## এশ-দুশ মিটাৰত সোণ লাভ কৰি দেশৰ দ্ৰুত তৰুণ হোৱাৰ পাছতো ভাগ্য উদয় নহ'ল অসম সন্তান অম্লানৰ

# ৰেংকিঙৰ সুযোগ লাভ কৰি কমনৱেলথ গেমছৰ ভাৰতীয় ৰীলে দলত স্থান পালে হিমা দাসে




**নতুন দিল্লী, ১৭ জুন ঃ** আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় এথলেটিকছ দলত অসমৰ হিমা দাসে ৰেংকিঙৰ সুযোগ লাভ কৰি একমাত্ৰ মহিলা ৰেলী দলত স্থান লাভ কৰিলেও আশাহত হ'ল অম্লান বৰগোঁহাই। উল্লেখ্য যে আজি ভাৰতীয় এথলেটিকছ ফেডাৰেছনে আসন্ন কমনৱেলথ গেমছৰ বাবে ৩৭ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰিছে। ভাৰতীয় দলক নেতৃত্ব দিব অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্ৰাই। স্মৰ্তব্য যে অসমৰ দুই দৌৰবিদ হিমা দাস আৰু অম্লান বৰগোঁহায়ে কমনৱেলথ গেমছত খেলিব পাৰিব নে নাই তাক লৈ প্ৰশ্ন চিহ্ন আছিল। কাৰণ উভয় এথলীটে সদ্য সমাপ্ত ৬১ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছ প্ৰতিযোগিতাত পদক লাভ কৰাৰ পাছতো আসন্ন কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জনৰ মাপকাঠিৰ সময় স্পৰ্শ কৰাত বিফল হৈছিল। উল্লেখ্য যে প্ৰতিযোগিতাত হিমা দাস আৰু অম্লান বৰগোঁহায়ে মহিলা আৰু পুৰুষৰ ১০০ মিটাৰ দৌৰত সোণ লাভ কৰি দেশৰ ভিতৰতে দ্ৰুততম তৰুণ হোৱাৰ গৌৰৱ লাভ কৰিছিল। কিন্তু সোণ লাভ কৰাৰ পাছতো ১০০ মিটাৰ দৌৰত এছিয়ান গেমছ, কমনৱেলথ গেমছ আৰু বিশ্ব চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছিল নিৰ্ধাৰিত সময় স্পৰ্শ কৰিব নোৱাৰাৰ বাবে। ইফালে, ২০০ মিটাৰ দৌৰতো একেই ঘটনা ঘটে। হিমা দাস আৰু অম্লানৰ লক্ষ্য আছিল অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছৰ বাবে পোনপটীয়াকৈ ২০০ মিটাৰ দৌৰৰ টিকট লোৱা। কিন্তু অম্লানে ২১ ছেকেণ্ড সময় লৈ ২০০ মিটাৰ দৌৰৰ সোণ লাভ কৰে যদিও কমনৱেলথ গেমছ (২০.১৫ ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (২০.২৪ ছেকেণ্ড)লৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হয়। ইফালে, হিমাই ২৩.২৯ ছেকেণ্ড সময় লৈ ২০০ মিটাৰ দৌৰত ৰূপৰ পদকহে লাভ কৰে। উল্লেখ্য যে ২০০ মিটাৰ দৌৰত মহিলাৰ যোগ্যতাৰ মাপকাঠি হ'ল কমনৱেলথ গেমছ (২২.৭০ ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (২২.৮০ ছেকেণ্ড) আৰু এছিয়ান গেমছ (২৩.১৭ ছেকেণ্ড)। পদক লাভৰ সফলতাৰ পাছতো কায্যতঃ লক্ষ্যত উপনীত হোৱাৰ ব্যৰ্থতাৰে হিমা-অম্লানে আশা কৰিছিল ৰেংকিঙৰ জড়িয়তে কমনৱেলথ গেমছৰ টিকট লাভ কৰাৰ। কিন্তু আজি হিমাই কেবল ৰীলে দলত স্থান পোৱাৰ বিপৰীতে অম্লানৰ ভাগ্য উদয় নহ'ল। উল্লেখ্য যে অম্লানে ২০০ মিটাৰ দৌৰত এছিয়ান গেমছলৈ কিন্তু যোগ্যতা অৰ্জন কৰিছে।

# অসম ৰাজ্যিক ক্ৰীড়া সমাৰোহৰ উদ্‌যাপন সমিতি গঠন

**গুৱাহাটী , ১৭ জুন ঃ** অসম ৰাজ্যিক ক্ৰীড়া সমাৰোহখন এইবাৰ অনুষ্ঠিত হ'ব যোৰহাটত। উল্লেখ্য যে অসম অলিম্পিক সন্থাই ইতিমধ্যে এই ক্ৰীড়া সমাৰোহ যোৰহাট জিলাত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি যোৰহাট ক্ৰীড়া ভৱনত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰীৰ উপস্থিতিত হোৱা ৰাজহুৱা সভাত এখন উদযাপন সমিতি গঠন কৰা হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত উপস্থিত থাকি অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, কোষাধ্যক্ষ তপন দাস আৰু উপ সভাপতি অনুপ চৌধুৰীয়ে বক্তৃতা ৰাখি আগন্তুক ৰাজ্যিক ক্ৰীড়া সমাৰোহৰ বাবে যোৰহাট জিলা ক্ৰীড়া প্ৰেমীৰ সহায় সহযোগিতা কামনা কৰাৰ লগতে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ক্লাব, উপ ক্ৰীড়া সন্থা, শিক্ষা অনুষ্ঠান, বিভিন্ন ক্ৰীড়া অনুষ্ঠান প্ৰতিষ্ঠানৰ পূৰ্ণ সহযোগ কামনা কৰিছে। সভাত উপস্থিত থাকি অসম অলিম্পিক সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ননী দত্ত আৰু অসমৰ ক্ৰীড়া সংগঠক তপন দত্তই যোৰহাটৰ ক্ৰীড়া ইতিহাসৰ ওপৰত বক্তৃতা আগবঢ়ায়। উক্ত সভাতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈক সভাপতি, যোৰহাট জিলা উপায়ুক্ত আশোক কুমাৰ বৰ্মন, ডঃ তপন দত্ত, ননী দত্ত কাৰ্যকৰী সভাপতি, শান্তনু পূজাৰী সাধাৰণ সম্পাদক, জুল খাউণ্ড আৰু দামোদৰ বৰ্মন মুখ্য কাৰ্যবাহী, বিমান বুঢ়াগোহাঁই, দেৱজ্যোতি শ্ৰুতিকৰ, পিকলু ৰয়, বিজয় বৰা, বিজয় শংকৰ বৰদলৈ, আলোক বৰুৱা, ৰঞ্জন শইকীয়াক যুটীয়া সম্পাদক আৰু নয়নজ্যোতি শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ এখন সাংগঠনিক সমিতি গঠন কৰা হয়। পৰবৰ্তী সময়ত সাধাৰণ সম্পাদক, মুখ্য কাৰ্যবাহীকে আজি গঠন হোৱা সমিতিৰ বিষয়ববীয়া সকলৰ লগত আলোচনা কৰি সকলো ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিকলৈ শীঘ্ৰে বিভিন্ন বিভাগৰ উপ সমিতিসমূহ গঠন কৰা হ'ব।

# যোগাসন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন

**গুৱহাটী, ১৭ জুন ঃ** নগাঁও জিলা যোগ সন্থাই অসম যোগ সংস্থাৰ সৌজন্যত আৰু জিলা আইন সেৱা প্ৰাধিকাৰী, আই এন অ' সূৰ্য ফাউণ্ডেচন, জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়, এন ৱাই কে,অসম যোগ বিজ্ঞান মহাবিদ্যালয়,এন ই চি টি আদিৰ সহযোগত নেহৰু যুৱ কেন্দ্ৰ,নগাঁৱৰ সভাগৃহত অহা ১৯ জুনত দিনযোৰা কাৰ্যসূচীৰে নগাঁও জিলা ভিত্তিত এখনি যোগাসন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰিছে। কেৱল ছয় আৰু আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালী তথা ৫০-৬০ বছৰ আৰু ৬০ বছৰ বয়সৰ উৰ্ধৰ পুৰুষ-মহিলাৰ বাবে মুকলি থকা এই প্ৰতিযোগিতাত যোগাসন ক্ৰীড়াৰ ইভেণ্টহে অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিৰ সভানেত্ৰী মঞ্জুলা লস্কৰ আৰু সম্পাদিকা ৰ'জী দেৱী ফুকনে জানিবলৈ দিছে। উল্লেখিত সংগঠনসমূহৰ উদ্যোগতে নেহৰু যুৱ কেন্দ্ৰ,নগাঁৱৰ সভাগৃহত অহা ২১জুনত দিনযোৰাকৈ অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত কমন যোগ প্ৰট'কল কাৰ্যসূচীৰ লগতে বঁটা বিতৰণী সভা আৰু এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই লগতে জনাইছে।



# ৰাষ্ট্ৰীয় পাঞ্জাত পাৰ্থৰ দুটা পদক

**গুৱাহাটী, ১৭ জুন ঃ** গোৱাত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত ১০৫ কেজি শাখাত ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰি অসমৰ লগতে মৰাণ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে মৰাণৰ পাৰ্থ বৰুৱাই। খেলুৱৈ গৰাকীৰ এই সফলতাৰ বাবে টাই আহোম যুৱ পৰিষদ, অসমৰ মৰাণ আঞ্চলিক সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে এছিয়া আৰু ফ্ৰান্সত অনুষ্ঠিত হ'ব লগা আন্ত ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতালৈ মনোনিত হৈছে পাৰ্থ। **ফুটবল লীগৰ প্ৰস্তুতি ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ফুটবল লীগ খন অহা জুলাইৰ প্ৰথম সপ্তাহৰ পৰা মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব বুলি সন্থাৰ ফুটবলৰ সম্পাদক দিগন্ত গগৈয়ে এক প্ৰেছ বিবৃতি যোগে জনাইছে। ইচ্ছুক দল সমুহক ৯১০১৩৯০০১৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সম্পাদক গৰাকীয়ে অনুৰোধ জনাইছে।

# কুংফুত সোণ লাভ কৰা হৃত্বিকক যুৱ ছাত্ৰ পৰিষদৰ অভিনন্দন

**গুৱাহাটী, ১৭ জুন ঃ** গোলাঘাটত জিলাত অনুষ্ঠিত হোৱা দশম সদৌ অসম কংফু চেম্পিয়নশ্বিপত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ আঞ্চলিক সমিতিৰ অন্তৰ্গত বাহাৰঘাট শাখা সমিতিৰ উপ-সভাপতি সতীৰ্থ হৃত্বিক লহকৰে নলবাৰী জিলাক প্ৰতিনিধিত্ব কৰি সোণৰ পদক লাভ কৰিছে। সতীৰ্থ গৰাকীক আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বাহাৰ ঘাট শাখা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ময়ুৰ ৰহমান , যুটীয়া সম্পাদক চাজিদ আহমেদ আঞ্চলিক ৰ সাংগঠনিক সম্পাদক তথা বাহাৰ ঘাট শাখা সমিতিৰ উপদেষ্টা ইমৰান হুছেইন শাখা সমিতিৰ ভা:সভাপতি ধ্ৰুৱজ্যোতি কলিতা , উপ-সভাপতি ৰাজীৱ চৌধুৰী সাধাৰণ সম্পাদক বিবেক হাজৰিকা ৰ লগতে অন্যান্য কেইবাজনো বিষয়ববীয়াৰ লগতে সদস্য।



**NOTICE INVITING TENDER**

No.- 189

The Divisional Forest Officer, Sonitpur East Division invites bid (sealed tendered) in prescribed form affixing court fee stamp of Rs. 8.25 (Rupees eight & paise twenty five) only from eligible Registered Contractor/Firm from 17/06/2022 to 16/07/2022 up to 3.00 PM for execution of the following works.

| S.N | Name of work | Estimated Cost | EMD (Rs) | Location |
|---|---|---|---|---|
| 1 | Construction of Road from Bihmari center to Naharjan 2.30 KM in Behali RF(under Behali Development Block for Border Development activities in the interstate Border) | 20,00,000.00 | 2% of estimated value for GEN, 1% of estimated value for OBC/ST/SC | Bihmari Centre to Naharjan in Behali RF under Borgang Range |

The Tender will be received in the office of the undersigned on all working days upto 3.00 PM (1ST) upto 16/07/2022 and will be opened on the same day at the same place at 3.30 PM in presence of the willing tendered or their authorized agent who wish to attend the same. In the event of unusual occurrence due to strike, Bandh, Holiday etc. the same will be received on the next working day upto the same time and will be opened at 3.30 PM

Detailed particulars of the work may be seen in the office of the undersigned during office hour and Tender paper may be obtained on any working days upto 2.00 PM (IST) on 16/07/2022

The work is to be completed within 180 days for the date of issue of the final work order.

The acceptance of the tenderer and issue of work order is subject to release of fund by the Govt, of Assam/Competent Authority without hereby incurring any liabilities to the affected tenderers or any obligation to inform the affected tenderer of the ground.

The undersigned reserves the right to cancel the tender without assigning any reason thereof and does not bind himself to accept the lowest tenderer.

**Divisional Forest Officer**
**Sonitpur East Division**
**Biswanath Chariali**

Janasanyog /C/4933/22




*নৃত্যশালাৰ ১৬ সংখ্যক প্ৰতিষ্ঠা দিৱসত লোকনৃত্য পৰিৱেশন কৰিছে একাংশ শিক্ষাৰ্থীয়ে, তেজপুৰ জ্যোতি ভাৰতীত*

সোণাৰি নগৰক স্বচ্ছ, সুন্দৰ, আৱৰ্জনামুক্ত আৰু বিকশিত কৰি তোলাৰ ক্ষেত্ৰত পৌৰসভাৰ দ্বাৰা এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি

# সোণাৰি পৌৰসভা এলেকাত সকলোধৰণৰ নিৰ্মাণকাৰ্যৰ বাবে আগতীয়া অনুমতি লোৱাটো বাধ্যতামূলক

## পৌৰসভা এলেকাৰ বাসিন্দসকলৰ পৰা সহযোগিতা আহ্বান পৌৰপতি আৰু উপ-পৌৰপতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১৭ জুন ঃ** সোণাৰি পৌৰসভা এলেকাত এতিয়াৰে পৰা সকলোধৰণৰ নিৰ্মাণকাৰ্যৰ বাবে পৌৰসভাৰ আগতীয়া অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। নতুন নিৰ্মাণকাৰ্যৰ লগতে ইতিপূৰ্বে অনুমতিবিহীনভাৱে আৰম্ভ কৰা নিৰ্মাণকাৰ্যৰ ক্ষেত্ৰতো পৌৰসভাৰ এই নিয়ম কাৰ্যকৰী হ'ব। পৌৰসভাৰ কৰদাতাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীৰ উপস্থিতিত পৌৰসভাই যোৱা ২৮ মে'ত অনুষ্ঠিত কৰা এখন ৰাজহুৱা সভাৰ সিদ্ধান্তৰ আধাৰত সোণাৰি পৌৰসভাই পৌৰসভা এলেকাত প্ৰযোজ্য হোৱাকৈ কেতবোৰ গুৰুত্বপূৰ্ণ নীতি-নিৰ্দেশনা জাৰি কৰিছে। পৌৰপতি তিলক চন্দ্ৰ নেওগ আৰু উপ-পৌৰপতি স্বাক্ষৰজ্যোতি গগৈৰ স্বাক্ষৰত যোৱা ৩১ মে'ত জাৰি কৰা এই সম্পৰ্কীয় এখন ৰাজহুৱা জাননীত পৌৰসভা এলেকাত গৃহনিৰ্মাণকে ধৰি সকলো ধৰণৰ নিৰ্মাণকাৰ্য, আৱৰ্জনা নিষ্কাষণ আদি পৌৰ প্ৰশাসনেৰে জড়িত বহুকেইটা বিষয়ত জনসাধাৰণৰ বাবে এই নতুন নীতি-নিৰ্দেশনাসমূহ ঘোষণা কৰিছে। এই ঘোষণাৰ অধীনত নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ বাবে সকলো কৰদাতা, অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান, বজাৰ আৰু ব্যক্তিগত ঘৰৰ সন্মুখত (যিখিনি পৌৰসভাৰ গাড়ীৰে লৈ যোৱা হয়) অহা ১ জুলাইৰ পৰা ব্যক্তিগতভাৱে ডাষ্টবিন ক্ৰয় কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগিব। পৌৰ এলেকাত ব্যৱসায় কৰা চাইন বোৰ্ড, হ'ৰ্ডিং, পোষ্টাৰ আদিত ওপৰৰ শাৰীত অসমীয়া ভাষা প্ৰয়োগ কৰিব লাগিব আৰু তাৰ তলতহে ইংৰাজী বা হিন্দী ভাষাৰ ভাঙনি ব্যৱহাৰ কৰিব পাৰিব। অন্যথা দোষনীয় বুলি গণ্য কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই ক্ষেত্ৰত অহা ১ আগষ্টৰ পৰা কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। পৌৰ এলেকাৰ ভিতৰত পূৰ্বে অনুমতি নোলোৱা সকলো ধৰণৰ নিৰ্মাণকাৰ্য বন্ধ ৰাখিব লাগিব আৰু প্ৰয়োজনীয় অনুমতি লোৱাৰ পিছতহে নিৰ্মাণৰ কাম আৰম্ভ কৰিব পাৰিব। অন্যথা, পৌৰ আইন মতে তথা পৌৰসভাৰ সিদ্ধান্ত অনুযায়ী কমেও ৫,০০০ টকাৰ জৰিমনা ভৰিব লাগিব। সকলো ধৰণৰ নতুন নিৰ্মাণকাৰ্য যেনে- ঘৰ সজা, নলা বনোৱা, চৌহদৰ বেৰ পকা কৰা আদিৰ বাবে পূৰ্বে অনুমতি পত্ৰ পৌৰসভাৰ পৰা নল'লে একেই জৰিমনা ভৰিব লাগিব আৰু নিৰ্মাণকাৰ্যও বন্ধ হ'ব। এই সিদ্ধান্ত ১ জুনৰ পৰা কাৰ্যকৰী কৰা হৈছে। গৰাকীবিহীন গৰু-ছাগলী পৌৰ এলেকাত বিচৰণ কৰা পৰিলক্ষিত হলে পাউণ্ডত ৰখা হ'ব আৰু অধিকতম ৭২ ঘণ্টাৰ পিছত পৌৰ কৰ্তৃপক্ষই গৰু-ছাগলী, ম'হৰ বাবে দায়ী নহ'ব। এই সিদ্ধান্ত অহা ১ আগষ্টৰ পৰা কাৰ্যকৰী হ'ব। তদুপৰি, পৌৰকৰ পুনঃনিৰ্ধাৰণৰ বাবে পৌৰসভাৰ সিদ্ধান্তত কৰদাতাই সম্পূৰ্ণ সহযোগিতা আগবঢ়াব লাগিব। মিছাকৈ বা ফাঁকি দি তথ্য লুকুৱাই পৌৰ কৰ্মচাৰীক বিপথে পৰিচালিত কৰা ধৰা পৰিলে ১০,০০০ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। গোহাৰিখনত উল্লেখ কৰা মৰ্মে, পৌৰ কৰদাতাই পৰামৰ্শ আগবঢ়াবলৈ লিখিতভাৱে পৌৰসভা কাৰ্যালয়ৰ সন্মুখত ৰখা "পৰামৰ্শ বাকচ"ত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। পৌৰ এলেকাত নলা-নৰ্দমা, ৰাস্তা আদি নিৰ্মাণ কৰিবলৈ পৰ্য্যাপ্ত মাটি ৰাখিহে ঘৰসমূহৰ নিৰ্মাণকাৰ্য সম্পাদন কৰিব লাগিব। অন্যথা, প্ৰয়োজন বোধে অবৈধ নিৰ্মাণ অংশসমূহ ভাঙি দিয়াৰ ব্যৱস্থা কৰিলে পৌৰসভা দায়ী নহ'ব। পলিথিন, প্লাষ্টিক বেগসমূহ অহা ১ জুলাইৰ পৰা সম্পূৰ্ণ বন্ধ কৰা হ'ব। তাৰ পাছত চৰকাৰৰ অনুমতি থকা বিধিগত পলিথিনৰ নমুনা থকা পলিথিনহে কেৱল মাছ, মাংসৰ বাবে ব্যৱহাৰ কৰিব পাৰিব। ট্ৰেড লাইচেঞ্চসমূহৰ নৱীকৰণৰ ম্যাদ তিনিমাহ উকলি গ'লে সেই ট্ৰেড লাইচেঞ্চসমূহ মৃত বুলি ঘোষণা কৰা হ'ব। আগৰ অনাদায় বকেয়াসমূহ পৰিশোধ কৰিব লাগিব আৰু নতুনকৈ আৰম্ভণিৰ দিন ট্ৰেড লাইচেঞ্চত অন্তৰ্ভুক্ত হ'ব। বি. পি. চলিহা বজাৰখনৰ সকলো কৰিডৰ দোকানৰ মালিকসকলে অহা ১ জুলাইৰ পৰা উন্মুক্ত কৰি ক্ৰেতাৰ বাবে পৰিষ্কাৰ কৰি ৰাখিব লাগিব। ছাটাৰৰ বাহিৰত কোনো সামগ্ৰী ৰাখিলে দোষনীয় হ'ব আৰু জৰিমনা ভৰিব লাগিব লগতে সেই সামগ্ৰীসমূহ পৌৰসভাই উঠাই লৈ গ'লে পৌৰসভা কৰ্তৃপক্ষ জগৰীয়া নহ'ব। কোনো ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী ভাৱে পোষ্টাৰ, বেনাৰ, হ'ৰ্ডিং পৌৰ এলেকাৰ ভিতৰত সংস্থাপনৰ বেলিকা পৌৰসভাৰ আগতীয়া অনুমতি লোৱাটো বাধ্যতামূলক হ'ব। যিকোনো ব্যৱসায়ীয়ে যি যি ব্যৱসায়ৰ বাবে "ট্ৰেড লাইচেঞ্চ" লৈছে সেই সেই ব্যৱসায়ৰ সলনি অন্য ব্যৱসায় কৰা, স্থান পৰিবৰ্তন কৰি পৌৰসভাক অৱগত নকৰা, অথবা এটা ট্ৰেড লাইচেঞ্চত উল্লেখ থকা নিৰ্দিষ্ট ব্যৱসায়ৰ লগত আন বহু বস্তু ৰাখি লাভজনক ব্যৱসায় কৰা দৃষ্টিগোচৰ হলে প্ৰথমে ১০,০০০ টকাকৈ জৰিমনা লোৱা হ'ব। পৰৱৰ্তী পৰ্যায়ত পুনৰ বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠনে তেওঁলোকৰ নিজৰ বেনাৰত লাভজনক সাময়িক ব্যৱসায় যেনে— থিয়েটাৰ, মেলা, অনুষ্ঠানসমূহ, এক্সপ' আদিৰ বাবে আগতীয়া অনুমতি ল'ব লাগিব আৰু তাৰ বাবে বিষয়ভেদে পৌৰসভাই নিৰ্ধাৰণ কৰা কৰ আগতীয়াকৈ পৰিশোধ কৰি ল'ব লাগিব। অন্যথা পৌৰ আইন মতে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৌৰপতি তিলক চন্দ্ৰ নেওগ আৰু উপ-পৌৰপতি স্বাক্ষৰজ্যোতি গগৈৰ স্বাক্ষৰিত এই গোহাৰিযোগে সোণাৰি পৌৰসভাৰ সমূহ কৰদাতাক পৌৰসভাই জাৰি কৰা নিৰ্দেশনাসমূহ গুৰুত্ব সহকাৰে মানি চলি নগৰখনৰ সামগ্ৰিক বিকাশৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে।

হোজাই জিলাৰ ৮৪ খন গাওঁ পানীৰ তলত

# হোজাই-যোগীজানত ৰে'ললাইন ছিঙি নিলে বানে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৭ জুন ঃ** হোজাই জিলাত কপিলীৰ বানৰ সংহাৰ অব্যাহত । মাত্ৰ এমাহ পূৰ্বে বানে বিধ্বস্ত কৰা জিলাখনত পুনৰ তাণ্ডৱ চলাইছে বানে। জিলাখনৰ বিভিন্ন প্ৰান্তত বিশেষকৈ ডবকা ৰাজহ চক্ৰ এলেকাৰ যমুনামুখ মৌজাত আজি দুদিনৰে পৰা বানে লৈছে সংহাৰী ৰূপ। যমুনামুখৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। চৰকাৰী তথ্য মতে এবুকু পানীৰ তলত আবদ্ধ হৈ পৰিছে ডবকা ৰাজহ চক্ৰৰ ২০ খন গাঁৱৰ বাসিন্দা। জিলাখনৰ মুঠ ৮৪ খন গাওঁ ডুব যোৱা বুলি জানিব পৰা গৈছে । ডবকা ৰাজহ চক্ৰ আৰু কাযৰীয়া বানাক্ৰান্ত গাওঁকেইখন হল বিন্নাকান্দি, চাৰ্লক, বালিৰাম, ভেদৌআটি, চাংমাজি মিকিৰগাওঁ, এৰা কপিলী, কাঠকঠীয়া, ভকতগাওঁ, বকুলগুৰী, ডেকেৰুৱা, নগাঞাপাম, পঠীয়াপাম, যমুনামুখ টাউন, ভেদৌআটী, কান্দুলীমাৰি আৰু কমাৰগাওঁ, ভেৰভেৰী, ডবকা চহৰৰ সমীপৰ নাম ডবকা (ৰাজবাৰী) । বেচৰকাৰী তথ্য মতে ৩০ খনৰো অধিক গাওঁ পবিত হৈছে। নেৰানেপেৰা বৰষুণ আৰু কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত কপিলী নৈৰ বাঢ়নী পানীয়ে প্লাবিত কৰে উক্ত অঞ্চলসমূহ । ডবকা-যমুনামুখ সংযোগী পথ আৰু যমুনামুখ-সৰুপথাৰ সংযোগী পথ পানীত ডুব যোৱাত সম্প্ৰতি যমুনামুখৰ লগত সংযোগ বিচ্ছিন্ন হৈ পৰিছে। উক্ত অঞ্চলটোৰ কেবা হেজাৰ পৰিয়াল আক্ৰান্ত বানৰ পানীত । ইফালে হোজাইৰ ন ন অঞ্চললৈ বিয়পিছে বানৰ পানী, এশখনৰো অধিক শিক্ষানুষ্ঠান পানীৰ তলত ডুব গৈছে। অনুমানিক এক লাখ লোক আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে। ইয়াৰ মাজতে ভয়ংকৰ খবৰটো হল হোজাই-যোগীজান ৰে'লপথৰ বহু অংশ বানত ডুব যোৱাৰ লগতে কেবা ঠাইত খহাই নিছে ৰে'লপথ। হোজাইৰ উত্তৰ লস্কৰ পথাৰ, দক্ষিণ লস্কৰ পথাৰ, মাণ্ডুলি, কাৰিখানা ঠাইছুবালি, ৰাইকটা, ইছলামপুৰ, কছাৰীগাঁও, চন্দনপুৰ, দক্ষিণ কোমোৰাকাটা, উত্তৰ কোমোৰাকাটা, ঠেপগুৰি, নভঙা, হাতীমৰা, জাতিওৰা, দক্ষিণ কেন্দুগুৰি, কেন্দুগুৰি, বাৰ ফুটি, নমাটি, মইনাপথৰ, ৰাজবৰী, ৰাধানগৰ, যোগীজান আদি অঞ্চল পানীৰ তলত। ডবকা আদিৰ লক্ষাধিক লোক আক্ৰান্ত হৈছে। পুনৰ কপিলী জল বিদ্যুৎ প্ৰকল্পৰ গেট খুলি দিয়া বুলি জনা গৈছে । হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰৰ যমুনামুখ অঞ্চলত বানে অৱৰ্ণনীয় ৰূপ লোৱাৰ সময়ত বহু লোকে ঘৰৰ ভিতৰত আৱদ্ধ হৈ আছে । এই লোকসকল খাদ্য সংকটত পৰাৰ লগতে ৰোগী আৰু শিশুসকল বাৰুকৈয়ে আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে । এমাহ পূৰ্বে বানে বিধ্বস্ত কৰা যমুনামুখ অঞ্চলত পুনৰ বানে হাহাকাৰ সৃষ্টি কৰাৰ সময়ত জিলা প্ৰশাসনে কোনো ধৰণৰ ৰিলিফ, উদ্ধাৰ আদি কাৰ্য নকৰাৰ অভিযোগ উঠিছে। কেৱল আক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিয়েই উপায়ুক্তই দায়িত্ব সৰাৰ অভিযোগ উঠিছে।



*গুৱাহাটী টাউন ক্লাব অডিট'ৰিয়ামত জি টি চি বক্সিং চেণ্টাৰ মুকলি কৰিছে বক্সাৰ লাভলিনা বৰগোহাঞিয়ে*

এখন চৰকাৰী হাইস্কুলৰ বিলৈ

# ১১৫ জন ছাত্ৰ-ছাত্ৰী, তিনিজন শিক্ষক

## মেট্ৰিকৰ ফলাফল ৮৩.৩০ শতাংশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৭ জুন ঃ** যি সময়ত বেচৰকাৰী বিদ্যালয়ৰ তুলনাত চৰকাৰী বিদ্যালয়ৰ ফলাফল তুলনা মূলক ভাৱে বেয়া । ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষক থাকিও ফলাফল ভাল কৰিব নোৱাৰে, তেনে সময়ত ৰহাৰ এখন চৰকাৰী হাইস্কুলত প্ৰধান শিক্ষককে ধৰি তিনিজন শিক্ষকে চলাবলগীয়া হৈছে এখন হাইস্কুল নৱম শ্ৰেণীত ৫৭ জন আৰু দশম শ্ৰেণীত ৫৮ জন ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ আকৌ ৰিজাল্ট ভাল । স্কুলখনৰ নাম ৰহাৰ তিনিকিলোমিটাৰ পূৱত থকা সৰাগাঁও হাইস্কুল। ১৯৮৪ চনত প্ৰতিষ্ঠা হোৱা আৰু ২০১৩ চনৰ ১ জানুৱাৰীত পদ প্ৰাদেশীকৰণ কৰা হাইস্কুল খনত ২০২১ চনত ৪ জন শিক্ষক থকা স্কুলখনত এতিয়া শিক্ষক তিনিজনহে । এইবাৰ বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন ১ জন, ষ্টাৰ ৪ জনসহ প্ৰথম বিভাগত ১১ জন, দ্বিতীয় বিভাগত ১৭ জন, তৃতীয় বিভাগত ২২ জন উত্তীৰ্ণ হয়। গনিতত ১০০ নম্বৰসহ বহুকেইজনে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হোৱা বিদ্যালয় খনত লাগে শিক্ষক। চৰকাৰী বিদ্যালয়ত শিক্ষক থাকিও ফলাফল বেয়া হোৱাৰ বিপৰীতে এই স্কুলখনে তিনিজন শিক্ষক লৈ ভাল ফলাফল দেখুৱাবলৈ সক্ষম হোৱাত আলোচ্য বিষয় হৈ পৰিছে। অলপতে ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অহা অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক এই বিদ্যালয়খনৰ বিষয়ে অৱগত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে।

# বানাক্ৰান্তৰ কান্দুলীমাৰা প্ৰাথমিক বিদ্যালয়ৰ শিৱিৰত সাহায্য বিতৰণ বিজেপিৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ জুন ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত তথা বিটিচিৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ কান্দুলীমাৰা প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰি থকা ১৬টা বান বিধ্বস্ত পৰিয়ালৰ পুৰুষ-মহিলা, কিশোৰ-কিশোৰী,শিশু সহ ৮৪ গৰাকী সদস্যই আশ্ৰয় লৈ আছে।এই পৰিয়াল কেইটাৰ মাজত দৰঙাজুলি পৰিষদীয় সমষ্টিৰ বিজেপিৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীয়ে আজি সন্ধিয়া আঠুৱা, তেল, চাবোন, টুথপেষ্ট, টুথব্ৰাচ, বাল্টি, মগ, মমবিটি আদি বিভিন্ন সামগ্ৰীৰ লগতে কিছু খাদ্য সামগ্ৰীও বিতৰণ কৰে। লগতে বানাক্ৰান্ত পৰিয়ালকেইটাৰ সদস্য সকলৰ উপৰিও শিশুসকলৰ খা-খবৰ লয়। পৰৱৰ্তী সময়ত প্ৰয়োজন সাপেক্ষে সম্ভৱপৰ সা-সুবিধা আগবঢ়োৱা কথা প্ৰকাশ কৰে। এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীৰ সৈতে কেইবা গৰাকী স্থানীয় ব্যক্তি উপস্থিত থাকে।

# ঘগ্ৰাপাৰত বাঢ়নী পানীয়ে উটুৱাই নিলে দামোদৰ ধাম পথ-পকী দলঙৰ মূৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৭ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰতো বানে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অৰ্ধশতাধিক গাঁৱ বাঢ়ণী পানীয়ে বুৰাই পেলোৱাৰ লগতে একাংশ পথ -দলং উটুৱাই নিয়া পৰিলক্ষিত হৈছে। বৃহত্তৰ অঞ্চলৰ সংশ্লিষ্ট গাঁওসমূহক কৃত্ৰিম বানে কালৰূপ ধাৰণ কৰাৰ ফলত ঘগ্ৰাপাৰ কাটকীয়াত দামোদৰ ধাম পথটো প্ৰায় দুশমিটাৰ ভাঙি-ছিঙি উতুৱাই নিয়াৰ লগতে ঘগ্ৰাপাৰ চ'কৰ সমীপৰ কুৰৰ ওপৰৰ পকীদলঙৰ মুৰ খহাই নিয়ে। যাৰ পৰিপ্ৰেক্ষিতত উক্ত পথছোৱাৰে কালিৰে পৰা বনভাগ-বৰভাগ অঞ্চলৰ শ শ ৰাইজে যাতায়তৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰিছে।স্থানীয় ৰাইজে জানিব দিয়া মতে এই পৰ্যন্ত লোক নিৰ্মাণ বিভাগৰ কোনো বিষয়া-কৰ্মচাৰীয়ে উক্তস্থানত উপস্থিত হোৱা নাই বুলি চৰ্চিত হৈছে। লগতে অঞ্চলটোৰ দল-সংগঠনে পথছোৱাৰ উক্ত সমস্যা শীঘ্ৰে আঁতৰাবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।


# দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তিনি শিক্ষকক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৭ জুন ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত অন্যতম প্ৰাদেশিকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অলপতে অৱসৰ গ্ৰহণ কৰা তিনিজন শিক্ষকক একেলগে বিদ্যালয় খনে উষ্ম বিদায় সম্ভাষণ জনায়। ১৯৯০ চনত বিদ্যালয়খনত বিষয় শিক্ষক হিচাপে ক্ৰমে- বীৰেন বৰা, ইন্দ্ৰলাল শৰ্মা আৰু



বিপুল বৰাই যোগদান কৰি সুদীৰ্ঘ বত্ৰিছটা বছৰ সততা আৰু নিষ্ঠাৰে ইটাখোলা অঞ্চলৰ বিভিন্ন ভিতৰুৱা ঠাইৰ পৰা বিদ্যালয়খনলৈ অহা ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি অলপতে চৰকাৰী বিধি মতে অৱসৰ গ্ৰহণ কৰে। কালি এই তিনিজন অৱসৰী শিক্ষকক বিদ্যালয়খনে এক গাম্ভীৰ্যপূণ অনুষ্ঠানৰ যোগেদি বিদায় সম্ভাষণ জনায়। বিদ্যালয়খনৰ অধ্যক্ষা মল্লিকা ভূএঞাৰ অধ্যক্ষতাত অনুষ্ঠিত বিদায় সভাত দেখা গ'ল এক শোকাকুল পৰিবেশৰ। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিদায়ী শিক্ষক তিনিজনক গামোছা আৰু ফুলেৰে বিদায় সম্ভাষণ জনায়। বিদ্যালয়খনৰ ইংৰাজী বিষয়ৰ বিষয় শিক্ষক ৰূপম বৰাই আঁত ধৰা উক্ত বিদায়ী অনুষ্ঠানত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ ৰাজবংশী উপ সভাপতি গাজীলাল তচা প্ৰাক্তন সভাপতি বেনু মাধৱ বৰাকে প্ৰমুখ্য কৰি বিদ্যালয় খনৰ কেইবাগৰাকী অৱসৰ প্ৰাপ্ত শিক্ষক আৰু গন্য মান্য ব্যক্তি উপস্থিত থাকে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি